# অমৃতঃ সন্তান



শ্ৰী তিলক চন্দ্ৰ মজুমদাৰ

REFERENCE COPY
( NOT FOR ISSUE )

# অমৃতৰ সন্ধানত

KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

30541/04

S(L) A/St-2

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

অধ্যাপক, নগাঁও ছোৱালী কলেজ

SOUL
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

AMRITAR SANDHANAT:
A COLLECTION OF STORIES ADOPTED FROM THE UPANIS'ADAS. BY PROF TILAK CHANDRA MAJUMDAR· M. A. NOWGONG: ASSAM. PRICE RS, 5'00 ONLY.

891.45048/MAJ

প্ৰকাশিকা ॥ জ্যোতিৰেখা ॥ উপমাদেৱী মজুমদাৰ ॥ নগাঁও
প্ৰথম প্ৰকাশ ॥ দৌল-পূৰ্ণিমা ॥ ৫৩১ শঙ্কৰাব্দ ( ১ মাৰ্চ '৮০ )

বেটুপাত শিল্পী ॥ ব্ৰজেন বৰা ॥ নগাঁও
ছপা ॥ সুছন্দা প্ৰেছ ॥ নগাঁও

স্বত্ব ॥ লেখক ॥
মূল্য ॥ পাঁচ টকা ॥

30541
291 ...

সত্যপথৰ পৰা · বিচলিত নহৈ
দেশমাতৃৰ সেৱাত নিয়োজিত
অসমীৰ সুসন্তানসকলৰ হাতত :

## গ্ৰন্থকাৰৰ নিবেদন :

ভোগ-বিলাস, আমোদ-প্ৰমোদ, আড়ম্বৰপূৰ্ণ জীৱন-যাপনৰ প্ৰতিযোগিতাত আজিৰ সমাজ অন্ধ হৈ পৰিছে। ঠগ-প্ৰৱঞ্চনা, অনীতি-দুৰ্নীতিৰে ধন উপাৰ্জন-সংগ্ৰহ, ক্ষমতাৰ অধিকাৰ আৰু অপব্যৱহাৰেই জীৱন ধাৰণৰ মাপকাঠি বুলি গণ্য হৈছে। সংকীৰ্ণ স্বাৰ্থপৰতা আৰু মোহান্ধতাই ন্যায়-অন্যায়, হিত-অহিত, পাপ-পুণ্যৰ বিচাৰ-বিবেচনা নাইকিয়া কৰি সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক জীৱন ৰোগগ্ৰস্ত কৰি তোলা পৰিলক্ষিত হৈছে। জীৱ-শ্ৰেষ্ঠ অমূল্য মানৱ জীৱনৰ সত্যতা আৰু সাৰ্থকতাক দুষ্কৃতিয়ে অন্ধকাৰাচ্ছন্ন কৰি তুলিছে।

সন্দেহ নাই, আজিৰ যুগ শিক্ষিতৰ যুগ। পাশ্চাত্য প্ৰভাৱৰ পুথিগত বিদ্যা-শিক্ষা আৰু বংশ-আভিজাত্যক লৈ গৌৰৱ কৰাৰ প্ৰয়াস আজিৰ সমাজত বৰ্ত্তমান। প্ৰকৃত শিক্ষা আৰু জ্ঞান লাভ হ'লে এনে গৌৰৱত মত্তলীয়া হোৱাৰ কাৰণ দেখা নাযায়। কিন্তু বৰ্ত্তমান সমাজত চলা প্ৰতিযোগিতাই মানুহক প্ৰকৃত জ্ঞানী আৰু শিক্ষিত কৰাৰ পথ নিষ্কণ্টক কৰা নাই।

আমি পাহৰি গৈছোঁ—ভাৰতীয় জ্ঞান-সাধনা, চিন্তা ধাৰণা, ধৰ্ম-শিক্ষা-সংস্কৃতি, সামাজিক জীৱন বিশ্ব-ইতিহাসত কিমান সুপ্ৰাচীন আৰু চমকপ্ৰদ আছিল। আৰ্য্য-অনাৰ্য্যৰ সংমিশ্ৰণত সৃষ্টি হৈছে—ভাৰতীয় জ্ঞান-গৰিমা, জীৱন-আদৰ্শ, ধ্যান-ধাৰণা আৰু ধৰ্ম-সংস্কৃতি। এই ঐতিহ্যৰ নৱ-মূল্যাঙ্কন কৰিব নোৱাৰিলে দুষ্কৃতিৰ বিনাশ অসম্ভৱ। বৰ্ত্তমান যুগৰ উঠি অহা চামে নতুন চিন্তা-ধাৰণাৰ লগত প্ৰাচীন ঐতিহ্য-সংস্কৃতি আৰু চিন্তাধাৰাৰ সেতু বন্ধন ঘটালে নতুন যুগ-মানসৰ সৃষ্টি অৱশ্যম্ভাৱী।

30521/04

ভাৰতীয় উচ্চ-চিন্তাধাৰা, সত্য-সাধনা, প্ৰকৃত জ্ঞান-শিক্ষাৰ সুন্দৰ আৰু সমুজ্জ্বল ৰূপ প্ৰকাশ পাইছে বেদসম প্ৰাচীন গ্ৰন্থ উপনিষদসমূহত। সেই কালত প্ৰকৃত সত্যজ্ঞানৰ অবিহনে বংশ-গৌৰৱ বা পুথিগত বিদ্যাৰ সমাজত উচ্চ স্থান নাছিল। ত্যাগ, কষ্ট আৰু সাধনাৰ দ্বাৰা সত্যজ্ঞান বা আত্মজ্ঞান লাভ কৰিহে জ্ঞানী বা ব্ৰাহ্মণ বুলি সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰিছিল। বেদাদি শাস্ত্ৰ অধ্যয়ন কৰা লোককো যিদৰে ব্ৰাহ্মণ বুলি স্বীকৃতি দিয়া নহৈছিল, সেইদৰেই আত্মজ্ঞানী ক্ষত্ৰিয়ইও সমাজত গুৰুৰ উচ্চ আসন লাভ কৰিছিল।

তেনে সত্যৰ প্ৰতি আলোক-পাত কৰি উপনিষদক আধাৰ হিচাবে লৈ 'অমৃতৰ সন্ধানত' যুগুত কৰা হৈছে। এঠৰখন মূল উপনিষদৰ ভিতৰত মাথোন ছান্দোগ্য, কঠ, কেন, বৃহদাৰণ্যক—এই চাৰিখনৰ পৰা বাছি বিষয়-বস্তু লোৱা হৈছে। এনে কাৰ্য্য সহজ-সাধ্য নহয়, সেয়ে সহৃদয় পঢ়ুৱৈ সমাজে ভুল-ত্ৰুটি, আসোঁৱাহ আঙুলিয়াই দিলে উপকৃত হ'ম।

গ্ৰন্থখনৰ হাতে লিখা পাত কেইখিলা চকু ফুৰাই দিয়া বাবে বন্ধুবৰ ড° নৰেন কলিতা আৰু পোহৰৰ পথলৈ অনা সম্পৰ্কত দিহা-পৰামৰ্শ দিয়া বাবে কবি-সাহিত্যিক অধ্যাপক শ্ৰীমহিম বৰা, ডাঃ নগেন দত্ত, অধ্যাপক শ্ৰীললিত শইকীয়াৰৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা আগবঢ়ালোঁ।

নগাঁও ছোৱালী কলেজ
দোল পূৰ্ণিমা ॥ ৫৩১ শকাব্দ ॥

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

॥ লেখকৰ অন্যান্য গ্ৰন্থসমূহ ॥

১। প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা ২। প্ৰাচীন অসমীয়া গদ্য-সাহিত্য ৩। আমি উভতি চাওঁ ৪। শঙ্কৰ-জ্যোতি ( একাঙ্কিকা ) ৫। কথা-ভীম চৰিত ॥ সম্পাদনা : ৬। সুবীয়া সুৱদি মাত ৭। মহাপুৰুষ শঙ্কৰদেৱৰ 'ৰুক্মিণী-হৰণ' নাট ৮। মহাপুৰুষ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাট ৯। 'চোৰধৰা' আৰু 'পিম্পৰা গুচোৱা' ঝুমুৰা ১০। ৰাম সৰস্বতীৰ ভীম-চৰিত ।

অমৃতৰ সন্ধানত আছে :

সত্যাগ্ৰহী ॥ ৯ ॥ যমৰ ঘৰৰ অতিথি ॥ ২১ ॥ ধন্য পিতা- ধন্য পুত্ৰ ॥ ৩২ ॥ নতুন জীৱন ॥ ৪১ ॥ সোণ খটোৱা শিঙৰ এহেজাৰ গাই ॥ ৪৮ ॥ নৱ-আলোক ॥ ৬০ ॥ জ্ঞানোদয় ॥ ৬৭। মহীয়সী ॥ ৭৫ ॥

# সত্যাগ্ৰহী

কুলু কুলু সুৰে এখনি নদী বৈ গৈছে। নিৰ্মল পানীৰ নদীখনে গাঁও, পথাৰ, অৰণ্য দ্বিখণ্ডিত কৰি নিজ স্থানলৈ গতি কৰিছে। নদীৰ পাৰতে অটব্য অৰণ্যৰ এচুকত এটি সামান্য পৰ্ণ-কুটীৰ। প্ৰকৃতিৰ গছ-গছনি, তৰু-লতাৰে সেই পঁজাটি পৰিবেষ্টিত। নিৰ্জনতাৰ মাজৰ পঁজাটিত এটি আলফুলীয়া শিশু দিনে দিনে ডাঙৰ-দীঘল হৈ আহিছে। প্ৰকৃতিৰ আশীৰ্বাদ আৰু মাকৰ বুকুৰ মৰম-চেনেহ তাৰ জীৱনৰ একমাত্ৰ আশ্ৰয়। সংসাৰত আপোন বুলিবলৈ তাৰ কেও নাই। আনকি, শিশুটিৰ পিতাক কোন, সেই পৰিচয়েই নাই। নদীৰ নিৰ্মল পানীৰ দৰে মাক আৰু শিশুটিৰ মন পবিত্ৰ, নিৰ্মল।

সময়ত শিশুটিৰ বিদ্যা-শিক্ষা কৰাৰ বয়স উপস্থিত হ'ল। বিদ্যা-শিক্ষা লাভ কৰাৰ প্ৰবল হেঁপাহ তাৰ জন্মিল। এদিন মাকক স-ভক্তিৰে ক'লে :

"মা! মই বিদ্যা-শিক্ষা গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিছোঁ। মোক গুৰু-গৃহলৈ পঠোৱা। মই জানো, ৰীতিমতে গুৰুৱে মোক পিতৃ-পৰিচয় আৰু বংশৰ কথা সুধিব। গতিকে, তুমি মোক আমাৰ বংশ আৰু পিতাৰ পৰিচয় কি, তাক কোৱা।"

পুতেকে নিজে উপযুক্ত সময়ত গুৰু-গৃহলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰিছে, ব্ৰহ্মচৰ্য্য পালন কৰি বেদাদি শাস্ত্ৰ অধ্যয়নেৰে নিজৰ জীৱন ধন্য কৰাৰ লগতে, উপৰি-পুৰুষৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ

ওলাইছে; ইয়াতকৈনো সৌভাগ্য আৰু গৌৰৱৰ কথা কি থাকিব পাৰে! মাকৰ আনন্দৰ সীমা নোহোৱা হ'ল। "বাছাধন"— বুলি অসীম স্নেহত মাকে পুতেকক সাবটি ধৰিলে। কিন্তু, হায়! "মনে খোজে ৰজা হ'ব, বিধাতাই নিদিয়ে খুজি খাব।" ল'ৰাটিৰ দুখুনী মাক আজি জটিল পৰীক্ষাৰ সন্মুখীন হৈছে। পিতৃ পৰিচয়? ভাবি-চিন্তি অস্থিৰ হৈ পৰিল। মূৰ আচন্দ্ৰাই কৰিলে। দুখত চকুৰ পানী নিগৰি পৰিল।

কিন্তু শিক্ষালৈ থকা ধাউতিৰ পৰা পুতেকক বঞ্চিত কৰাৰ অধিকাৰ মাকৰ নাই। কুমলীয়া পুতেকে নিজে শিক্ষা লবলৈ আগ্ৰহ কৰাটো মাকৰ পৰম গৌৰৱৰ কথা। কিন্তু, পিতৃ-পৰিচয়! অলপ নীৰৱতাৰ পিছত মাকে মন সবল কৰি ল'লে। এনে শুভক্ষণত সত্যৰ পৰা মাক কেতিয়াও বিচলিত নহয়। সবল মনৰ পুতেকক সত্য-পথত ধাবিত কৰাবই লাগিব। সত্যৰ জয় অনিবাৰ্য্য। পবিত্ৰ অন্তৰেৰে মাকে ভগবানক প্ৰাৰ্থনা কৰিলে: ভগবান যেন তেওঁৰ পথৰ সহায়ক হয়, সত্য প্ৰকাশ কৰিবলৈ ভগবানে যেন তেওঁক ক্ষমতা প্ৰদান কৰে।

মন সবল আৰু দৃঢ় কৰি স্নেহাতুৰা মাকে ডিঙিৰ সাতসৰী, বুকুৰ সুশীতল চন্দন স্বৰূপ পুতেকক মুখত চুমা খাই মূৰত হাত দি বুকুৰ মাজত সাবটি লৈ ক'লে:

"বাছাধন! তুমি গুৰুৰ ওচৰলৈ বিদ্যা শিক্ষা গ্ৰহণ কৰিবলৈ যাব ওলোৱাত মই বৰ গৌৰৱ আৰু আনন্দ অনুভৱ কৰিছোঁ। এয়া মোৰ পৰম সৌভাগ্য। ভগৱানে তোমাৰ মনোবাঞ্ছা পূৰ্ণ কৰক! কিন্তু কথা হ'ল, তোমাৰ বংশ আৰু পিতৃৰ পৰিচয় মই নিজে নাজানো। যৌৱন কালত নানা কষ্ট কৰি অনেক ঠাই ভ্ৰমি ফুৰিলোঁ। অনেক লোকক সেৱা কৰাৰ ফলত তোমাৰ জন্ম হ'ল। সেয়েহে তোমাৰ প্ৰকৃত বংশ আৰু পিতৃৰ পৰিচয় দিয়াৰ কোনো সত্য পথ নাই। মাথোন এইখিনিহে ক'ব পাৰোঁ, তুমি 'সত্যকাম' আৰু মই



জবালা—তোমাৰ মা। গুৰুক 'জবালা-সত্যকাম' বুলি তোমাৰ পৰিচয় দিবা।"

সত্যক কণমানো গোপন নকৰাকৈ মাতৃ জবালাই সৰল শিশু সত্যকামক নিজৰ পৰিচয় দাঙি ধৰি নিঃশব্দে ৰ'ল। পুতেক সত্যকামে মাকৰ চৰণত ভক্তিপূৰ্বক প্ৰণাম জনালে। মাকে পুতেকক আশীৰ্বাদ দি ক'লে:

"সত্যৰ জয় হওক! ভগবানে তোমাৰ মঙ্গল কৰক!"

পবিত্ৰ দিনৰ পবিত্ৰ-ক্ষণত সত্যপৰায়ণা দুখুনী মাকৰ বুকু উদং কৰি একমাত্ৰ পুতেক সত্যকামে বিদ্যা শিক্ষাৰ্থে ব্ৰহ্মবিদ্ মহান ঋষি গৌতমৰ আশ্ৰমলৈ যাত্ৰা কৰিলে। পুত্ৰ বিদায়ত মাকে চকুৰ পানীৰে পৃথিবী তিয়ালে। মাথোন অন্তৰেৰে ভগবানক প্ৰাৰ্থনা কৰিলে:

সত্যকামৰ যাত্ৰা সাৰ্থক হওক!
সত্যপথ সত্যকামৰ জীৱনৰ সহায়ক হওক!!
জীৱন যুদ্ধত জয়ী হৈ সত্যকাম নিৰ্বিঘ্নে ঘূৰি আহক!!!

* * * *

জনতাৰ কোলাহলৰ পৰা বহুত দূৰত গৌতম ঋষিৰ মনোমোহা আশ্ৰম। গছ-গছনি, ফল-ফুল, লতা-কুঞ্জৰে আশ্ৰমৰ চৌদিশ সুশোভিত। ওচৰত ধীৰ-শান্ত গতিত প্ৰৱাহিত নদী। প্ৰকৃতি-ৰাণীয়ে আশ্ৰমৰ সৌন্দৰ্য্য চৰাইছে। ভাৰতবৰ্ষৰ নানা ঠাইৰ পৰা জ্ঞান-বিদ্যা লাভ কৰিবলৈ নানা ঋষিকুমাৰ এই আশ্ৰমলৈ আহে। মহৰ্ষি গৌতম বেদবিদ্, ব্ৰহ্মবিদ্। তেওঁ শিষ্যসকলক বেদ-বেদাঙ্গৰ শিক্ষা দি পোহৰৰ পথ দেখুৱায়।

পশ্চিমৰ আকাশত সূৰ্য্য অস্ত যাওঁ যাওঁ। তেনে এক শীতল স্নিগ্ধ-সুন্দৰ সন্ধ্যাৰ পৰিৱেশত প্ৰকৃতি ৰাণীৰ অপৰূপা সৌন্দৰ্য্য উপভোগ কৰি জ্ঞানৰ জ্যোতিৰে অন্তৰ আলোকিত কৰাৰ প্ৰবল হাবিয়াসেৰে গোটেই দিন খোজ কাঢ়ি পৰিশ্ৰান্ত হোৱা বালক সত্যকাম গৌতমৰ আশ্ৰমত উপস্থিত হ'ল গৈ। আকাশত বেলি মাৰ

যাবলৈ উপক্রম কৰা সময়ত সূৰ্য্যৰ ৰক্তিম ৰশ্মিৰ দৃশ্যই আশ্ৰমৰ সৌন্দৰ্য্য অতুলনীয় কৰি তুলিছে। মন-প্ৰাণ হৰি নিয়া অপৰূপ দৃশ্যই পৰিশ্ৰান্ত সত্যকামৰ দিনটোৰ খোজ কঢ়া ক্লান্তি আঁতৰাই পেলালে। আশ্ৰমৰ শান্ত-মধুৰ-সুন্দৰ পৰিবেশত সত্যকামৰ শৰীৰ জুৰ পৰিল। মন পৰম আনন্দত নাচি উঠিল।

আশ্ৰমৰ অধ্যক্ষ মহামুনি গৌতম। ঋষিক প্ৰণাম জনাই সত্যকাম থিয় হৈ ৰ'ল। ক্লান্ত সত্যকামক ঋষিয়ে বিশ্ৰাম লবলৈ আজ্ঞা বিহিলে।

সান্ধ্য-উপাসনা সমাপন কৰি ঋষি গৌতমে আশ্ৰমলৈ অহা নবীন বালকক মাতি আনি সুধিলে :

"বালক ! তুমি আশ্ৰমলৈ কি উদ্দেশ্যত আহিছা ?"

ভক্তিপূৰ্ণ প্ৰণাম জনাই অতি বিনীতভাৱে মধুৰ স্বৰেৰে সত্যকামে ক'লে :

"ভগবন্ ! আপোনাৰ শিষ্যত্ব গ্ৰহণ কৰি ব্ৰহ্মচৰ্য্য শিকিবলৈ আশ্ৰমলৈ আহিছোঁ। মোৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে পৰম কৃতাৰ্থ হ'ম।"

সত্যকামৰ চলন-ফুৰণ আৰু বিনয় বচনত ঋষি মুগ্ধ হ'ল। যোগ্য শিষ্য যেন তেওঁৰ আগত বৈ আছে। মৰম-সনা মাতেৰে গৌতম ঋষিয়ে সুধিলে :

"পিছে বালক ! তোমাক শিষ্যৰূপে ভৰ্তি কৰাৰ পূৰ্বে তোমাৰ সম্পূৰ্ণ পৰিচয় মই জানিব লাগিব। বাৰু কোৱাচোন, তোমাৰ পিতৃ কোন ? তুমি কোন বংশৰ ?"

সত্যাগ্ৰহী সত্যকামে নিঃসঙ্কোচে উত্তৰ দিলে :

"মোৰ বংশ বা পিতৃ পৰিচয় মই নাজানো। আশ্ৰমলৈ অহাৰ আগ মুহূৰ্ত্তত মাক এই বিষয়ে সুধিছিলোঁ। তাৰ উত্তৰত মাৰে মোক ক'লে যে তেওঁ যৌৱনত নানা ঠাই ঘূৰি ফুৰি বহুজনৰ সেৱাৰ ফল স্বৰূপে মোক লাভ কৰিছে। মোৰ মাৰ নাম জবালা আৰু মোৰ নাম সত্যকাম। "জাবাল-সত্যকাম' — এয়ে মোৰ প্ৰকৃত পৰিচয়।

সমস্যা অতি জটিল। কিয়নো, ব্ৰহ্মবিদ্যা লাভ কৰাৰ অধিকাৰ আছে মাথোন ব্ৰাহ্মণৰহে। সেয়ে গৌতম ঋষিৰ আশ্ৰমত বিদ্যা-চৰ্চা কৰা শিষ্যবৰ্গ আছিল উচ্চ বংশজাত ব্ৰাহ্মণ-বালক। ঋষিয়ে সত্যকামক প্ৰশ্ন কৰোঁতে সেই শিষ্যবিলাকো ওচৰতে বহি আছিল। নতুনকৈ শিষ্য হ'বলৈ অহা বালক সত্যকামে পিতৃ পৰিচয় দিব নোৱাৰাত ব্ৰাহ্মণ-শিষ্যবিলাকে বিদ্ৰূপৰ হাঁহি মাৰিলে আৰু সত্যকামৰ প্ৰতি অৱজ্ঞাৰ ভাব পোষণ কৰিলে।

গৌতম সত্য-দ্ৰষ্টা, আত্ম-তত্ত্বজ্ঞ, মহান পণ্ডিত। সত্য উদ্ঘাটন কৰিবলৈ তেওঁৰ বেছি সময় নালাগে। বিস্ময় নয়নেৰে ঋষিয়ে নবাগত বালকলৈ চাই দেখিলে : গভীৰ নিশাৰ আকাশত থকা নক্ষত্ৰৰাজিৰ পোহৰত সত্যকামৰ মুখ উজলি উঠিছে। নিঃসঙ্কোচভাৱে অকপটচিত্তেৰে নগ্ন-সত্যক প্ৰকাশ কৰিব পৰা সত্যকাম নিশ্চয় সূৰ্য্যৰ দৰে উজ্জ্বল আৰু চন্দ্ৰৰ দৰে স্নিগ্ধ-পবিত্ৰ। ঋষিয়ে জানে—সত্য, পবিত্ৰতা আৰু সৰলতাই ব্ৰাহ্মণৰ একমাত্ৰ পৰিচয়। সত্য প্ৰকাশৰ সাহস যাৰ আছে, সিয়ে প্ৰকৃত ব্ৰাহ্মণ। সত্যকামে সত্য পৰিচয় দাঙি ধৰা দেখি ঋষি মুগ্ধ হ'ল। সত্যকামৰ মুখত চুমা খাই গুৰুৱে আশীৰ্বাদ কৰিলে :

"বালক ! তোমাৰ পৰিচয়ত মই সন্তুষ্ট হৈছোঁ। তুমি সত্যভ্ৰষ্ট হোৱা নাই। তুমি প্ৰকৃত ব্ৰাহ্মণ—দ্বিজোত্তম। সেয়েহে নিঃসঙ্কোচে এনে অপ্ৰিয় সত্য প্ৰকাশ কৰিবলৈ পাৰিছা। যোৱা, সমিধ (যজ্ঞকাঠ) লৈ আহাঁ। তোমাৰ উপনয়ন সংস্কাৰ সাধন কৰোঁ।"

ভাৰতীয় শিক্ষক-ঋষিৰ সৎসাহস, উচ্চ চিন্তাধাৰা, মহান আদৰ্শ, উদাৰ সিদ্ধান্ত—জগতৰ ইতিহাসত অতুলনীয়। ইয়াৰ উৎকৃষ্ট নিদৰ্শন গৌতম ঋষি। কায়-বাক্য-মনত যি শুদ্ধ, সত্য তাক আওকাণ কৰাটো যুক্তি-বিৰোধী কথা। যিজনে সত্যৰ পৰা কণমানো বিচলিত

নহয়, অকপটভাৱে সত্য প্ৰকাশ কৰিব পাৰে; তেনে উদাৰ, সৰল লোকৰ স্থান সমাজৰ উচ্চ শিখৰত। যোগ্য জনে যোগ্য আসন পাবই। সেইবাবে বিপ্লৱী মনীষা গৌতমে গোত্ৰ বা পিতৃৰ পৰিচয় নোপোৱাকৈ সত্যাগ্ৰহী সত্যাশ্ৰয়ী বালক সত্যকামক শিষ্যৰূপে গ্ৰহণ কৰি সত্যৰ জয় ঘোষণা কৰিলে।

যথাৰীতিমতে ঋষিয়ে সত্যকামৰ উপনয়ন সম্পন্ন কৰিলে। ঋষিয়ে শিষ্য সত্যকামক মাতি আনি কামৰ দিহা দিলে:

"বৎস, এই চাৰিশ গৰু চোৰা-চিতাৰ দায়িত্ব তোমাক দিলোঁ। তুমি নিতৌ বেদাধ্যয়ন, ব্ৰহ্মচৰ্য্য-পালন, তপস্যা, গো-সেৱা কৰা। তোমাৰ কুশল হ'ব।"

কিছুমান ৰুগীয়া আৰু দুৰ্বল গৰু চোৰা-চিতাৰ দায়িত্ব সত্যকামৰ ওপৰত পৰিল। গুৰুৰ আদেশ শিৰত তুলি লৈ সত্যকামে নম্ৰতাৰে ক'লে:

"গুৰুদেৱ! এই চাৰিশ গৰুৰ দায়িত্ব মই গ্ৰহণ কৰিলোঁ। গৰুবোৰ হৃষ্ট-পুষ্ট আৰু সুশ্ৰী হৈ সম্পূৰ্ণ এক হাজাৰ হ'লেহে মই আশ্ৰমলৈ ঘূৰি আহিম।"

সেউজীয়া ঘাঁহ-বন থকা ক্ষেত্ৰ এখনৰ অনুসন্ধানত দুৰ্বল গৰু চাৰিশ খেদি সত্যকাম আগ বাঢ়িল। নানা হাবি-বন, পাহাৰ-পৰ্বত, জান-জুৰি পাৰ হৈ গৈ বহুত দূৰত পৰ্বতৰ ওচৰত এখনি মনোৰম ঘাঁহনি পথাৰ পালে। সেই ঠাই গছ-গছনি, জান-জুৰি, গছৰ ফল-ফুল-পাত, ঘাঁহ-বনেৰে পৰিপূৰ্ণ। তাত মানুহৰ হাই-উৰুমি নাই। চৰাই-চিৰিকতিৰ সুললিত সুৰে প্ৰকৃতিৰ নিস্তব্ধতা ভঙ্গ কৰে। প্ৰকৃতিৰ অপৰূপ শোভা দেখি সত্যৰ সেৱক সত্যকামৰ মন নিৰ্মল, হৃদয় শান্ত আৰু প্ৰাণ পুলকিত হৈ উঠিল।

গুৰুৰ উপদেশমতে নিত্য হোম-উপাসনাদিৰ উপৰিও, সত্যকামে ভালদৰে গৰুজাক পোহ-পাল দি ৰাখিলে। কিছুদিনৰ পিছত দুৰ্বল গৰু-বোৰ শকত-আবত, সুশ্ৰী হৈ পৰিল। গুৰু গৌতমক সন্তুষ্ট কৰি আশীৰ্বাদ



লাভ কৰিবলৈ সত্যকামে গৰুজাক বৰ যত্ন আৰু নিষ্ঠাৰে প্ৰতিপালন কৰিবলৈ ধৰিলে।

জ্ঞান-পিপাসু সত্যকামে সেই জনবসতিহীন ঠাইত গৰু পালন আৰু তপস্যা সাধন কৰি বহুত বছৰ পাৰ কৰি দিলে। ইতিমধ্যে তেওঁক গুৰুৱে প্ৰতিপালন কৰিবলৈ দিয়া চাৰিশ গৰু এক হাজাৰলৈ বৃদ্ধি পালে। প্ৰকৃতি-ৰাণীৰ উদাৰ বক্ষত তপস্যাত মগ্ন সত্যকামৰ সেই কথালৈ ভ্ৰূক্ষেপ নাই। তেওঁৰ ধ্যান-তপস্যা দেখি স্বৰ্গৰ দেৱ-সমাজত হুলস্থুল লাগি পৰিল। সত্যকামক সজাগ কৰিবলৈ দেৱ সমাজ উঠি-পৰি লাগিল আৰু সত্যকামৰ ওচৰলৈ বায়ু দেৱতাক পঠিয়ালে। বায়ু দেৱতাই সত্যকামে পালন কৰা আটাতইকৈ ডাঙৰ বৃষভটোত প্ৰৱেশ কৰি ক'লে:

"হে সোম্য! আমি এক হাজাৰ গৰু হলোঁ। সকলোটি সুস্থ আৰু নোদোকা হৈছোঁ। তোমাৰ প্ৰতিজ্ঞা পূৰ্ণ হ'ল। এতিয়া আমাক গুৰুৰ আশ্ৰমলৈ লৈ ব'লা।"

কৰ্ত্তব্য পালন, গুৰু-ভক্তি, গভীৰ তপস্যাত তুষ্ট হৈ বায়ু দেৱতাই সত্যকামক ব্ৰহ্মজ্ঞান দিবলৈ ইচ্ছা কৰিলে। বৃষভৰূপী বায়ুদেৱতাই ক'লে:

"সত্যকাম! তোমাৰ কাৰ্য্যত মই সন্তোষ পাইছোঁ। তোমাক মই ব্ৰহ্মৰ 'চাৰিপাদ'ৰ প্ৰথম পাদৰ বিষয়ে উপদেশ দিওঁ, শুনা। পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ—এই চাৰিটা দিশ ব্ৰহ্মৰ 'একপাদ'। একোটা দিশক এক অংশ বা কলা বোলা হয়। এই চাৰি দিশ ভগৱানৰ চাৰি কলা। এই চাৰি কলাই ব্ৰহ্মৰ প্ৰথম পাদ। এই পাদে সকলোকে প্ৰকাশ কৰে বাবে তাৰ নাম "প্ৰকাশন।" এই পাদৰ উপাসনা কৰিলে প্ৰকৃত জ্ঞান লাভ কৰি ইহলোকত প্ৰকাশবান্ হয় আৰু মৃত্যুৰ পিছত প্ৰকাশবান বা জ্যোতিৰ্ময় সকলো লোকক জয় কৰি নিজে জ্যোতিৰ্ময়-লোকপ্ৰাপ্ত হয়।

"মই তোমাক ব্ৰহ্মৰ চাৰিপাদৰ প্ৰথম পাদৰ বিষয়ে উপদেশ

জ্ঞান লাভ কৰিলে। গুৰুৰ একনিষ্ঠ সেৱক, সত্যৰ পূজাৰী সত্যকামৰ কৰ্ত্তব্য পালন, একাগ্ৰতা, সত্য-সাধনাত ব্ৰহ্ম সন্তুষ্ট। সেইবাবে ব্ৰহ্মই বায়ু, অগ্নি, সূৰ্য্য আৰু প্ৰাণ-শক্তিৰ জৰিয়তে সৃষ্টিৰ সকলোতে যে ব্ৰহ্ম বিৰাজমান, সেই কথা বুজাই দি সত্যকামৰ মনৰ সংশয় বিদূৰ কৰিলে। সত্যকামৰ সত্য-দৰ্শনৰ সুফল লাভ হ'ল। দুখুনী মাকৰ আশীৰ্বাদৰ ফল ফলিল। পিতৃ পৰিচয়হীন বালক সত্যকামৰ জীৱন ধন্য হ'ল।

পিছদিনা সত্যকামে গৰুবোৰ খেদি গুৰুৰ আশ্ৰমৰ পিনে প্ৰৱল বেগত খোজ ললে। আনন্দত শিষ্য সত্যকামৰ হিয়া নধৰা হৈছে। গধূলি সময়ত তেওঁৰ যাত্ৰাৰ ওৰ পৰিল। শকত-আবত সুন্দৰ চেহেৰাৰ এক হাজাৰ গৰুৰ লগত সত্যকাম গুৰু গৌতমৰ আশ্ৰমত উপস্থিত হ'ল। সত্যকামে অসীম শ্ৰদ্ধা-ভকতিৰে গুৰুৰ চৰণত প্ৰণিপাত জনালে। সত্যদ্ৰষ্টা, সত্যাগ্ৰহী, সাধক গুৰু-শিষ্যৰ মহামিলন ঘটিল। এই মহামিলনত প্ৰকৃতি জগতৰ মাজত থকা ঋষিৰ আশ্ৰমৰ সৌন্দৰ্য্য বৰ্ধন হ'ল। সন্ধিয়াৰ নিজন প্ৰকৃতি জগতে আনন্দত উৎফুল্লিত হৈ গুৰু-শিষ্যৰ মহামিলনক অভিনন্দন জনালে। শিষ্যৰ-শান্ত-সৌম্য-উজ্জ্বল ৰূপ দেখি গুৰু গৌতম পৰম সন্তোষিত হ'ল।

ব্ৰহ্মৰ জ্যোতিৰে অন্তৰ উদ্‌ভাসিত হোৱা সত্যকামৰ মুখমণ্ডলত এক অপূৰ্ব জ্যোতি বিৰিঙি উঠিল। এনে প্ৰদীপ্ত সত্যকামক দেখি আচৰিত হৈ গৌতমে সুধিলে :

"বৎস! তোমাৰ মুখমণ্ডল জ্ঞান-জ্যোতিৰে উদ্‌ভাসিত হৈ উঠিছে। তুমি ব্ৰহ্মজ্ঞানীৰ দৰে দীপ্তিমান হৈ উঠিছা। মোৰ ভাৱ হয়, তোমাক নিশ্চয় কোনোবাই ব্ৰহ্মৰ বিষয়ে উপদেশ দিছে। তুমি কাৰ পৰা এই উপদেশ লাভ কৰিলা, ভাঙি পাতি কোৱা।"

গৌতম সত্যদ্ৰষ্টা ঋষি। তেওঁ সকলো বুজি পায়। বিনম্ৰতাৰে প্ৰকৃত সত্য সত্যকামে প্ৰকাশ কৰিলে :

"ভগবন্! আপুনি ঠিকেই অনুমান কৰিছে। মই ব্ৰহ্ম-বিষয়ক উপদেশ লাভ কৰাটো সঁচা কথা। কিন্তু এই উপদেশ মানুহৰ পৰা লাভ কৰা নাই। মনুষ্য ভিন্ন প্ৰাণীৰ পৰাহে ব্ৰহ্ম-বিষয়ক উপদেশ লাভ কৰিলোঁ। আপোনাৰ পৰা বিদ্যা-শিক্ষা আৰু জ্ঞান লাভ কৰাটোহে মোৰ একান্ত ইচ্ছা। কিয়নো, আপোনাৰ দৰে ব্ৰহ্মবিদ্, আত্মজ্ঞানী গুৰুৰ পৰা শিকা বিদ্যাহে শিষ্যৰ কাৰণে পৰম অমূল্য সম্পদ আৰু ফলপ্ৰদায়িনী বিদ্যা-শিক্ষা। গুৰুদেৱ! আপুনি যেন মোক আত্মজ্ঞানৰ তত্ত্ব বুজাই দি মোৰ মনৰ সংশয় দূৰ কৰে— এয়ে মোৰ সবল কাকুতি।"

উদাৰ দৃষ্টিভঙ্গীৰ, সাম্যবাদী, সত্যাশ্ৰয়ী মহান গুৰু গৌতমে শিষ্য নিৰ্বাচনৰ ক্ষেত্ৰত উচ্চ-নীচ, ব্ৰাহ্মণ-অব্ৰাহ্মণৰ ভেদাভেদত গুৰুত্ব আৰোপ নকৰে। তেওঁ বিচাৰে উপযুক্ত বা গুণী শিষ্য। সেইবাবে পিতৃ বা বংশ পৰিচয় দিব নোৱাৰা সত্ত্বেও সত্যৰ পৰা বিচলিত নহৈ অকপটভাৱে নিজৰ নগ্ন-সত্য দাঙি ধৰা জাবাল-সত্যকামক গৌতমে নিজৰ শিষ্যৰূপে গ্ৰহণ কৰি মহত্বৰ পৰিচয় দাঙি ধৰিলে। এনে বৈপ্লৱিক আদৰ্শ জগতত চিৰ-আদৰণীয় হৈ ৰ'ব।

শিষ্য সত্যকামে দেৱতাৰ পৰা আত্মজ্ঞান লাভ কৰিছে। ইয়াতকৈনো মানুহৰ কি পুণ্য আৰু সৌভাগ্য থাকিব পাৰে! গুৰু গৌতমৰ শিষ্য সত্যকাম। গৌতমৰ শিষ্যই দেৱতাৰ পৰা ব্ৰহ্ম-বিষয়ক উপদেশ লাভ কৰিছে, গুৰুৰ কাৰণে ই কম গৌৰৱ আৰু আনন্দৰ কথা নহয়!

সত্যকামৰ গুৰু-ভক্তি অতুলনীয়। সেইবাবে তেওঁ দেৱতাৰ পৰা আত্মজ্ঞান লাভ কৰিও সন্তুষ্ট নহ'ল। গুৰুৰ মুখৰ পৰা আত্মজ্ঞান লাভ কৰিহে তেওঁ ধন্য হ'বলৈ বিচাৰিলে। ভাগ্যবান গুৰু গৌতমে ব্ৰহ্মজ্ঞান দান কৰি সত্যাগ্ৰহী শিষ্য সত্যকামৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে।

আত্মজ্ঞান লাভ কৰি সত্যকামে গুৰুজনাৰ চৰণ-পদ্মত প্ৰণাম জনাই গুৰু-আশ্ৰমৰ পৰা বিদায় প্ৰাৰ্থনা জনালে। গুৰু-শিষ্যৰ মধুৰ মিলনৰ সমাপ্তি-পৰ্বৰ এই বিদায়-মুহূৰ্ত্ত নিঃসন্দেহে অতি

শোকৰ। কিন্তু যোগ্য শিষ্যক শিক্ষা দি উপযুক্ত তথা পূৰ্ণ মানৱ ৰূপে প্ৰতিষ্ঠিত কৰি মহান গুৰুৱে পৰম গৌৰৱ আৰু আনন্দ লাভ কৰে। নিজৰ, দহৰ, দেশৰ মঙ্গল—সমভাবপন্ন আত্ম-তত্ত্বজ্ঞ গুৰুৰ একান্ত কামনা, তেনে এজন গুৰুৰ শিষ্য সত্যকাম। সত্যৰ সাধক শিষ্য সত্যকামে অন্ধকাৰ পথৰ পৰা সমাজৰ বহুজনক পোহৰৰ পথ দেখুৱাই জগতৰ মঙ্গল সাধন কৰিবই।

বিদায়-বেলিকা গুৰু গৌতমৰ আনন্দ-অশ্ৰু নিগৰি পৰিল। গুৰুৱে মূৰত হাত দি শিষ্যক গহীন আৰু মধুৰ স্বৰে 'দ্বিজোত্তম, কুশল হওক'—বুলি আশীৰ্বাদ দি বিদায় জনালে। সত্যকামে থিয় হৈ গহীন-প্ৰশান্ত মূৰ্ত্তিৰ গুৰু গৌতমলৈ চাই ৰ'ল। গুৰুৰ মুখলৈ চাই চাই কেইখোজমান পিছুৱাই দূৰৰ পৰা হাত যোৰ কৰি প্ৰণাম যাচি শিষ্য সত্যকামে ধীৰ-স্থিৰ গতিত খোজ ললে নিজৰ গৃহমুখে।

গুৰুৰ পদধূলি আৰু আশীৰ্বাদ শিৰত তুলি লৈ ব্ৰহ্মজ্ঞানী, সত্যৰ সেৱক সত্যকাম নিজৰ পঁজাঘৰ পালেগৈ। বহুত দিনৰ বিৰতিৰ পিছত পুতেকক দেখা পোৱাত স্নেহাতুৰা মাতৃ জবালাৰ চকুৰ পৰা দুধাৰি আনন্দৰ চকুলো নিগৰি পৰিল। পুতেকৰ মূৰত হাত থৈ মুখত মৰমৰ চুমা খাই মাকে পৰম তৃপ্তি লাভ কৰিলে।

'জাবাল-সত্যকাম'ৰ জীৱন সাৰ্থক হ'ল।

আত্মজ্ঞানী সত্যকাম এজন প্ৰসিদ্ধ ঋষি আৰু গুৰু হৈ পৰিল। অগণন জ্ঞান-পিপাসু, সত্যাগ্ৰহী শিষ্যৰ আগমনত ঋষি সত্যকামৰ আশ্ৰম জ্ঞান-তীৰ্থত পৰিণত হ'ল। তেওঁৰ আশ্ৰম ভাৰতৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আশ্ৰম হৈ পৰিল। আশ্ৰমত শিক্ষা দান কৰি অনেক শিষ্যক অমৃতৰ সন্ধান দি পিতৃ পৰিচয়হীন সত্যকামে অমৰত্ব লাভ কৰিলে॥০০০॥



# যমৰ ঘৰৰ অতিথি

একেলগে সাতোটা শিখা দপ্‌দপকৈ জ্বলি উঠিছে। উগ্ৰা, প্ৰদীপ্তা, সুলোহিতা, মনোজবা, কালী, কৰালী, সুধূম্ৰবৰ্ণা— জ্বলি উঠা শিখা কেইটিৰ নাম। খাটি ঘিউ জুইত ঢালি দি আহুতি দিয়া হৈছে। মিঠা মিঠা গোন্ধত চাৰিওফাল সুবাসিত হৈ পৰিছে। জটাধাৰী আৰু দীঘল দাড়িৰে সুঠাম চেহেৰাৰ ঋত্বিক পুৰোহিতসকলৰ অপৰূপ জ্যোতি বিৰিঙি উঠিছে। ঋক্‌মন্ত্ৰৰ সুমধুৰ ধ্বনি, সামগানৰ সুললিত সুৰ, যজুৰ্বেদৰ সুন্দৰ আবৃত্তিয়ে মন-প্ৰাণ হৰি নিয়া দৃশ্যৰ সৃষ্টি কৰিছে। পুণ্যভূমি ভাৰতৰ মহা মহা ঋষি মুনিসকলৰ মহামিলনত এক গহীন-গম্ভীৰ পৰিৱেশৰ সৃষ্টি হৈছে।

ই এক বিৰাট যজ্ঞ। বিশ্বজিৎ যজ্ঞ। এই যজ্ঞত গৰাকীয়ে যথাসৰ্বস্ব দান কৰিব লাগে। দানৰ ফলত দেৱতা, ঋষি-মুনি, সাধাৰণ জীৱ সকলোৱে পৰিতৃপ্ত হয়। গৰাকীৰ পুণ্যফল লাভ হয়, যশ-কীৰ্ত্তি বাঢ়ে।

অসীম আনন্দ-উৎসৱৰ মাজেদি যজ্ঞৰ কাৰ্য্য চলিছে। যজ্ঞৰ গৰাকী, পুৰোহিত সকলো ব্যস্ত—ব্যতিব্যস্ত। এটা সময়ত যজ্ঞৰ কামৰ সামৰণি পৰিবৰ হ'ল। যথাৰীতিমতে গৰাকীয়ে সকলো সম্পত্তি দান স্বৰূপে আগবঢ়ালে। দানৰ পিছত দক্ষিণা-পৰ্ব। পুৰোহিতসকললৈ দক্ষিণা আগবঢ়োৱা হ'ল। দক্ষিণা স্বৰূপে অলৰ-অচৰ বুঢ়া, হাড়-ছাল ওলোৱা অলেখ বেমাৰী গৰু পুৰোহিত-সকলক ভাগ-বাটোৱাৰা কৰি দিয়া হ'ল— যিবোৰ গৰু দুই-

চাৰি দিন পিছতে যমালয়ত স্থান পাবগৈ। তেনে দক্ষিণা পায়ো পুৰোহিতসকলৰ মনত অপাৰ আনন্দ। মহাসমাৰোহেৰে চলা যজ্ঞৰ দান-দক্ষিণা পৰ্বৰ ওৰ পৰিল। ল'ৰাৰ পৰা বুঢ়ালৈ সকলোৰে মন উৎফুল্লিত, আনন্দিত, পৰিতৃপ্ত।

কিন্তু আচৰিত কথা! ইমান আনন্দ-স্ফূৰ্তি, হাই-উৰুমিৰ মাজতো এটা কুমলীয়া শিশুৱে বিৰাগ-বিষণ্নমনে যজ্ঞথলীৰ এচুকত বহি আছে। আনন্দ-উৎসৱে অকণমান ল'ৰাটিৰ মন অলপো চুব পৰা নাই; এক গভীৰ ভাবত বিভোৰ হৈ আছে। বিশেষকৈ, যজ্ঞৰ সুফল বা পুণ্যফল লাভ কৰাৰ নামত হাড়-ছাল ওলোৱা, আলৰ বেমাৰী গৰুবোৰ পুৰোহিতসকলক দক্ষিণা স্বৰূপে আগ বঢ়োৱা দৃশ্য সৰলমনা শিশুৱে সহ্য কৰিব পৰা নাই। শিশুৰ অন্তৰত বিদ্ৰোহৰ ভাব জাগি উঠিছে। এই মৃতপ্ৰায় গৰুবোৰ পুৰোহিতসকলৰ ভালুকৰ সাঙীহে হ'ব। দুই-চাৰি দিন পিছতে এইবোৰৰ মৃত্যু অনিবাৰ্য্য। জীয়াই থকা দিন চেৰেকতো কোনো লাভবান নহ'ব, বৰং চিকিৎসা কৰি কৰি কষ্টহে ভোগ কৰিব লাগিব। তাৰ উপৰি, যজ্ঞৰ গৰাকীয়ে যথাসৰ্বস্ব দান কৰিছে অমৃতফল বা আনন্দলোক পাবলৈ। কিন্তু দক্ষিণাত ৰুগ্ন গৰুবোৰ দিয়াৰ পৰা মহাপুণ্য লাভ হ'ব বুলি শিশুটিয়ে ভাবিব পৰা নাই। বৰং, গৰাকীৰ অমঙ্গল হোৱাৰহে সম্ভাৱনা। মহাপুণ্যৰ নামত অনীতিক প্ৰশ্ৰয় দিয়া কাৰ্য্য দেখি শিশুটিৱে নীৰৱে থাকিব নোৱাৰিলে। বয়সত শিশু হ'লেও—এই শিশু অতি মহান, পবিত্ৰমনৰ—স্বৰ্গীয় শিশু।

এই শিশুটিৰ বয়স মাথোন আঠ বছৰ।

বিশ্বজিৎ যজ্ঞৰ গৰাকী বাজশ্ৰৱসৰ পুত্ৰ। নাম নাচিকেতা। যজ্ঞৰ গৰাকী দেউতাকে এনে দক্ষিণাৰ দ্বাৰা পুণ্যফল লাভ কৰিব নোৱাৰে, এনে কাৰ্য্যৰ দ্বাৰা প্ৰাৰ্থকৰ মঙ্গল কেতিয়াও সাধন হ'ব নোৱাৰে। সেয়ে কোমল অন্তৰত জ্বলি উঠা বিদ্ৰোহৰ জুই ৰুৱা



নুমাব নোৱাৰি — লাহে-ধীৰে আগ বাঢ়ি গৈ দেউতাক বাজশ্ৰৱসৰ ওচৰত থিয় হৈ নচিকেতাই বিনয় ভাৱেৰে সুধিলে:

"দেউতা, আপোনাৰ যজ্ঞ মহাসমাৰোহেৰে সমাধা হ'ল। দান-দক্ষিণা দি আহৰি হ'ল। এতিয়া মই জানিবলৈ বিচাৰোঁ—মোক কাক দান দিলে?"

শিশু-পুত্ৰৰ কথালৈ দেউতাকৰ মন দিয়াৰ সময় ক'ত? বিৰাট যজ্ঞ সমাপন হৈ যোৱাৰ গৌৰৱ আৰু আনন্দত দেউতাকৰ মন উথলি আছে। কোমল অন্তৰৰ নচিকেতাৰ কথাত গুৰুত্ব দিয়াৰ প্ৰয়োজন বোধ নকৰিলে।

পুতেক নচিকেতা কিন্তু নিজৰ কথাত অবিচলিত। নেৰেনে-পেৰাকৈ একেটা কথাতে লাগি থাকিল। এবাৰ, দুবাৰ—কেবাবাৰো "দেউতা, মোক কাক দান কৰিছে?" —বুলি সুধি থকাত খং আৰু বিৰক্তিৰে দেউতাক বাজশ্ৰৱসে ক'লে:

"যা, তই যমৰ ওচৰলৈ যা। তোক যমক দান কৰিছোঁ।"

যম নৰকৰ অধীশ্বৰ, মৃত্যুৰাজ। যমলৈ সকলোৰে ভীষণ ভয়। যমৰ হাতৰ পৰা সাৰিবলৈ কোনে যে কিমান যজ্ঞ, পূজা, নাম-কীৰ্ত্তন নকৰে! কিন্তু আচৰিত কথা, পিতাকে পুতেকক যমৰ ওচৰলৈ যাবলৈ আদেশ দিলে। নচিকেতাই ভাবিলে: দেউতাকে নিশ্চয় তাৰ ওপৰত খং কৰিছে। নচিকেতা উত্তম নহ'লেও অধম পুত্ৰ বা শিষ্য নিশ্চয় নহয়। পিতৃ-সেৱাৰ কাম সি কোনো দিনাই আওহেলা কৰা নাই।

নচিকেতাৰ দেউতাক সত্যাশ্ৰয়ী ঋষি। তেনেজনৰ কথা অথলে যাব নোৱাৰে। দেউতাকৰ আজ্ঞা নচিকেতাই পালন কৰিবই লাগিব। পিতৃ-সত্য পালনৰ বাবে নচিকেতাই যমৰ ওচৰলৈ যাবলৈ সাজু হ'ল। যোৱাৰ আগ মুহূৰ্ত্তত আশীৰ্বাদ বিচাৰি দেউতাকৰ ওচৰলৈ গৈ ক'লে:

"পূজনীয় দেউতা! মোৰ দোষ ক্ষমা কৰিব। পিতৃৰ সন্মান

আৰু পিতৃ-সত্য ৰক্ষাৰ্থে মই যমৰ ওচৰলৈ যাওঁ। মোৰ ওপৰত যেন আপুনি কোনো খং ভাব নাৰাখে।"

পুতেক যমৰ ওচৰলৈ যাবলৈ ওলাইছে। দেউতাক আচৰিত হ'ল। খঙৰ বশবৰ্ত্তী হৈ পুতেকক কি অমঙ্গলীয়া কথা কৈছিল, তাক এতিয়াহে উপলব্ধি কৰিলে। পুত্ৰ-স্নেহতকৈনো পিতাকৰ আন কি ডাঙৰ থাকিব পাৰে! মৰম-ভৰা মাতেৰে দেউতাকে নচিকেতাক ক'লে :

"বাছাধন! মই তোক যি কৈছিলোঁ, সেয়া খঙৰ বশৱৰ্ত্তী হৈ কোৱা কথা। খং নামে চাণ্ডাল। সি মোৰ প্ৰাণৰ কথা নহয়। তই যমৰ ওচৰলৈ যাব নালাগে। নিজ কামলৈ যা।"

দেউতাক জ্ঞানী-মানী ঋষি। কিন্তু এইবোৰ কি কৈছে? এনে অসাৰুৱা, অগভীৰ কথা দেউতাকৰ পৰা নচিকেতাই আশা কৰা নাছিল। দেউতাকক ক'লে :

"পিতা! আপুনি এইবোৰ কি কৈছে! পুত্ৰ ডাঙৰ নে সত্য ডাঙৰ? আপুনি বিশ্বজিৎ যজ্ঞ কৰি মহাপুণ্য লাভ কৰিবলৈ বিচাৰিছে। অথচ, এতিয়াও মোহ-পাশত আৱদ্ধ হৈ আছে। আপুনি ঋষি! সত্য-সাধনা ঋষিসকলৰ একান্ত সম্পদ। এই জগতত জীৱ জন্মিছে, মৰিছে। সকলো অসাৰ, অনিত্য, অসত্য; মাথোন সত্যইহে সত্য! গতিকে আপুনি নিজৰ কথাৰ সত্যৰ পৰা বিচলিত নহ'ব। সত্য-ধৰ্ম ৰক্ষা কৰি নিজক মহীয়ান কৰি তোলক!"

পুতেকৰ জ্ঞান-গৰ্ভ কথা আৰু সত্যৰ প্ৰতি থকা নিষ্ঠা দেখি বাজশ্ৰবস অবাক হ'ল। পুত্ৰ নচিকেতাই নিজ প্ৰতিজ্ঞাৰ পৰা হোঁহকা-পিছলা নকৰে। পিতৃৰ শোকাশ্ৰুৰ আহুতিৰে বিশ্বজিৎ যজ্ঞ শেষ হ'ল। যমৰজাৰ ওচৰলৈ যাবলৈ নচিকেতাক অনুমতি দিলে।

নিৰ্ভীক বালক নচিকেতাই পিতৃ-সত্য ৰক্ষাৰ কাৰণে যমৰ ৰাজ্যলৈ যাত্ৰা কৰিলে। মৃত্যুৰ অধিকৰ্ত্তা যমৰজা। তেওঁ পাপ-পুণ্যৰ বিচাৰ কৰে। যমে পাপীক শাস্তি দি নৰকলৈ পঠিয়ায়; পুণ্যবানক দয়া



কৰি স্বৰ্গলৈ পঠিয়ায়। যমৰজাৰ নাম শুনিলে জীৱৰ থৰহৰি কম্পমান হয়। সত্যপথৰ সন্ধানী নচিকেতাই তেনে যমকো পৰোৱাই নকৰে।

নচিকেতা গৈ যমৰ ঘৰ পালে। সেই সময়ত যমৰজা ঘৰত নাছিল। কিবা কামত ব্ৰহ্মালোকলৈ গৈছিল। নচিকেতাৰ অগ্নিতুল্য জ্যোতিত যমপুৰী আলোকিত হৈ উঠিল। যমৰজা ঘৰত নথকাত তেওঁৰ গৃহিনী বা অনুচৰ কোনেও বালক নচিকেতাৰ ওচৰ চাপি নাহিল। এদিন, দুদিন—তিনি দিন পাৰ হ'ল, যম ঘূৰি অহা নাই। বিনা আতিথ্যত নচিকেতাই যমৰ অপেক্ষাত অনাহাৰে তিনিদিন বাহিৰতে ৰৈ থাকিল।

তিনি দিনৰ পিছত যমৰজা ঘূৰি আহিল। অনুচৰবিলাকে যমৰজাক গৈ ক'লে :

"ধৰ্মৰাজ! এটি ব্ৰাহ্মণ-পুত্ৰ তিনি দিন ধৰি তোমাৰ অপেক্ষাত ৰৈ আছে। ব্ৰাহ্মণ-পুত্ৰ অতি তেজস্বী– যেন অগ্নি-দেৱতাহে।"

"অতিথিক পাদ্য-অৰ্ঘ দি যথাযোগ্য অভ্যৰ্থনা কৰা হৈছেনে?" —যমৰজাই গহীন স্বৰত সুধিলে।

"তেজস্বী ব্ৰাহ্মণ-পুত্ৰৰ ওচৰ চাপি অভ্যৰ্থনা কৰাৰ সাহস গোটাব নোৱাৰিলোঁ। আপোনাৰ বাহিৰে এই অতিথিক অভ্যৰ্থনা কৰাৰ যোগ্যতা কাৰো নাই।" অনুচৰবিলাকে উত্তৰ দিলে।

অতিথি সাক্ষাৎ নাৰায়ণ। তাতে আকৌ ব্ৰাহ্মণ-বালক। অতিথি ব্ৰাহ্মণক অভ্যৰ্থনা নকৰিলে গৃহস্থৰ অকল্যাণ হয়, যজ্ঞাদি ফল লাভৰ পৰা বঞ্চিত হয়, ধন-জন-পুত্ৰ বিনষ্ট হয়। এইবোৰ কথা ভাবি যমৰজাই মনত বৰ সন্তাপ পালে। তাতোকৈ ডাঙৰ কথা, তিনি দিন ধৰি অতিথি বিনা অভ্যৰ্থনাই ঘৰৰ বাহিৰত্তে ৰৈ আছে। দুৰ্ভাবনাত যমৰজা অস্থিৰ হৈ পৰিল। অতিথিক সন্তুষ্ট কৰিব পাৰিলেহে যেন তেওঁ অকাৰ্য্যৰ পৰা মুক্ত হ'ব।

যমৰজাই আৰু অকণমান সময়ো পলম নকৰিলে। ভৰি ধুৱাবলৈ পানী লৈ অতিথি ব্ৰাহ্মণৰ ওচৰ পালেগৈ। তেওঁৰ ঘৰৰ

30541/01

অতিথি কোমল বয়সৰ ব্ৰাহ্মণ বালক। যমৰজাই বৰ লাজ পালে। বালক অতিথিক তৰি ধুৱাই বহিবলৈ আসন দি যমৰজাই ক'লে :

"হে বালক! মোৰ প্ৰণাম গ্ৰহণ কৰাঁ। মোৰ ঘৰৰ অতিথি হৈ তিনিদিন বিনা সেৱা-অভ্যৰ্থনাই অনাহাৰে থাকিবলগীয়া হোৱাত মই অত্যন্ত দুখ আৰু লাজ পাইছোঁ। মোৰ এই অপৰাধ তুমি মাৰ্জনা কৰাঁ। তিনিদিন অনাহাৰে বিনা অভ্যৰ্থনাত থকা বাবে তোমাক মই তিনিটা বৰ দিওঁ। তোমাক যি বৰ লাগে তাকে লোৱা। তুমি সন্তুষ্ট হ'লেহে মোৰ আৰু মোৰ পৰিয়ালবৰ্গৰ কল্যাণ হ'ব।"

একেবাৰে নভবা-নিচিন্তা কাণ্ড! যমৰজা কি মহৎ, কি উচ্চ-মনৰ। যমৰজাৰ মধুৰ ব্যৱহাৰ আৰু মহিমাময় চৰিত্ৰ দেখি নচিকেতাই আনন্দ আৰু সন্তোষ পালে। বালকৰ মনৰ শঙ্কা আৰু উদ্বেগ নাইকিয়া হৈ পৰিল। নচিকেতাই দৃঢ়ভাবে ভাবিলে : যমে নিশ্চয় তেওঁৰ কোনো অন্যায় নকৰে; নিৰাপদে এৰি দিব।

নচিকেতাৰ মনত ভাঁহি উঠিল পিতা-পুত্ৰৰ বিদায় মুহূৰ্ত্তৰ কথা; মনত পৰিল শোকাকুল পিতৃৰ কথা। পুত্ৰশোকত অনিদ্ৰাত অস্থিৰ হৈ থকা দেউতাকৰ দুখ-শোক নিৰাময় কৰাটো পুত্ৰৰ একান্ত কৰ্ত্তব্য। সেইকাৰণে হিতাকাঙ্খী পুত্ৰই প্ৰথম বৰ পিতাকৰ দুখ-শোক নিবাৰণৰ কাৰণে প্ৰাৰ্থনা কৰিলে :

"হে ধৰ্মৰাজ! মোৰ দেউতাৰ মনৰ উৎকণ্ঠা, দুখ-শোক আঁতৰ হওক আৰু দেউতা মোৰ প্ৰতি সুপ্ৰসন্ন হওক! মই আপোনাৰ ওচৰৰ পৰা গ'লে যেন দেউতাই পুত্ৰ বুলি আদৰ-যত্ন কৰি মোক ঘৰত থাকিবলৈ অনুমতি দিয়ে।"

'সেয়ে হওক' বুলি কৈ যমৰজাই বালকক দ্বিতীয় বৰ মাগিবলৈ ক'লে। গভীৰ ভাৱে চিন্তা কৰি নচিকেতাই দ্বিতীয় বৰ মাগিলে :

"হে দয়ালু যমৰাজ! ৰোগ-শোক-জৰা-মৃত্যু নথকা স্বৰ্গৰাজ্য লাভ কৰিবলৈ মানুহে অগ্নি-সেৱা যজ্ঞ কৰে। সেই অগ্নি-সেৱা



বিদ্যা মোক দান কৰক।"

ব্ৰাহ্মণ-বালকে এনে উত্তম বৰ প্ৰাৰ্থনা কৰাত যমৰজা বৰ আনন্দিত হ'ল। কিয়নো নচিকেতাই নিজ কামনা বা স্বাৰ্থ-সিদ্ধিৰ বাবে কোনো বৰ বিচৰা নাই। প্ৰথম বৰ পিতৃৰ সুখ-শান্তিৰ বাবে আৰু দ্বিতীয় বৰ মৰ্ত্ত্য-লোকৰ শান্তি আৰু অমৰত্ব লাভৰ বাবে মাগিছে।

ধৰ্মৰাজ যমে নচিকেতাক অগ্নিবিদ্যাৰ বিষয়ে শিক্ষা দান কৰি যজ্ঞবেদী তৈয়াৰ কৰি কেনেকৈ অগ্নি প্ৰজ্বলিত কৰিব লাগে তাক ভালদৰে বুজাই দিলে। মানৱৰ কল্যাণৰ হকে নচিকেতাই অগ্নি-বিদ্যা শিকি মানৱক স্বৰ্গ লাভ তথা অমৰত্ব লাভৰ পথ মোকলাই দিলে।

মানৱ সমাজৰ কল্যাণৰ বাবে এনে জটিল তত্ত্ব শ্ৰদ্ধা আৰু মনোযোগ দি শুনা বাবে যমৰজাই নচিকেতাক মনোমোহা ৰত্নৰ মালা-এধাৰি উপহাৰ দি দ্বিতীয় বৰৰ আনুষঙ্গিক বৰ এটা দি ক'লে :

"নচিকেতা! যজ্ঞৰ এই অগ্নি তোমাৰ নামেৰেই পৰিচিত হ'ব।"

যমৰজাৰ দয়া, করুণা, উদাৰতা, মহিমা দেখি নচিকেতা আনন্দত অভিভূত হৈ পৰিল। এইবাৰ যমৰজাই নচিকেতাক শেষ অৰ্থাৎ তৃতীয় বৰ মাগিবলৈ ক'লে। কি বৰ মাগিব তাক নচিকেতাই দ-কৈ ভাবিলে। নচিকেতাৰ মনত ক্ষুদ্ৰ স্বাৰ্থ অকণো নাই। মৰ্ত্ত্য আৰু স্বৰ্গৰ কথা, লগতে অমৰত্ব লাভৰ কথাও নচিকেতাই জানিলে। কিন্তু মানৱৰ পৰিপূৰ্ণতা ক'ত? তাৰ মনত খেলিলে :

ফুলাম গছৰ ডাল-পাত, ফল-ফুল দেখি সকলো মুগ্ধ হয়। মানুহে গছৰ ফল পাৰি খাই তৃপ্তি পায়, ফুল-পাত চিঙি আনন্দ পায়। কিন্তু এই তৃপ্তি বা আনন্দ দান কৰা গছৰ মুল্য ক'ত? তাক জানো কোনোৱে ভাৱে? এই সংসাৰখন এজোপা বৃক্ষ। বৃক্ষৰূপী সংসাৰখনৰ মূল কি তাক জনা উচিত। এইবাৰ আত্মাৰ বিষয়ে ভালদৰে জানিবলৈ নচিকেতাৰ হাবিয়াস জন্মিল। সেয়েহে তৃতীয় বৰ প্ৰাৰ্থনা কৰি ক'লে :

"ধৰ্মৰাজ! আত্মা সম্পৰ্কে নানা মুনিৰ নানা মত। আত্মা

নিত্য নে অনিত্য ? মৃত্যুৰ পিছত আত্মা থাকে নে নাথাকে ? এইবোৰ অজ্ঞেয়-ৰহস্য। আপুনি মোক আত্মতত্ত্বৰ জ্ঞান দি মোৰ সংশয় দূৰ কৰি কৃতাৰ্থ কৰক।"

এইবোৰতো অতি জটিল—অতি সূক্ষ্ম প্ৰশ্ন। সংসাৰৰ ঘাত-প্ৰতিঘাত বা কোনো সমস্যাৰ সন্মুখীন নোহোৱা বালকৰ মুখত কি অদ্ভুত অপূৰ্ব প্ৰশ্ন! যমৰজাই নচিকেতাক ক'লে :

"বালক! তুমি এনে জটিল আৰু সূক্ষ্ম তত্ত্বৰ কথা নুবুজিবা। এই বিষয়ে দেৱতাসকলৰো সন্দেহ, সংশয় দূৰ হোৱা নাই। গতিকে তুমি এই বৰ এৰি আন বৰ প্ৰাৰ্থনা কৰাঁ।"

নীৰৱ হৈ নচিকেতাই যমৰজাৰ পিনে চাই থাকিল। কোনো কথা নচিকেতাৰ মুখত ফুটি নোলোৱাত বিস্মিত আৰু শঙ্কিত হৈ যমৰজাই বিনীতভাৱে পুনৰ নচিকেতাক সেই বৰ ত্যাগ কৰি আন বৰ মাগিবলৈ অনুৰোধ কৰিলত নচিকেতাই দৃঢ়তাৰে ক'লে :

পুনৰবাৰ যমৰজাই নচিকেতাক পুত্ৰ-পৌত্ৰ, সোণ-ৰূপ, হাতী-ঘোঁৰা, নৃত্য বিশাৰদা সুন্দৰী ৰমণী, সাম্ৰাজ্য, ৰাজ-অট্টালিকা আৰু নানা ঐশ্বৰ্য্য-বিভূতিৰ প্ৰলোভন দেখুৱাই আত্মতত্ত্বৰ বৰৰ পৰা বিৰত থাকিবলৈ ক'লে।

নচিকেতাক ইবোৰ সম্পদ কেলেই লাগিছে? ইবোৰতো সকলোৱে লাভ কৰে, ভোগ কৰে। এনে পাৰ্থিব সম্পদভোগ-বিলাসৰ ক্ষণস্থায়ী সম্পদ— আজি আছে, কালিলৈ নাই। নচি-কেতাই যমৰজাৰ কোনো কথাতে ভোল নগ'ল।

এনে প্ৰলোভনতো নচিকেতা সন্তুষ্ট নোহোৱাত যমৰজা বিবুদ্ধিত পৰিল। কি উপায়েৰে বালকৰ মন আনপিনে ঘূৰাই আনিব পৰা যায়, সেই কথা ভাবিছেহে মাথোন, হঠাতে কিছুমান অপৰূপা অপেস্বৰী স্বৰ্গৰ পৰা নামি আহি নচিকেতাৰ আগত উপস্থিত হৈ নৃত্য-গীতৰ ধ্বনিৰে গোটেই ঠাই মুখৰিত কৰি তুলিলে। দিব্য-বস্ত্ৰভূষিতা, আ-অলঙ্কাৰেৰে সু-সজ্জিতা সুঠাম দেহৰ ৰমণীসকলৰ



কি যে মনোমোহা ৰূপ! বালক নচিকেতাই এই দৃশ্য থৰ লাগি চাই ৰ'ল। অপলক দৃষ্টিৰে অপেস্বৰাৰ ৰূপ-সৌন্দৰ্য্য উপভোগ কৰা যেন দেখি যমৰজাই নচিকেতাক কলে :

"বালক! তুমি এই সকলোকে লৈ লোৱা। তুমি যেনেদৰে বিচৰা তেনেদৰে তোমাৰ সেৱা কৰিব। আশাকৰোঁ—তুমি এতিয়া সন্তুষ্ট হৈছা।"

ভোগ-বিলাস, ৰূপ-সৌন্দৰ্য্যই বালকক অন্ধ কৰিব নোৱাৰিলে। সৰল অন্তৰেৰে, নিৰাভিমান চিত্তেৰে যি জানিবলৈ আৰু শিকিবলৈ বিচাৰিছে, নচিকেতাই তাৰ বাহিৰে আন একোতে ভোল নাযায়। সাধনাত সিদ্ধি লাভ কৰিবই। গহীন আৰু শান্তভাৱে অতিথি নচিকেতাই যমৰজাৰ মুখলৈ চাই কলে :

"দুদিনীয়া সুখ-ভোগৰ কোনো মূল্য নাই। মই ভোগ-বিলাসৰ সামগ্ৰী বিচৰা নাই। দয়া কৰি মই যি বিচাৰিছোঁ, তাকে দান কৰক।"

ক্ষন্তেকতে স্বৰ্গৰ পৰা নামি অহা নৃত্য-ভঙ্গিমাত থকা অপৰূপা অপেস্বৰীসকল অদৃশ্য হ'ল। যি বিমোহিনীৰূপে মহা মহা সাধক-ঋষি-মুনিৰো মন বিমোহিত কৰি ধ্যান ভঙ্গ কৰে, তেনে অপূৰ্বৰূপে বালক নচিকেতাক তিলমানো বিচলিত কৰিব নোৱাৰিলে। নচিকেতা আত্মজ্ঞান সম্পৰ্কে জানিবলৈ দৃঢ় প্ৰতিজ্ঞ। বালকৰ নিষ্ঠা, দৃঢ়তা, স্থিৰতা, একাগ্ৰতা আৰু জিজ্ঞাসুপ্ৰৱণতা দেখি যমৰজাই আত্মতত্ত্ব বিষয়ক জ্ঞান দিবলৈ বাধ্য হ'ল।

অতিথি নচিকেতাৰ কপালত জয়-তিলক অঙ্কিত হ'ল। তেওঁৰ শৰীৰ আৰু অন্তৰ অপৰূপ জ্যোতিৰে উদ্ভাসিত হৈ উঠিল। যমৰজাই আত্মতত্ত্বৰ বিষয়ে নচিকেতাক ক'বলৈ ধৰিলে :

"এই সংসাৰত শ্ৰেষ্ঠ মানৱৰ কাৰণে দুটা পথ আছে— এটা প্ৰেয়স আৰু আনটো শ্ৰেয়স। প্ৰেয়সৰ পথেৰে আগবাঢ়িলে ধন সম্পদ, ভোগ-বিলাস আৰু স্বৰ্গলাভ হয়; কিন্তু পৰমাৰ্থ ফল লাভ নহয়। বৈষয়িক সুখ-ভোগ, কামনা-বাসনাত লিপ্ত মানুহে প্ৰেয়স পথত আগ

বাঢ়ে। তেওঁলোকে জগতখনকেই সৰ্বেসৰ্বা সত্য বুলি বিশ্বাস কৰি পৰলোকলৈ পিঠি দিয়ে। যাৰফলত, সংসাৰত বাৰে বাৰে জন্ম গ্ৰহণ কৰি নিকাৰ ভুঞ্জিব লগীয়া হয়।

শ্ৰেয়স পথ প্ৰেয়স পথৰ পৰা সম্পূৰ্ণ বেলেগ। শ্ৰেয়স পথ মঙ্গলজনক, পৰম হিতকৰ। বিবেচক, জ্ঞানী-বুদ্ধিমান লোকে প্ৰেয়স পথ পৰিহাৰ কৰি শ্ৰেয়স পথ বাছি লয়। মানুহে দুই ৰকমৰ বিদ্যা শিকে। পৰা বিদ্যা আৰু অপৰা বিদ্যা। বেদ-বেদাঙ্গ আদিৰ পুথিগত বিদ্যা অপৰা বিদ্যা। এই বিদ্যাৰ দ্বাৰা মানুহৰ আত্মজ্ঞান লাভ নহয়। পৰা বিদ্যা অপৰা বিদ্যাতকৈ শ্ৰেষ্ঠ। শ্ৰেয়স পথৰ দ্বাৰা বিদ্যা বা আত্মজ্ঞান লাভ হয়।

আত্মজ্ঞান উপলব্ধি কৰা অতি কঠিন। আত্ম আৰু ব্ৰহ্ম একে। আত্মাৰ ক্ষণভঙ্গুৰ দেহৰ বিনাশ হ'লেও আত্মাৰ বিনাশ নহয়। আত্মাৰ জন্মও নাই, মৃত্যুও নাই। আত্মা অনাদি, অনন্ত। বিদ্যা-বুদ্ধি, তপস্যা নাইবা বেদশাস্ত্ৰাদি অধ্যয়নৰ দ্বাৰা আত্মজ্ঞান লাভ কৰিব নোৱাৰি। অসীম সাধনাৰ দ্বাৰা পাপ মোচন কৰি মন শুদ্ধ-পবিত্ৰ কৰি ল'লেহে আত্মজ্ঞান লাভ কৰিব পাৰি। বিশেষকৈ আত্মৰূপী পৰমপুৰুষ ভগৱানৰ কৃপা কৰুণাতহে ব্ৰহ্মতত্ত্ব উপলব্ধি হয়।

শৰীৰ ৰথ, আত্মা ৰথী, বুদ্ধি সাৰথি, মন লেকাম আৰু ইন্দ্ৰিয়সমূহ ৰথৰ ঘোঁৰা। যিসকলে স্থিৰ বুদ্ধিৰে মনৰূপ লেকাম টানি অৰ্থাৎ মন সংযত কৰি ইন্দ্ৰিয়ৰূপী ঘোঁৰাসমূহক যথেচ্ছ বিচৰণ কৰিবলৈ নিদিয়ে, তেওঁলোকৰ সৰ্বমঙ্গল হয়। তেৱেঁই জ্যোতিৰ্ময় ভগৱান বা আত্মাক উপলব্ধি কৰিবলৈ সমৰ্থ হয়। আত্মা সৰ্বত্ৰতে বিয়পি আছে। আকাশত সূৰ্য্যৰূপে, অন্তৰীক্ষত বায়ুৰূপে আত্মা বিৰাজমান। তেৱেঁই চন্দ্ৰ, তেৱেঁই অগ্নি, তেৱেঁই বৰুণ— তেৱেঁই সকলো। সেইবুলি ইবোৰে আত্মাক প্ৰকাশ নকৰে। আত্মা স্ব-প্ৰকাশ। আত্মাৰ প্ৰকাশতেই সকলোৰে -



প্ৰকাশ— ইয়াৰ জ্যোতিতে অখিল ব্ৰহ্মাণ্ড উদ্ভাসিত হয়।

* * * *

আত্মজ্ঞান সম্পৰ্কে সম্পূৰ্ণ বিৱৰি কৈ যমৰজা মৌন হৈ ৰ'ল। নচিকেতাৰ অন্তৰ-আত্মা জ্যোতিৰ্ময়ৰ উপলব্ধিত পৰিতৃপ্ত আৰু আলোকিত হৈ উঠিল। যমৰজাৰ ঘৰৰ বালক অতিথি নচিকেতাই যমৰজাক নতশিৰে প্ৰণাম জনাই নিজ ঘৰলৈ ঘূৰি গ'ল। মাথোন আঠ বছৰ বয়সতে ব্ৰহ্মজ্ঞান লাভ কৰি নচিকেতাই সত্যৰ জয় ঘোষণা কৰিলে। যমৰ পৰা লাভকৰা আত্মতত্ত্বৰ জ্ঞান মৰতৰ মানৱৰ মাজত বিলাই মানৱক অমৃত-ফলৰ সন্ধান দি নচিকেতাই অমৰত্ব লাভ কৰিলে। ॥ ০০০ ॥

# ধন্য পিতা—ধন্য পুত্ৰ

"বাছা ! খেলা-ধূলা কৰি ঘূৰি ফুৰিলেই জীৱন সাৰ্থক নহ'ব। সময়মতে বিদ্যা-শিক্ষা কৰিব লাগে। তুমি এই বয়সতে পঢ়া-শুনা নকৰিলে, পিছত তাৰ কুফল ভোগ কৰিব লাগিব। আমাৰ বংশত কোনো 'ব্ৰহ্মবন্ধু' নাই। তুমি আমাৰ বংশৰ সন্মান ৰক্ষা কৰিব লাগিব। গতিকে গুৰুৰ ওচৰলৈ গৈ ব্ৰহ্মচৰ্য্য পালন কৰি বিদ্যা-শিক্ষা গ্ৰহণ কৰা।" —এজনা জ্ঞানী-গুণী, সমাজ-সচেতন দেউতাকে বিদ্যা-শিক্ষাৰ প্ৰতি ধাউতি নোহোৱা পুতেকক ভৰ্ছনা কৰি কোৱা কথা।

পুতেক বাৰ বছৰ বয়সত ভৰি দিছে, তথাপি বিদ্যা শিক্ষা কৰিবলৈ মনকাণ নাই। মাথোন খেলা-ধূলা কৰি উমলি-জামলি ফুৰি মূল্যবান সময় অবাবত কটাইছে। পুত্ৰৰ উজ্জ্বল ভবিষ্যত পিতাকে সদায় কামনা কৰে। সেইবাবে সময়মতে বিদ্যা শিক্ষা কৰিবলৈ উপদেশ দিয়ে আৰু তাৰ বাবে সুব্যৱস্থাও কৰি দিয়ে। কিয়নো মুৰ্খ পুত্ৰ থকাতকৈ নথকাই ভাল।

বেদ্ বিদ্, ব্ৰহ্মবিদ ঋষি উদ্দালকৰ পুতেক শ্বেতকেতু। শ্ৰেষ্ঠ-ব্ৰাহ্মণ পণ্ডিতৰ বংশত জন্ম গ্ৰহণ কৰি শ্বেতকেতুৱে বিদ্যা-শিক্ষা, জ্ঞান-চৰ্চা নকৰি মাথোন আনন্দমনে ঘূৰি ফুৰি, খাই-বৈ অমূল্য সময় নষ্ট কৰিছে। মূৰ্খ পুত্ৰ বংশৰ ডাঙৰ কলঙ্ক। পিতাকৰ বিশেষকৈ ভয় হৈছে পুতেক 'ব্ৰহ্মবন্ধু' হয় বুলি। ব্ৰহ্মচৰ্য্য পালন কৰি বেদাদি বিদ্যাৰ শিক্ষা গ্ৰহণ কৰিলেহে প্ৰাচীন কালত ব্ৰাহ্মণ বুলি গণ্য কৰা হৈছিল। ব্ৰাহ্মণৰ বংশত জন্ম গ্ৰহণ কৰি ব্ৰহ্মচৰ্য্য পালন আৰু বেদাদি শাস্ত্ৰ অধ্যয়ন নকৰা লোক ব্ৰাহ্মণৰ সন্মানৰ পৰা বঞ্চিত হয়। তেনে লোক ব্ৰাহ্মণ নহয়; 'ব্ৰহ্মবন্ধু'হে। ব্ৰাহ্মণৰ মৰ্য্যাদা বা যোগ্যতা হেৰোৱাজনে নিজৰ দেউতাক বা আত্মীয়কহে ব্ৰাহ্মণ বুলি ক'ব পাৰে, নিজক ব্ৰাহ্মণ বুলি সমাজত পৰিচয় দিব নোৱাৰে। সেইবাবে তেনে অজ্ঞ বা মূৰ্খ ব্ৰাহ্মণক 'ব্ৰহ্মবন্ধু' বুলি উপহাস কৰা হয়। সেই কাৰণে মহাজ্ঞানী পণ্ডিত উদ্দালকে বংশৰ মৰ্য্যাদা ৰক্ষা কৰি সমাজত নিজকো প্ৰতিষ্ঠা কৰিবলৈ পুতেকক সকিয়াইছে।

পিতাকৰ সকিয়নী অথলে নগ'ল। বংশ মৰ্য্যাদা আৰু নিজৰ মৰ্য্যাদাৰ প্ৰতি শ্বেতকেতু সজাগ হ'ল। দেউতাকৰ ভৰ্ৎসনাক উপদেশ বুলি গণ্য কৰি শ্বেতকেতু গুৰুৰ আশ্ৰমলৈ গ'ল বিদ্যা-শিক্ষা গ্ৰহণ কৰিবলৈ। সেই সময়ত বিদ্বান অধ্যাপক বা জ্ঞানী পণ্ডিতৰ আশ্ৰমত ছাত্ৰক বিদ্যা-শিক্ষা দিয়া নিয়ম আছিল। সেয়া আছিল গুৰু-গৃহৰ পঢ়াশালি বা টোল ( Residential type of Education )। শ্বেতকেতুৱে গুৰুৰ পৰ্ণকুটীৰত থাকি ব্ৰহ্মচৰ্য্য পালন কৰি বেদাদি শাস্ত্ৰ অধ্যয়ন কৰিলে। বাৰ বছৰ কাল গুৰু-গৃহত থাকি বেদ-বেদাঙ্গ পঢ়ি সমাপ্ত কৰি চৌবিশ বছৰ বয়সত শ্বেতকেতু গুৰু-গৃহৰ পৰা বিদায় লৈ নিজ গৃহলৈ ঘূৰি আহিল। এতিয়া শ্বেতকেতু 'ব্ৰহ্মবন্ধু' নহয়, ব্ৰাহ্মণ পণ্ডিতহে।

মাথোন কিতাপ পঢ়া আৰু মুখস্থ কৰা বিদ্যাই প্ৰকৃত জ্ঞান লাভ নকৰায়। বিদ্যা শিক্ষাৰ জৰিয়তে প্ৰকৃত জ্ঞানী হোৱাটোহে আচল কথা। শ্বেতকেতুৱে গুৰু-গৃহত বাৰ বছৰ কাল থাকি বেদাদি শাস্ত্ৰ পঢ়িলে আৰু মুখস্থহে কৰিলে। তাৰ দ্বাৰা শ্বেতকেতু জ্ঞানৰ অধিকাৰী নহ'ল। শ্বেতকেতুৰ কথা-বতৰা, চলন-ফুৰণ সকলো দিশতে মাথোন গৰ্ব, উদ্ধতালি, অশিষ্টতাহে প্ৰকাশ পালে।

পুতেক শ্বেতকেতুৰ অহংকাৰ আৰু উদণ্ড-অবিনীত স্বভাৱ দেখি

উদ্দালক আকৌ মহাচিন্তাত পৰিল। এদিন শ্বেতকেতুক মাতি আনি ক'লে ঃ

"বোপাই ! গুৰু-গৃহত বাৰ বছৰ কটাই বিদ্যা-শিক্ষা লাভ কৰি আহিলা। কিন্তু চোৱা, বিদ্যা-শিক্ষাৰ ফল ধৰা নাই। তুমি অতি অহংকাৰী আৰু অবিনীত হৈ পৰিছা। যাৰ দ্বাৰা অশ্ৰুত বিষয় শুনা যায়, অচিন্তিত বিষয় চিন্তা কৰা হয় আৰু অজ্ঞাত বিষয় জনা যায়, তেনে কোনো উপদেশ তুমি গুৰুৰ পৰা শিকি বুজি অহা নাই নেকি ?"

চৌবিশ বছৰীয়া চঞ্চল ডেকা শ্বেতকেতুৱে আৰু কিবা শিক্ষা বাকী আছে বুলি ভাবিবই পৰা নাছিল। দেউতাকৰ প্ৰশ্ন শুনি নিঃশব্দে ৰ'ল। কিছু সময় চিন্তা কৰি শ্বেতকেতুৱে ক'লে ঃ

"দেউতা ! মই একো বুজিব পৰা নাই। এনে বিষয়ৰ আৰু কিবা আদেশ-উপদেশ আছে নেকি ? মইতো তাত শিকি নাহিলোঁ।"

শ্বেতকেতুৰ অজ্ঞতা দূৰ কৰিবলৈ উদ্দালকে ক'বলৈ ধৰিলে ঃ

"এই পৃথিৱীত মাটিৰ দ্বাৰা তৈয়াৰ কৰা অনেক সামগ্ৰী আছে। যেনে কলহ, ঘট, চৰু ইত্যাদি। ইবোৰ মাথোন বেলেগ বেলেগ গঢ়ত সজা হৈছে। মাটি ভেদে ইবোৰৰ ভিন্ ভিন্ ৰূপ আৰু ভিন্ ভিন্ নাম। মাটিক জানিলেই মাটিৰ সামগ্ৰীবোৰৰ স্বৰূপ বুজিব পাৰি। সেইদৰে যিজনে সোণ ভালদৰে চিনি পায়, তেওঁ সোণৰে তৈয়াৰ কৰা সকলো অলংকাৰ বা সামগ্ৰীকে চিনি পায়। ঠিক তেনেকৈ এক ব্ৰহ্মক জানিলে বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলোকে জনা যায়।"

দেউতাকৰ মহান বাণী শ্বেতকেতুৱে এক মনে, এক ধ্যানে, এক প্ৰাণে শুনিলে। শ্বেতকেতুৰ অহংকাৰ, আত্মাভিমান চূৰ্ণ হ'ল। তেওঁ বুজিলে বেদাদি শাস্ত্ৰ পাঠ কৰা বা মুখস্থ কৰা বিদ্যাৰ দ্বাৰা তেওঁৰ প্ৰকৃত জ্ঞান লাভ হোৱা নাই। সেয়ে দেউতাকক ক'লে ঃ

"দেউতা। গুৰুৱে মোক এনে তত্ত্ব শিকোৱা নাই। সম্ভৱতঃ



তেওঁ এই তত্ত্ব নাজানে। জনাহেঁতেন মোক নিশ্চয় এই বিষয়ে উপদেশ দান কৰিলেহেঁতেন।"

পুতেকে গুৰুৰ বিষয়ে মন্তব্য আগ বঢ়োৱা দেখি উদ্দালকে ক্ৰোধ কৰি ক'লে ঃ

"শ্বেতকেতু ! গুৰুৰ প্ৰতি অৱজ্ঞাৰ ভাব পোষণ কৰিব নাপায়। তেনে ভাব অন্তৰত থাকিলে কোনো তত্ত্ব লাভ কৰিব নোৱাৰি।"

এইবাৰ শ্বেতকেতুৰ মন শুদ্ধ-পৱিত্ৰ হৈ উঠিল। জ্ঞান আৰু তত্ত্ব লাভ কৰিবলৈ তেওঁ অন্তৰত দৃঢ় স্পৃহা পোষণ কৰিলে। অতি বিনীতভাৱে দেউতাকক অনুৰোধ কৰিলে ঃ

"দেউতা ! অনুগ্ৰহ কৰি আপুনিয়েই মোক অশ্ৰুত, অচিন্তিত আৰু অজ্ঞাত বিষয়ে উপদেশ দান কৰি কৃতাৰ্থ কৰক ! মই এই বিষয়ে জ্ঞান লাভ কৰিবই লাগিব।"

পুতেকৰ জ্ঞান লাভৰ প্ৰবল ধাউতি দেখি উদ্দালকে মনত পৰম আনন্দ পালে। তেওঁ সন্তুষ্ট হৈ পুতেক শ্বেতকেতুক জ্ঞান-তত্ত্বৰ উপদেশ দিবলৈ ধৰিলে ঃ

"হে পুত্ৰ, শুনা ! আদিতে একমাত্ৰ পুৰুষ সংৰূপে বৰ্ত্তমান আছিল। তেৱেঁই অদ্বিতীয় পুৰুষ, তেওঁৰ কোনো প্ৰতিদ্বন্দ্বী নাই! কোনো সময়ত তেওঁ বহু হ'বলৈ সংকল্প কৰিলে। তাৰ ফলতে তেওঁৰ আত্মাৰ পৰা অগ্নি, জল, পৃথিৱী, বায়ু, আকাশ, দেৱতা, মানুহ, পশু-পক্ষী, উদ্ভিদ্ আদিৰ সৃষ্টি হ'ল। আনাৰ বাক্য, মন, প্ৰাণ আদিও তেওঁৰ পৰা উদ্ভুত। মুঠতে, আত্মাৰূপে তেওঁ সজীব-নিৰ্জীৱ সকলোৰে মাজত প্ৰৱেশ কৰি ভিন ভিন নাম আৰু ৰূপত প্ৰকাশিত হ'ল। গতিকে বুজা যায়, এক ব্ৰহ্ম বা পুৰুষৰ পৰাই সকলোৰে সৃষ্টি হৈছে আৰু তেওঁক জানিলেই সকলোকে জনা যায়।"

সৃষ্টি-ৰহস্য পুতেকক ব্যাখ্যা কৰাৰ পিছত উদ্দালকে মনৰ তত্ত্ব সম্পৰ্কে পুতেকক ক'বলৈ ধৰিলে ঃ

"গোৱালে যেতিয়া দধি মথে, তেতিয়া দধিৰ সাৰ ননী বা

সূক্ষ্ম অংশ ওপৰত ভাঁহি উঠে। ঠিক সেইদৰে মানুহে যি অন্ন খায়, তাৰ সাৰ ভাগ ওপৰলৈ উঠি মনক পুষ্ট কৰে। সূক্ষ্ম কাৰণ আৰু স্থূল কাৰ্য্য। কাৰণৰ কিছু অংশ স্থূল কাৰ্য্য ৰূপে প্ৰকাশ পায়। আমি খোৱা অন্নৰ সূক্ষ্ম ভাগৰ পৰা মন, জলৰ সূক্ষ্ম ভাগৰ পৰা প্ৰাণ, জুইৰ সূক্ষ্ম ভাগৰ পৰা বাক্ বৃদ্ধি পায়। সেইকাৰণে মনৰ লগত অন্নৰ, প্ৰাণৰ লগত পানীৰ আৰু বাক্যৰ লগত জুই বা অগ্নিৰ সম্বন্ধ সদায় আছে।"

মনৰ তত্ত্ব শ্বেতকেতুৱে ভালদৰে বুজি নোপোৱাত সহজভাৱে পুনৰাই বুজাই দিবলৈ দেউতাকক অনুৰোধ জনালে। উদ্দালকে শ্বেতকেতুক পোন্ধৰ দিন উপবাসে থাকিবলৈ উপদেশ দিলে; প্ৰাণ ৰক্ষাৰ কাৰণে মাথোন পানী খাবলৈ আজ্ঞা দিহিলে।

এদিন—দুদিনকৈ শ্বেতকেতুৱে উপবাসৰ পোন্ধৰ দিন পাৰ কৰিলে। সেই কেইদিন তেওঁ মাথোন পানীহে খালে। সেইবাবে অতিশয় দুৰ্বল হৈ পৰিল। লঘোন-ভোকক শ্বেতকেতুৱে দুখ-কষ্ট বুলি গণ্যই নকৰিলে। তেওঁৰ একমাত্ৰ সাধনা জ্ঞান-তত্ত্ব লাভ কৰা। উপবাসৰ পোন্ধৰ দিন সমাপ্ত কৰি যোল্ল দিনৰ দিনা শ্বেতকেতু উদ্দালকৰ ওচৰত উপস্থিত হ'ল। গুৰু-গৃহত অধ্যয়ন কৰা বেদৰ স্তৱক উদ্দালকে শ্বেতকেতুক মুখস্থ গাবলৈ ক'লে। বেদৰ স্তৱক মনত পেলাবলৈ শ্বেতকেতুৱে পাৰ্য্যমানে চেষ্টা কৰিলে, কিন্তু এটা স্তৱকো মনত নপৰিল। গুৰু-গৃহত শ্বেতকেতুৱে চাৰিখন বেদ মুখস্থ মাতিছিল। কিন্তু কি আচৰিত কথা! আজি তাৰে এটাও আখৰ মনত পৰা নাই! ইয়াতকৈ দুখ আৰু লাজৰ কথা কি থাকিব পাৰে! শ্বেতকেতুৱে মনৰ দুখত তলমূৰকৈ ৰ'ল আৰু তাৰ দেউতাকক নিজৰ দুৰৱস্থাৰ কথা জনালে।

দেউতাক উদ্দালকে পুতেক শ্বেতকেতুক ক'লে :

"বোপা, তুমি দুখ নকৰিবা। এতিয়া তুমি তেনেই দুৰ্বল হৈ পৰিছা। পুষ্টিকৰ আহাৰ খাই আহাঁগৈ।" সেইমতে শ্বেতকেতুৱে পুষ্টিকৰ



আহাৰ খালে। খোৱা-বোৱাৰ পিছত শৰীৰ আৰু মন সবল আৰু সতেজ হ'ল। লগে লগে তেওঁৰ স্মৃতি-শক্তি ঘূৰি আহিল। বেদৰ স্তৱকসমূহ গাবলৈ আৰম্ভ কৰিলে। তেতিয়া উদ্দালকে ক'লে :

"প্ৰকাণ্ড জুই একুৰা নুমাই গৈ যদি জোনাকী প্ৰমাণ হয় বা স্ফুলিঙ্গ মাথোন অৱশেষ থাকে, তাৰ দ্বাৰা কোনো বস্তু দগ্ধ কৰিব নোৱাৰি। কিন্তু তাত যদি শুকান ঘাঁহ-খেৰ, কাঠ দিয়া হয়; তেনেহলে জুই জ্বলি উঠে। মানুহৰ শৰীৰ অভ্যন্তৰস্থ আত্মা যোল্ল-কলাবিশিষ্ট। তুমি পোন্ধৰ দিন উপবাসে থকা বাবে তোমাৰ পোন্ধৰ কলা বা ভাগ লুপ্ত হৈ গৈছে। তুমি পানী খাই থকা বাবে তোমাৰ এক কলা অৰ্থাৎ প্ৰাণশক্তি থাকিল। পোন্ধৰ কলা নষ্ট হৈ যোৱাত তুমি বেদাদি একো স্মৰণ কৰিব নোৱাৰিলা। কিন্তু অন্নাদি আহাৰ কৰি মনৰ অৱশিষ্ট ভাগৰ সেৱা কৰাৰ লগে লগে তোমাৰ লুপ্ত শক্তি বা স্মৃতি ঘূৰি আহিল। ইয়াৰ দ্বাৰা সহজে বুজিব পৰা যায় যে খাদ্যৰ সূক্ষ্ম অংশই মন গঠন কৰে। সেইদৰে পানীৰ সূক্ষ্ম ভাগৰ পৰা প্ৰাণ আৰু জুইৰ সূক্ষ্ম ভাগৰ পৰা বাক্ গঠিত হয়। সেইকাৰণে কোৱা হয় অন্নময় মন, জলময় প্ৰাণ আৰু তেজোময় বাক্য।"

এটা বিষয়ৰ তত্ত্ব জানিবলৈ পোন্ধৰ দিন উপবাস কৰি শৰীৰ আৰু মন দুৰ্বল, ৰুগ্ন কৰি পেলোৱা দৃষ্টান্ত পাবলৈ নাই। শ্বেত-কেতুৰ জ্ঞানলিপ্সা আৰু অধ্যৱসায় প্ৰশংসনীয়। এইবাৰ উদ্দালকে শ্বেতকেতুক ব্ৰহ্মজ্ঞান সমন্ধে উপদেশ দিবলৈ মনস্থ কৰিলে।

আশ্ৰমৰ এজোপা প্ৰকাণ্ড বৰগছ। গছজোপা ডাল-পাত, ফলে-ফুলে জাতিকাৰ হৈ আছে। গছজোপালৈ আঙুলিয়াই উদ্দালকে শ্বেতকেতুক কলে :

"জীৱাত্মা সকলো জীৱনৰ মূল। এই গছজোপাৰ গুৰিত কুঠাৰেৰে এটা ঘাপ মাৰিলে, গছজোপা মৰি নাযায়; কুঠাৰ মৰা ঠাইখিনিৰ পৰা কিছু ৰসহে বাহিৰ হৈ ওলাব। গছৰ প্ৰতি

অণুতে জীৱাত্মা বিৰাজমান। গছৰ জ্ঞান, চৈতন্য আছে; সেই-বাবে ডালে-পাতে, ফলে-ফুলে জাতিকাৰ হৈ আনন্দৰ ৰস পান কৰি সজীৱ হৈ আছে। গছজোপাৰ আৰু এটা ডাল যদি একে-বাৰে কাটি পেলোৱা যায়, তেনেহলে সেই ডালটো শুকাই মৰহি যাব। কিয়নো সম্পূৰ্ণ কাটি পেলোৱাৰ পিছত ডালৰ জীৱাত্মা নাইকিয়া হ'ল। সেইদৰে গোটেই গছজোপা কাটি পেলাই দিলে, গছৰ জীৱাত্মা নিঃশেষ হৈ যাব আৰু গছজোপা শুকাই মৰহি যাব। সেই কাৰণে জীৱনৰ মূল জীৱাত্মা বুলি ক'ব লাগিব। জীৱাত্মাৰ লগত শৰীৰৰ সম্পৰ্ক ছেদ হ'লে শৰীৰ নিৰ্জীৱ বা মৃত হয়। জীৱাত্মা নিজে নিৰ্জীৱ নহয়। জীৱাত্মাই ভিন্ ভিন্ শৰীৰক আশ্ৰয় কৰি থাকে। এই আত্মা সূক্ষ্ম—সূক্ষ্মাতিসূক্ষ্ম। সমগ্ৰ জগতত এই সূক্ষ্ম আত্মা বিৰাজমান।"

দেউতাকে শ্বেতকেতুৰ সংশয় সম্পূৰ্ণ ৰূপে মোচন কৰিবলৈ আৰু চেষ্টা চলালে। এইবাৰ শ্বেতকেতুক বৰ গছৰ ফল এটা আনি-বলৈ আজ্ঞা বিহিলে। শ্বেতকেতুৱে ফলটো আনি পিতাক উদ্দালকক দিলে। ফলটো ভাঙি উদ্দালকে শ্বেতকেতুক সুধিলে:

"ফলটোৰ ভিতৰত কি দেখিছা?"

"সৰু সৰু কিছুমান বীজ দেখিছোঁ।"— বুলি শ্বেতকেতুৱে উত্তৰ দিলে।

এইবাৰ তাৰে সৰু বীজ এটা শ্বেতকেতুক পিহিবলৈ দি উদ্দালকে সুধিলে:

"এইবাৰ কি দেখিছা?"

"একো দেখা নাই। ইয়াৰ মাজত একো নাই।"—ভালদৰে চাই শ্বেতকেতুৱে উত্তৰ দিলে। উদ্দালকে ক'বলৈ ধৰিলে:

"তুমি ইয়াৰ সূক্ষ্মতম্ কণা দেখা পোৱা নাই। ইয়াতো কিছুমান অতি ক্ষুদ্ৰ ক্ষুদ্ৰ কণা লুকাই আছে। এই নেদেখা সূক্ষ্মতম্ কণাৰ মাজতে বিশাল বৰ গছ জোপাৰ প্ৰাণ-শক্তি লুকাই



আছে। এই সূক্ষ্মতম্ বীজ অঙ্কুৰিত হৈ মাটি, পানী আৰু বায়ুৰ সহায়ত প্ৰকাণ্ড গছৰ ৰূপ পায়। বীজৰ লগত থকা সূক্ষ্ম অণু দৃষ্টিৰ অগোচৰ যদিও তাৰ অস্তিত্ব অস্বীকাৰ কৰিব নোৱাৰি। ঠিক তেনেদৰে ব্ৰহ্মৰ মাজত নাম-ৰূপ বিশিষ্ট বিশাল ব্ৰহ্মাণ্ড নিহিত হৈ আছিল। ব্ৰহ্মৰ পৰাই জগতৰ উৎপত্তি। ব্ৰহ্মৰ ৰূপ নাই যদিও জগতৰ সমস্ত বস্তু তেওঁৰ ৰূপতেই ৰূপবান আৰু সকলোতে ব্ৰহ্ম বিৰাজমান। ব্ৰহ্মই সত্য আৰু ব্ৰহ্মই একমাত্ৰ শক্তি। ব্ৰহ্মতত্ত্ব অতি সূক্ষ্ম আৰু ইয়েই আত্মতত্ত্ব। 'তত্ত্বমসি'। অৰ্থাৎ (তৎ-সেই (ব্ৰহ্ম), ত্বম্—তুমি (জীৱ, আত্মা), অসি-হোৱা। তুমিয়েই সেই, তুমিয়েই ব্ৰহ্ম, ব্ৰহ্মই আত্মা, আত্মাই সত্য, আত্মাই ব্ৰহ্ম। ব্ৰহ্ম আৰু জীৱ অভিন্ন।"

ব্ৰহ্মই সত্য, ব্ৰহ্ম সকলোতে আছে, অথচ ব্ৰহ্মক দেখা পোৱা নাযায় কিয়? এই বিষয়ে পুতেকৰ সংশয় জাগিব পাৰে বুলি উদ্দালকে কলে:

"বাছা! কাম এটা কৰা। এটা পানীৰ পাত্ৰত নিমখ পেলাই দি মোৰ ওচৰলৈ আহাঁ।" শ্বেতকেতুৱে তাকে কৰিলে। উদ্দা-লকে শ্বেতকেতুক পানীৰ পৰা নিমখখিনি তুলি আনিবলৈ ক'লে। শ্বেতকেতুৱে নিমখখিনি পানীৰ মাজৰ পৰা বিচাৰি উলিয়াই আনিব নোৱাৰিলে। এইবাৰ পাত্ৰটোৰ ওপৰ, মাজ আৰু শেষ ভাগৰ পানী শ্বেতকেতুক খাবলৈ দি দেউতাকে সুধিলে:

"পানী খাই কেনে লাগিছে?"

"নিমখ নিমখ লাগিছে।"—বুলি শ্বেতকেতুৱে ক'লে। উদ্দালকে শ্বেতকেতুক বুজাই ক'বলৈ ধৰিলে:

"তুমি নিজে পানীৰ পাত্ৰত নিমখ মিহলালা— তথাপি তাত থকা নিমখখিনি নেদেখিলা আৰু বিচাৰিও নাপালা। কিন্তু পানী খাই তুমি নিমখৰ সোৱাদ পালা। নিমখ গলি পানীত বিলীন হৈ যোৱা বাবে পানীৰ পৰা নিমখক পৃথক কৰিব পৰা নগ'ল।

পানীত পেলোৱা নিমখ বিচাৰি পোৱা ন'গল বা দেখা পোৱা নগ'ল বুলি নিমখৰ অস্তিত্ব অস্বীকাৰ কৰিব নোৱাৰি। ঠিক তেনেকৈ ব্ৰহ্মক দেখা পোৱা নাযায় যদিও ব্ৰহ্মাৰ অস্তিত্ব স্বীকাৰ কৰিব লাগিব। জগতৰ প্ৰতিটো বস্তুতে ব্ৰহ্ম অদৃশ্য হৈ থাকে। ব্ৰহ্ম সূক্ষ্মাতিসূক্ষ্ম, কাৰণৰ কাৰণ, ব্ৰহ্মই একমাত্ৰ সত্য, ব্ৰহ্মৰ বাহিৰে জ্ঞান একো সত্য নাই। সেইবাবে কোৱা হয় "তত্ত্বমসি"— অৰ্থাৎ তুমিয়েই সেই ব্ৰহ্ম, ব্ৰহ্মই তুমি। প্ৰকৃত জ্ঞান লাভ কৰিবলৈ সৎগুৰুৰ পৰা উপদেশ লব লাগে। তাৰ উপৰি, গুৰুৰ প্ৰতি শ্ৰদ্ধাবান হৈ একাগ্ৰতা আৰু বিশ্বাসৰ দ্বাৰাহে আত্মজ্ঞান লাভ কৰিব পাৰি।"

বাৰ-বছৰ বয়সলৈ খেলা-ধূলা কৰি বংশৰ কলঙ্ক হ'বলৈ ধৰা, গুৰুগৃহত পুথিগত বিদ্যা শিকি অহংকাৰী, অবিনীত হোৱা পুত্ৰ শ্বেতকেতুক সমাজ-সচেতন, বেদবিদ, মহান ঋষি উদ্দালকে সময়মতে সকিয়নী দি নিজ মৰ্য্যাদাৰ প্ৰতি সজাগ কৰি সুন্দৰ উপদেশ আৰু বুজনিৰ দ্বাৰা অমৰ পথৰ সন্ধান দি পুত্ৰৰ জীৱন ধন্য কৰি তুলিলে।

ধন্য পিতা—ধন্য পুত্ৰ। ॥০॥



# নতুন জীৱন

জ্ঞান-বিদ্যা কেৱল পণ্ডিতৰেই একচেটীয়া সম্পদ নহয়, বল-বিক্ৰম, বুদ্ধি, কুটনীতিৰে ৰাজ্য শাসন কৰা শাসকো জ্ঞান-বিদ্যাৰ অধিকাৰী হ'ব পাৰে। অৱশ্যে, এনে শাসকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰি। এনে শাসকে ন্যায়-বিচাৰ, সাম্যবাদ, প্ৰেম, অহিংসা— শাসনৰ মূলমন্ত্ৰ বুলি গণ্য কৰে, ৰাইজৰ মঙ্গলেই নিজৰ মঙ্গল বুলি ভাবে, প্ৰজাৰ দুখ-দুৰ্গতি চাই নীৰৱে থাকিব নোৱাৰে। গুণী-জ্ঞানী, তাৰ্কিক পণ্ডিতৰ দ্বাৰা ৰাজসভা অলঙ্কৃত কৰি ৰাখে আৰু যোগ্যজনক যথোপযুক্ত আসন দি সন্মান জনায়। ৰাজসভাত পণ্ডিতবৰ্গৰ লগত বেদ, দৰ্শন, ন্যায়াদি শাস্ত্ৰ চৰ্চা কৰি আনন্দ লাভ কৰে। যাৰ ফলত, শাসকৰ মহানুভৱতা, পাণ্ডিত্য আৰু মহাজ্ঞানৰ সুপৰিচয় পোৱা যায়। তেনে শাসকৰ ৰাজত্বত দেশত অভাৱ-অনাটন, অকাল-দুৰ্ভিক্ষ নাথাকে, দুষ্কৃতিকাৰীৰ পতন ঘটে আৰু আৰু সৰ্বসাধাৰণে সুখে-সন্তোষে জীৱন যাপন কৰে।

কিছুমান গৰ্ব-অভিমানী পণ্ডিতে শাসকক আদেশ দাতা, শাস্তি বিহোঁতা, ৰাজনৈতিক বীৰ বুলিহে গণ্য কৰে। শাসকৰ বিদ্যা-বুদ্ধি, জ্ঞান-গৰিমাৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিব নোখোজে। গৰ্ব-অভিমানী পণ্ডিতে শাসকৰ জ্ঞানদাতা গুৰু হ'বলৈ হাবিয়াস কৰে। এনেহলে, পণ্ডিতৰ জ্ঞান-বিদ্যাৰ দূৰত্ব যিমানেই নাথাকক!

বিখ্যাত গৰ্গ-বংশত বালাকিৰ জন্ম। তেওঁৰ দেউতাক বলকা আৰু

আকাশী-পুৰুষসকল বিদ্যা-বুদ্ধি-পাণ্ডিত্যত নাৰজ্বলা আছিল। বালাকিৰো বিদ্যা-বুদ্ধি, জ্ঞান-গৰিমা, পাণ্ডিত্য চাৰিওফালে ফাটি-ফুটি গ'ল। পণ্ডিতৰ বংশত জন্ম গ্ৰহণ কৰা বালাকিয়ে গুৰু-গৃহত বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি উঠি পাণ্ডিত্যৰ অভিমানত অহংকাৰী হৈ উঠিল। বালাকিৰ ধাৰণা তেওঁৰ সমকক্ষ জ্ঞানী পণ্ডিত কোনো নাই। সেয়ে বালাকিয়ে নিজকে 'বিজয়-পণ্ডিত' বুলি ঘোষণা কৰিলে।

অজাতশত্ৰু কাশীৰ ৰজা। ক্ষত্ৰিয় ৰজা অজাতশত্ৰু অসাধাৰণ বীৰ, সুশাসক, পণ্ডিত, বেদবিদ্ আৰু আত্মজ্ঞানী। গপত ওফন্দি ফুৰা পণ্ডিত বালাকিয়ে কাশীৰাজ অজাতশত্ৰুৰ ৰাজসভা তেওঁৰ বিদ্যা আৰু পাণ্ডিত্যৰ খ্যাতি প্ৰকাশ কৰাৰ উপযুক্ত ঠাই বুলি ভাবিলে। সেয়েহে এদিন বালাকি গৈ অজাতশত্ৰুৰ ৰাজসভাত উপস্থিত হ'ল। গৰ্গ-বংশীয় বালাকিক কাশীৰাজে সানন্দে পাদ্য-অৰ্ঘ্য দি যথানিয়মে সন্মান প্ৰদৰ্শন কৰিলে। ক্ষন্তেক পিছতে বালাকিয়ে ৰজাক ক'লে ঃ

"মহাৰাজ! আপোনাক মই ব্ৰহ্মজ্ঞানৰ উপদেশ দিবলৈ ইচ্ছা কৰিছোঁ।"

ৰজা অজাতশত্ৰুৱে গহীন আৰু শান্তভাৱে ক'লে :

"ঋষিকুমাৰ! আজি মোৰ পৰম সৌভাগ্য। আপোনাৰ এই কথাষাৰৰ কাৰণে মই আপোনাক এক হাজাৰ গাই দান স্বৰূপে দিম। চাওকচোন, সকলোৱে শতমুখে জ্ঞানী, দানী, বিদ্যোৎসাহী বুলি কেৱল জনক ৰজাৰহে জয়গুণ গায় আৰু তেওঁৰ ৰাজসভালৈ যায়। এতিয়া দেখুৱাব বিচাৰিছোঁ— কাশীৰাজ অজাতশত্ৰুৱেও জ্ঞান-বিদ্যা চৰ্চাৰ বাবে অৰ্থ-ব্যয় কৰিবলৈ জানে। মোক এনে সোণালী সুযোগ দিয়া বাবে আপোনাৰ ওচৰত কৃতজ্ঞ।"

ব্ৰহ্মজ্ঞানৰ উপদেশ দিম বুলি কোৱা কথাষাৰতে এক হাজাৰ গাই উপহাৰ স্বৰূপে পাব! উপদেশ দিলে যে আৰু কিমান হাজাৰ পাব তাকে ভাবি বালাকিয়ে সপোন-ৰাজ্যত ঘূৰি ফুৰিবলৈ ধৰিলে। তেওঁৰ জীৱনত কেতিয়াবা এনে সৌভাগ্যৰ উদয় হ'ব বুলি ভাবিবই পৰা নাছিল। আৰু অলপ সময়ো পলম কৰা অনুচিত হ'ব বুলি ভাবি তপতে তপতে বালাকিয়ে অজাতশত্ৰুক ব্ৰহ্মজ্ঞানৰ উপদেশ দিবলৈ আৰম্ভ কৰিলে :

"কাশীৰাজ! দশোদিশত জ্যোতি প্ৰকাশ কৰা সূৰ্য্য বা আদিত্য-পুৰুষেই ব্ৰহ্ম। সেই আদিত্য-পুৰুষক ব্ৰহ্ম বুলি আপুনি উপাসনা কৰিব।"

অজাতশত্ৰুৱে সেই মুহূৰ্ত্ততে বালাকিক ক'লে :

"আদিত্য-পুৰুষ ব্ৰহ্ম হ'ব নোৱাৰে। সূৰ্য্যক সকলো প্ৰাণীৰ মস্তক আৰু দীপ্তিমান বুলিহে মই উপাসনা কৰোঁ। তেওঁক উপাসনা কৰোঁতাজনে জ্যোতিষ্মান হয়। ব্ৰহ্মৰ বিষয়ে এয়া আপোনাৰ ভ্ৰান্ত ধাৰণা।" জ্ঞানী-মানী ব্ৰাহ্মণ পণ্ডিতৰ কথাৰ সংশোধনী দিছে ক্ষত্ৰিয় শাসকে। লাজ-অপমানত জৰ্জৰিত হৈ বালাকিয়ে এইবাৰ ক'লে :

"চন্দ্ৰপুৰুষ ব্ৰহ্ম। মই তেওঁকেই ব্ৰহ্মজ্ঞান কৰি উপাসনা কৰোঁ।

"এয়াও আপোনাৰ ভুল ধাৰণা। চন্দ্ৰক মই মহৎ আৰু সোমৰূপে উপাসনা কৰোঁ। যিজনে চন্দ্ৰক জানি "প্ৰাকৃত" আৰু "বিকৃত" যজ্ঞ-অনুষ্ঠান কৰে, তেওঁ কেতিয়াও অভাৱগ্ৰস্ত নহয়; অপ্ৰচুৰ অন্নাদি লাভ কৰি—অমৃতময় হয়।" —বুলি অজাতশত্ৰুৱে বালাকিক জনালে। কথা একেবাৰে বিষম। বালাকি অকল ব্ৰাহ্মণ-বংশজাতেই নহয়, মহাপণ্ডিতো। এনেজনাৰ কথাৰ ওপৰত ক্ষত্ৰিয় হৈ ৰজা অজাতশত্ৰুৱে মাত মাতিছে। ইমান স্পৰ্দ্ধা! এইবাৰ ব্ৰাহ্মণ পণ্ডিত বালাকিয়ে ক'লে ঃ

"বিদ্যুৎ দেৱতাক মই ব্ৰহ্ম বুলি উপাসনা কৰোঁ।"

অজাতশত্ৰু : ইও অনুচিত কথা। মই বিদ্যুতক শক্তিমান বুলি উপাসনা কৰোঁ। বিদ্যুতক শক্তিমান বুলি পূজা কৰোঁতাজন

শক্তিমান হয় আৰু তেওঁৰ বংশত শক্তিমান পুৰুষৰ জন্ম হয়।

বালাকি : আকাশস্থ পুৰুষক মই ব্ৰহ্ম বুলি উপসনা কৰোঁ।

অজাতশত্ৰু : ঋষি-কুমাৰ ! আপোনাৰ জ্ঞানৰ পৰিচয় পালোঁ। আপুনি ব্ৰহ্মৰ কথা একো নাজানে। কিবা নতুন কথা আছে যদি মোক উপদেশ দিয়ক। অকাশস্থ পুৰুষ ব্ৰহ্ম নহয়। তেওঁক উপাসনা কৰিলে পুত্ৰাদি লাভ হয় আৰু সেই বংশ কেতিয়াও বিলোপ নহয়।

বালাকি : বায়ুমধ্যস্থ পুৰুষক মই ব্ৰহ্ম বুলি উপাসনা কৰোঁ।

অজাতশত্ৰু : বায়ুমধ্যস্থ পুৰুষো ব্ৰহ্ম নহয়। বায়ু দেৱতা অজেয়। বায়ুক পূজা কৰিলে জীৱন-যুদ্ধত জয় লাভ কৰিব পাৰি আৰু তেওঁৰ উপাসকক কোনেও অনিষ্ট সাধন কৰিব নোৱাৰে।

অজাতশত্ৰুৱে বুজিলে বালাকিয়ে ব্ৰহ্ম সম্পৰ্কে তেনেই উপৰুৱা ভাৱ কিছুমান লৈ উটি-ভঁাহি ফুৰিছে। নিজৰ জ্ঞান আৰু পাণ্ডিত্যৰ গৰ্বত আনক উপযাচি জ্ঞান দিবলৈ অহাটো হাস্যস্পদ কথা। আত্ম-জ্ঞানৰ উপদেশ দিয়াৰ যোগ্যতা তেওঁৰ থাকিবই নোৱাৰে। সেই-বাবে অজাতশত্ৰুৱে ক'লে :

"বালাকি ! ব্ৰহ্মৰ বিষয়ে নজনাকৈ আনক উপদেশ দিয়াৰ অধিকাৰ কাৰো নাই। আপোনাৰ ব্ৰহ্মজ্ঞান তেনেই ভ্ৰান্ত। সেই-বাবে আপোনাৰ উপাসনা পদ্ধতি সম্পূৰ্ণ ভুল। গতিকে আপুনি মনে মনে থকাই ভাল।"

ইমানৰ পিছতো অহঙ্কাৰী পণ্ডিত বালাকি নীৰৱ নহ'ল। ক্ষত্ৰিয় শাসকৰ ওচৰতনো আত্মাভিমানী ব্ৰাহ্মণ পণ্ডিতে হাৰ মানিবনে ? ৰজাই তেওঁক ব্ৰহ্ম সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ বুলি কোৱা স্বত্বেও নীৰৱে নাথাকিল। বিদ্যা-বুদ্ধি জাহিৰ কৰিবলৈ অগ্নি-অধিষ্ঠাত্ৰী দেৱতা, জলধিষ্ঠাতৃ দেৱতা, দৰ্পণস্থ দেৱতা, শব্দাভ্যন্তৰস্থ দেৱতা, ছায়াভ্যন্তৰস্থ দেৱতাক ব্ৰহ্ম বুলি উপাসনা কৰা কথা অভিমানী বালাকিয়ে ৰজা অজাতশত্ৰুক জনালে। ৰজাই



এইসকলৰ উপাসনা পদ্ধতি আৰু তাৰ ফল সম্পৰ্কে বালাকিক বুজাই দি এইসকলৰ কোনেও যে ব্ৰহ্ম নহয় তাক স্পষ্টভাবে ক'লে।

বালাকিয়ে নিক্ষেপ কৰা সকলো অস্ত্ৰ ব্যৰ্থ হৈ গৈ আছে। তেওঁৰ প্ৰতিটো উপদেশকে ভ্ৰান্ত বুলি ৰজাই সযুক্তিৰে ব্যাখ্যা কৰিছে। তথাপি বালাকিয়ে একেবাৰে শেষ অস্ত্ৰ প্ৰয়োগ কৰি ক'লে :

"মহাৰাজ ! যি পুৰুষ আত্মাত বিৰাজমান তেওঁকেই মই ব্ৰহ্ম বুলি উপাসনা কৰোঁ।"

অজাতশত্ৰুৱে তপৰাই উত্তৰ দিলে :

"ঋষি-কুমাৰ ! আপোনাৰ উপদেশবোৰত কোনো নতুনত্ব নাপালোঁ। আপুনি কোৱা কোনো পুৰুষ বা দেৱতাই ব্ৰহ্ম নহয়। আপোনাৰ জ্ঞানৰ পৰিচয় পালোঁ। আপোনাৰ জ্ঞান তেনেই সীমাবদ্ধ। এইখিনি জ্ঞানেৰে আনক উপদেশ দিয়াৰ পৰা বিৰত থকাই শ্ৰেয়। এই কথা নাভাবিব যে অকল বংশ-গৌৰৱ আৰু পুথিগত বিদ্যাই চৰম জ্ঞান বা ব্ৰহ্মক বুজাৰ একমাত্ৰ কথা। আপোনাৰ আৰু কিবা বক্তব্য আছে যদি ক'ব পাৰে।"

বালাকি এইবাৰ একেবাৰে নিৰস্ত্ৰ হৈ পৰিল। কোনো এটা কথাই তেওঁৰ নৰজিল। আটাইকেইটা উপদেশকে ৰজাই যুক্তিৰে খণ্ডন কৰিছে। তেওঁনো ইয়াৰ পিচত আৰু কি ক'ব ? বালাকিয়ে ভালদৰে বুজিলে, তেওঁৰ জ্ঞান-বিদ্যা-বুদ্ধি-পাণ্ডিত্য সকলো বৃথা। ক্ষত্ৰিয় শাসক অজাতশত্ৰুৰ ওচৰত পণ্ডিত-বংশজাত অভিমানী ব্ৰাহ্মণ ঋষি বালাকিৰ পৰাজয় ঘটিল। তেওঁৰ বিদ্যা-বুদ্ধিৰ অহঙ্কাৰ খৰ্ব হ'ল।

ক্ষত্ৰিয় শাসক অজাতশত্ৰু যে শাস্ত্ৰজ্ঞ, মহাজ্ঞানী, ব্ৰহ্মবিদ্ তাক ব্ৰাহ্মণ পণ্ডিত বালাকিয়ে স্বীকাৰ নকৰি নোৱাৰিলে। গৰ্ব-অভি-মানেৰে মুল সত্যক ঢাকি ৰাখিবলৈ কাৰো সাধ্য নাই। প্ৰকৃত সত্যৰ গুৰুত্ব উপলব্ধি কৰিবলৈ বালাকি বাধ্য হ'ল। বালাকিৰ

অন্তৰৰ পৰা অজ্ঞানতাৰ ক'লামেঘ আঁতৰি গ'ল। প্ৰকৃত সত্য আৰু জ্ঞান লাভৰ কাৰণে তেওঁৰ অন্তৰে হাঁহাকাৰ কৰি উঠিল। নজনা কথা তেওঁ জানিবই লাগিব, শিকিবই লাগিব। লগে লগে তেওঁৰ অন্তৰৰ পৰা উচ্চ-নীচ, ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ ভেদাভেদ আঁতৰি গ'ল। উচ্চ বংশজাত ব্ৰাহ্মণ কুমাৰ বালাকিয়ে প্ৰকৃত সত্যক জানিবলৈ ক্ষত্ৰিয় ৰজা অজাতশত্ৰুৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ আগ বাঢ়ি গ'ল। পূৰ্বৰ গৰ্ব অভিমান ধূলিস্যাত হৈ গ'ল। সেয়ে অতি শান্ত চিত্তেৰে, বিনম্ৰভাৱে বালাকিয়ে ৰজা অজাতশত্ৰুক কাকূতি কৰিলে :

"মহাৰাজ ! বংশ-গৌৰৱ আৰু পাণ্ডিত্যৰ আভিজাত্যত মই মোহান্ধ হৈ পৰিছিলোঁ। আপোনাৰ সুযুক্তি আৰু সমধুৰ বাণীয়ে মোৰ অন্তৰ আলোকিত কৰি তুলিলে। মই আপোনাৰ ওচৰত ব্ৰহ্মবিদ্যা বিষয়ক জ্ঞান লাভ কৰিবলৈ ইচ্ছা কৰিছোঁ। মোক আপোনাৰ শিষ্যৰূপে গ্ৰহণ কৰি ব্ৰহ্মজ্ঞানৰ উপদেশ দান কৰক।"

সকলো ওলট-পালট। যি জনে বংশ-গৌৰৱ আৰু উপৰুৱা পুথিগত বিদ্যাত মোহান্ধ হৈ আনক তত্ত্ব-উপদেশ দিবলৈ আহিছিল, সেইজনাই এতিয়া আনৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। সত্যজ্ঞান লাভ কৰাৰ ক্ষেত্ৰত ই কোনো মান-অপমান বা সন্মান হানিকৰ কথা নহয়। সত্যান্বেষী, সত্যাশ্ৰয়ীৰ কাৰণে ই পৰম আনন্দ আৰু পৰিতৃপ্তিৰহে কথা। মনৰ ভ্ৰান্ত ধাৰণা আঁতৰি যোৱাত বালাকিয়ে নিজৰ অজ্ঞতা স্বীকাৰ কৰিছে। এতিয়া তেওঁৰ অন্তৰত জ্ঞানৰ জ্যোতি বিৰিঙি উঠিছে। সেয়ে ৰজা অজাতশত্ৰু আনন্দিত হ'ল আৰু ব্ৰাহ্মণ কুমাৰ বালাকিক শিষ্যৰূপে গ্ৰহণ কৰি উপদেশ দিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। ঋষি কুমাৰ বালাকিক ওচৰত বহুৱাই ক্ষত্ৰিয় ৰজা অজাতশত্ৰুৱে ব্ৰহ্ম সম্পৰ্কে সহজ সৰল ব্যাখ্যা দাঙি ধৰিলে :

"ব্ৰহ্ম সকলোতে বিদ্যমান। সৃষ্টিৰ সকলোৱেই আত্মাৰ তৃপ্তিতে পৰিতৃপ্ত হয়। ব্ৰহ্ম সকলো জীৱৰেই আত্মা। আত্মাৰ পৰা ইন্দ্ৰিয়, প্ৰাণী, দেৱতা প্ৰভৃতি সকলোৰে উৎপত্তি। কিন্তু আত্মা স্বয়ংমুক্ত। মকৰাই বাহিৰৰ বস্তুৰ ওপৰত নিৰ্ভৰ নকৰি নিজ শৰীৰৰ পৰা জাল বিস্তাৰিত কৰি তাতেই মুক্তভাৱে ঘূৰি ফুৰে। মকৰাই বিস্তাৰ কৰা জাল মকৰাৰ পৰা বেলেগ নহয়। মকৰা নিজেই ইয়াৰ উপাদান আৰু নিমিত্ত কাৰণ। ঠিক তেনেকৈ আত্মাও জগতৰ উপাদান আৰু নিমিত্ত কাৰণ। মকৰাৰ দৰে আত্মায়ো কাৰো ওপৰত নিৰ্ভৰ নকৰাকৈ প্ৰাণ, ইন্দ্ৰিয়, শৰীৰ, পৃথিৱী, চন্দ্ৰ, সূৰ্য্য আন সকলো বস্তু সৃষ্টি কৰে। আত্মাই শৰীৰত প্ৰৱেশ কৰি জীৱৰূপে পৰিগণিত হয় আৰু আকাশাদিৰূপে আখ্যায়িত হয়। আত্মা সৃষ্টিৰ কাৰণ। কোনো প্ৰাণী বা সৃষ্টি আত্মাৰ পৰা বেলেগ নহয়। আত্মা সৃষ্টি, স্থিতি আৰু লয়ৰ কাৰণ। আত্মাই ব্ৰহ্ম—ব্ৰহ্মই আত্মা। আত্মা বা ব্ৰহ্মই সত্যৰো সত্য।"

ৰজা অজাতশত্ৰুৱে ব্ৰহ্মতত্ত্বৰ বিষয়ে যুক্তিপূৰ্ণ ব্যাখ্যা দাঙি ধৰি বালাকিৰ অন্তৰৰ পৰা সকলো সংশয় দূৰ কৰিলে। পুথিগত বিদ্যা আৰু বংশ-গৌৰৱৰ দৰ্প বিনাশ হ'ল। ক্ষত্ৰিয় ৰজাৰ পৰা লাভ কৰা আত্মতত্ত্বৰ জ্ঞানে ব্ৰাহ্মণ-কুমাৰ বালাকিৰ অন্তৰ জ্যোতিৰ্ময় কৰি তুলিলে। ব্ৰহ্মজ্ঞান পাই বালাকিয়ে নতুন জীৱন লাভ কৰি ৰজা অজাতশত্ৰুক প্ৰণাম জনাই নিজৰ আশ্ৰমলৈ ঘূৰি গ'ল। ॥ ০০০ ॥

# সোণ খটোৱা শিঙৰ এহেজাৰ গাই

“সমবেত গুণী-জ্ঞানী, পুণ্যবান পণ্ডিতবৰ্গ ! মহাপুণ্যৰ ফলতহে আপোনালোকৰ দৰ্শন লাভ কৰিব পাৰি। এই পবিত্ৰ দিনত আপোনালোকৰ মহামিলনে মোৰ যজ্ঞভূমি তীৰ্থক্ষেত্ৰত পৰিণত কৰিলে। এয়া মোৰ পৰম সৌভাগ্য। আপোনালোকৰ আগত এহেজাৰ খীৰতী গাই আছে। প্ৰতিজনী গাইৰ শিং সোণৰ মুদ্ৰাৰে বন্ধোৱা হৈছে। সৰ্বশ্ৰেষ্ঠ পণ্ডিত, বেদবিদ্, ব্ৰহ্মজ্ঞানীজনে মোৰ এই গো-সম্পদসমূহ গ্ৰহণ কৰিলে পৰম কৃতাৰ্থ হ'ম। মোৰ এই দান যৎসামান্য বুলি যেন কোনো দায়-দোষ নধৰে— এয়ে কাকূতি।”

অতি লাভজনক প্ৰস্তাৱ ! এহেজাৰ খীৰতী গাই; তাতে আকৌ প্ৰতিজনী গাইৰ শিং সোণেৰে বন্ধোৱা। ইমানখিনি সম্পদ লাভ কৰিবলৈ কাৰ নো মন নাযাব ? কিন্তু মন গ'লেই নহ'ব। যজ্ঞৰ গৰাকীয়ে সৰ্বশ্ৰেষ্ঠ ব্ৰহ্মজ্ঞানী পণ্ডিতজনলৈহে সম্পদসমূহ আগ বঢ়াইছে। শ্ৰেষ্ঠত্বৰ পৰিচয় দিব পাৰিলেহে সোণ খটোৱা শিঙৰ খীৰতী গাই হাজাৰ লাভ কৰিব পাৰিব। জ্ঞাণী-গুনী, পণ্ডিতসকলৰ মাজত সৰ্বশ্ৰেষ্ঠ কোন ? তাৰ প্ৰমাণ কৰিবলৈ এই প্ৰস্তাৱ আগ বঢ়োৱা হৈছে।

প্ৰকৃত জ্ঞান-বিদ্যাৰ মূল্যাংকন কৰিব নোৱাৰি সুবিধা পালেই নিজকে মহাজ্ঞানী, মহাপণ্ডিত বুলি আত্ম-তুষ্টি লাভ কৰাটো মানুহৰ স্বভাৱ। অনেক ক্ষেত্ৰত দেখা যায় কিছুমানে হুবুজিও বুজা, নাজানিও জনাৰ ভাও জুৰি অহংকাৰৰ বৰপীবাৰ পৰা নামিব নোখোজে; আনৰ শ্ৰী-যশ, জ্ঞান-বুদ্ধিৰ ওচৰত সেও মনাটো লাজ-অপমানৰ কথা বুলি ভাবে। সেইবাবেই প্ৰকৃত জ্ঞানী, শ্ৰেষ্ঠ আত্মজ্ঞানী কোন, তাক জানিবলৈ যজ্ঞৰ গৰাকীজনাই উক্ত প্ৰস্তাৱটি আগ বঢ়াইছে। সকলোৰে চকুৰ আগত সোণেৰে বন্ধোৱা শিঙৰ সুন্দৰ চেহেৰাৰ এহেজাৰ গাই; কিন্তু শ্ৰেষ্ঠত্বৰ পৰিচয় দিব পাৰিলেহে তাক দক্ষিণা ৰূপে লাভ কৰিব পাৰিব।

প্ৰস্তাৱকজন হ'ল এজন শাসক; নাম ৰাজৰ্ষি জনক— মিথিলাধিপতি। ৰজা জনক শক্তি-সামৰথত অপৰাজেয়; বিদ্যা-বুদ্ধি-জ্ঞানত অদ্বিতীয়। ক্ষত্ৰিয় শাসক যদিও বেদবিদ্, ব্ৰহ্মবিদ্। নানা ঠাইৰ পৰা বিদ্যা-শিক্ষাৰ্থী, জ্ঞান-পিপাসু লোক আহি ৰাজৰ্ষি জনকৰ পৰা শিক্ষা আৰু উপদেশ গ্ৰহণ কৰে। জ্ঞানী-মানী পণ্ডিতৰ সমাবেশত তেওঁৰ ৰাজসভা জিলিকি থাকে। ৰজা জনকৰ গুণ-গৰিমা সকলোৰে মুখে মুখে। অপৰিসীম জ্ঞান আৰু প্ৰচুৰ ধন-সম্পদৰ অধিকাৰী সৰ্বশ্ৰেষ্ঠ ৰাজ্য-শাসক জনকে আয়োজন কৰা যজ্ঞটোৰ নাম 'বহু-দক্ষিণা' যজ্ঞ। এই যজ্ঞত অপৰ্যাপ্ত পৰিমাণৰ দক্ষিণা দিয়া হয়। সেয়ে বিভিন্ন ৰাজ্যৰ ঋষি, মুনি, বেদজ্ঞ ব্ৰাহ্মণ পণ্ডিত এই যজ্ঞলৈ আহিল। সমবেত বিজ্ঞ পণ্ডিত-মণ্ডলীৰ মাজত সকলোতকৈ শ্ৰেষ্ঠ ব্ৰহ্মজ্ঞানী কোন— তাক নিৰ্ণয় কৰিবলৈ জনক ৰজাই সুযোগ পালে। তেওঁৰ উদ্দেশ্য ফলৱতী কৰিবলৈ সভক্তিৰে এহেজাৰ সোণৰ শিং খটোৱা গাই সকলোতকৈ শ্ৰেষ্ঠজনলৈ আগ বঢ়ালে।

* * * *

জনকে লাভজনক আৰু লোভনীয় প্ৰস্তাৱটি ঘোষণা কৰাৰ লগে লগে সকলো অবাক হ'ল। কিছু সময় সভা নিস্তব্ধ হ'ল। ইমানবোৰ জ্ঞানী-পণ্ডিত, ঋষি-মুনিৰ মাজৰ পৰা কোনো এজনেও অমূল্যসম্পদ গ্ৰহণ কৰিবলৈ সাহস গোটাব পৰা নাই। নিজকে জ্ঞানী-মানী, ব্ৰাহ্মণ-পণ্ডিত, বেদবিদ্, আত্মজ্ঞানী বুলি গৰ্ব-অভিমানত

ফিতাহি মাৰি ফুৰা সকলৰ দুৰ্দশাৰ সীমা নোহোৱা হ'ল। অনেকে লাজ-অপমানত মুৰ তুলিব নোৱাৰি ইচাট-বিচাট কৰিবলৈ ধৰিলে।

কিছু সময়ৰ পিছত যজ্ঞথলীৰ নিস্তব্ধতা ভঙ্গ কৰিলে এজন বৃদ্ধ ঋষিয়ে। এই ঋষিজনৰ নাম যাজ্ঞবল্ক্য। শিষ্য-প্ৰশিষ্য লৈ তেওঁ জনকৰ যজ্ঞলৈ আহিছিল। যাজ্ঞবল্ক্যই থিয় হৈ তেওঁৰ শিষ্য সামশ্ৰৱক ক'লে;

"সামশ্ৰৱ! এই সোণৰ শিঙযুক্ত খীৰতী গাই হাজাৰ মোৰ আশ্ৰমলৈ লৈ যোৱা। মই ৰজাৰ দান গ্ৰহণ কৰিছোঁ।"

যাজ্ঞবল্ক্যই গো-সম্পদ নিবলৈ আজ্ঞা বিহাৰ লগে লগে যজ্ঞথলীৰ ঋষি-মুনিবিলাকৰ চকু মেল খালে। ঈৰ্ষা-হিংসাত সকলোৱে চকু পুৰিবলৈ ধৰিলে। যাজ্ঞবল্ক্যনো তেওঁলোকতকৈ কোন বিষয়ত শ্ৰেষ্ঠ? তেওঁলোকে যদি ব্ৰহ্মক নাজানে যাজ্ঞবল্ক্যইনো কেনেকৈ জানিব? তেওঁলোক বহি থাকোঁতে ইমানবোৰ গো-সুবৰ্ণ যাজ্ঞবল্ক্যই হেলাৰঙে লৈ যাব! যাজ্ঞবল্ক্যৰ এনে স্পৰ্ধা উপস্থিত ঋষি-মুনিবিলাকে কেনেকৈ সহ্য কৰে! উপস্থিত সভ্য-মণ্ডলীৰ অন্তৰত খং আৰু হিংসাৰ জুই জ্বলি উঠিল, শক্তি থকা হ'লে যেন যাজ্ঞবল্ক্যক পুৰি ছাইহে কৰি পেলালেহেতেঁন। বিক্ষুব্ধ হৈ নানা জনে ঠাট্টা-বিদ্ৰূপৰ সুৰত চিঞৰি চিঞৰি ক'বলৈ ধৰিলে:

"যাজ্ঞবল্ক্য! তোমাৰ ইমান সাহসনে? নিজকে বেদবিদ, ব্ৰহ্মবিদ্ বুলি ক'বলৈ লাজ পোৱা নাইনে? তোমাক ইমান সহজে গো-সুবৰ্ণ নিবলৈ দিয়া নহ'ব। প্ৰশ্ন সুধি তোমাৰ ব্ৰহ্মজ্ঞানৰ পৰীক্ষা কৰা হ'ব। ব্ৰহ্মৰ বিষয়ে যথাযথ উত্তৰ দিব পাৰিলেহে পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিবা।"

উত্তেজিত ঋষি-মুনিবিলাক বিদ্ৰূপ-বাক্য শুনি যাজ্ঞবল্ক্য বিচলিত নহ'ল। তেওঁ ব্ৰহ্মজ্ঞানৰ বিষয়ক যি কোনো প্ৰশ্নৰে উত্তৰ দিবলৈ সাজু হ'ল।

ৰাজৰ্ষি জনকৰ ৰাজ-পুৰোহিত জনৰ নাম অশ্বল। অশ্বল



দাম্ভিক, অহঙ্কাৰী। ব্ৰহ্মজ্ঞানী বুলি তেওঁৰ আত্মাভিমান আছে। ৰজাই আগ বঢ়োৱা অমূল্য দান-সম্পদ তেওঁ দাবী কৰি লব বুলি আশা পাঙি আছিল। কিন্তু যাজ্ঞবল্ক্যই চিলাৰ দৰে উৰি আহি থাপ মাৰি অমূল্য সম্পদসমূহ অশ্বলৰ চকুৰ আগৰ পৰা লৈ গ'ল। যাজ্ঞবল্ক্যই অশ্বলৰ আশাত চেঁচাপানী ঢালিলে। কোনো-পধ্যে ক্ৰোধ সম্বৰণ কৰিব নোৱাৰি অশ্বলে যাজ্ঞবল্ক্যক ধিক্কাৰ দি ক'লে:

"যাজ্ঞবল্ক্য,! আপোনাৰ ইমান স্পৰ্ধানে? নিজকে ব্ৰহ্মবিদ্ বুলি বৰাই কৰিবলৈ অলপো লাজ পোৱা নাইনে?"

জ্বলা জুইত ঘিউ ঢালি দিবলৈ ইচ্ছা নকৰি অতি বিনীত আৰু মধুৰ ভাষণেৰে যাজ্ঞবল্ক্যই ক'লে:

"ব্ৰহ্মবিদৰ চৰণত মোৰ কোটি কোটি প্ৰণাম নিবেদন কৰিলোঁ। খীৰতী গাই আৰু স্বৰ্ণমুদ্ৰাবোৰ মোৰ আৱশ্যক। সেইবাবে ইবোৰ লৈ যাবলৈ আদেশ দিছোঁ।"

যাজ্ঞবল্ক্যৰ বিনয়ী ব্যৱহাৰ আৰু মধুৰ ভাষণত আন আন ঋষি-মুনিবিলাক কিছু শান্ত হ'ল যদিও ৰাজ-পুৰোহিত অশ্বল অশান্ত আৰু ক্ষুব্ধ হৈ উঠিল। অশ্বলে যাগ-যজ্ঞ বিষয়ক কেবাটাও প্ৰশ্ন উত্থাপন কৰিলে। যাজ্ঞবল্ক্যৰ অপৰিসীম জ্ঞান তথা আত্মজ্ঞানৰ পৰিচয় ফুটি উঠিল। তথাপি, অনেকজনে ইমান সহজতে অমূল্য সম্পদ আনৰ হাতত এৰি দিবলৈ ইচ্ছা নকৰিলে। সেইবাবে যাজ্ঞবল্ক্যক জব্দ কৰিবলৈ বিভিন্ন প্ৰশ্ন ঠিক কৰি ল'লে।

° ° ° °

প্ৰশ্ন-বাণ আৰম্ভ হ'ল। প্ৰথমতে আগ বাঢ়ি গ'ল ঋষি আৰ্তভাগ।

আৰ্তভাগ: গ্ৰহ আৰু অতিগ্ৰহ কেইটা আৰু কি কি?

যাজ্ঞবল্ক্য: গ্ৰহ আঠোটা আৰু অতিগ্ৰহও আঠোটা। আঠোটা গ্ৰহ হ'ল—প্ৰাণ, বাক্, জিভা, চকু, কাণ, মন, হাত আৰু চৰ্ম। অতিগ্ৰহ আঠোটা হ'ল— অপান, নাম, স্বাদ, বৰ্ণ, শব্দ, বাসনা,

কৰ্ম আৰু স্পৰ্শ। অতিগ্ৰহই গ্ৰহক নিয়ন্ত্ৰণ কৰে, গ্ৰহ অতিগ্ৰহৰ ওপৰত নিৰ্ভৰশীল।

আৰ্তভাগ : সকলো মৃত্যুৰ অধীন। এনে কোনো আছেনে যিয়ে মৃত্যুক অন্নৰূপে ভক্ষণ কৰে, মৃত্যুৰ মৃত্যু ঘটাব পাৰে ?

যাজ্ঞবল্ক্য : অগ্নিয়েই মৃত্যু ; অগ্নি জলৰ অগ্নিবিশেৰ। অগ্নি জ্বলি উঠিলে পানীয়ে তাক নিৰ্বাপিত কৰে। গতিকে বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো বস্তুৰে মৃত্যু হয়। একমাত্ৰ ব্ৰহ্মৰ মৃত্যু নাই। ব্ৰহ্মজ্ঞানেই মুক্তি।

আৰ্তভাগ : ব্ৰহ্মজ্ঞানেই মৃত্যু হ'লে ইন্দ্ৰিয়াদি ক'লৈ যায় ?

যাজ্ঞবল্ক্য : সকলো আত্মাত বিলীন হয়। আত্মাই একমাত্ৰ আশ্ৰয়। মৃত্যুত শৰীৰ ফুলি উঠে, বায়ু পূৰ্ণ হয় আৰু নিশ্চেষ্ট হৈ পৰি থাকে। দেহৰ মৃত্যু হয়, কিন্তু আত্মাৰ মৃত্যু নহয়। আত্মা চিৰমুক্ত।

আৰ্তভাগ : পুৰুষ মৰিলে কোন বস্তুৱে ত্যাগ নকৰে ?

যাজ্ঞবল্ক্য : নামে ত্যাগ নকৰে। পুৰুষৰ মৃত্যু হ'লেও নাম থাকি যায়।

আৰ্তভাগৰ সকলো প্ৰশ্নৰ উত্তৰ দি যাজ্ঞবল্ক্যই জয় লাভ কৰিলে। ইয়াৰ পিছত ভুজ্যু, উষস্ত, কহোল প্ৰভৃতিয়ে নানা বিষয়ক প্ৰশ্ন উত্থাপন কৰিলে। যাজ্ঞবল্ক্যই সকলো প্ৰশ্নৰে যথাযথ উত্তৰ দি সকলোকে নিৰ্বাক কৰিলে।

কিছু সময় ধৰি তৰ্কযুদ্ধ স্তব্ধ হ'ল। কাৰো সাৰস্তুৰ নাই। যজ্ঞথলী নিমাত-নিতাল। কিন্তু অলপ পিছত চাঞ্চল্যৰ সৃষ্টি হ'ল। এগৰাকী মহিলা থিয় হ'ল যাজ্ঞবল্ক্যৰ লগত তৰ্ক কৰিবলৈ। অতীতৰে পৰা ভাৰতীয় নাৰীয়ে যোগ্যতা অনুসৰি সামাজিক, ধাৰ্মিক ক্ষেত্ৰত পুৰুষৰ সম-মৰ্য্যাদা পাই আহিছে। হিন্দু ধৰ্ম অতি উদাৰ। যি কোনো ধৰ্মমূলক অনুষ্ঠানত পুৰুষৰ লগত নাৰীয়েও যোগ দান কৰি আহিছে। সেইবাবে ৰাজৰ্ষি জনকে শিক্ষিতা বিদূষী নাৰী গাৰ্গীক যজ্ঞলৈ আমন্ত্ৰণ জনাইছিল। গাৰ্গী বচক্নু ঋষিৰ জীয়াৰী। 'বাচক্নবী' বুলিও জনাজাত। বেদবিদ্যা নিপুণা, পবিত্ৰমনা, তৰ্ক-পটিয়সী গাৰ্গী থিয় হোৱাৰ লগে লগে যজ্ঞথলীত হুলস্থূল লাগি পৰিল। গাৰ্গী তৰ্ক কৰিবলৈ উদ্যত হোৱা দেখি ঈৰ্ষা-হিংসাত জ্বলি-পুৰি থকা ঋষি-মুনিবিলাকে মনত উৎসাহ আৰু আনন্দ পালে। গাৰ্গী-যাজ্ঞবল্ক্যৰ প্ৰশ্নোত্তৰ তথা বিতৰ্ক আৰম্ভ হ'ল।

গাৰ্গী : মহামান্য যাজ্ঞবল্ক্য ! কওঁকচোন পৃথিৱী জলত নিহিত বা ওতপ্ৰোত ; কিন্তু জল কিহত ওতপ্ৰোত ?

যাজ্ঞ : জল বায়ুত ওতপ্ৰোত।

গাৰ্গী : বায়ু ক'ত ওতপ্ৰোত ?

যাজ্ঞ : বায়ু অন্তৰীক্ষলোকত ওতপ্ৰোত।

গাৰ্গী : অন্তৰীক্ষলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : অন্তৰীক্ষলোক গন্ধৰ্বলোকত ওতপ্ৰোত।

গাৰ্গী : তেনেহ'লে কওঁকচোন—গন্ধৰ্বলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : আদিত্যলোকত।

গাৰ্গী : আদিত্যলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : চন্দ্ৰলোকত।

গাৰ্গী : চন্দ্ৰলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : চন্দ্ৰলোক নক্ষত্ৰলোকত ওতপ্ৰোত।

গাৰ্গী : নক্ষত্ৰলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : নক্ষত্ৰলোক দেৱলোকত ওতপ্ৰোত।

গাৰ্গী : দেৱলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : ইন্দ্ৰলোকত।

গাৰ্গী : ইন্দ্ৰলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : প্ৰজাপতিলোকত।

গাৰ্গী : প্ৰজাপতিলোক ক'ত ওতপ্ৰোত ?

যাজ্ঞ : গাৰ্গী ! প্ৰজাপতিলোক ব্ৰহ্মলোকত ওতপ্ৰোত।

গাৰ্গী : ব্ৰহ্মলোক ক'ত ওতপ্ৰোত ?

গাৰ্গীৰ বুদ্ধিৰ তীক্ষ্ণতা দেখি যাজ্ঞবল্ক্য কিছু সময় চিন্তামগ্ন হ'ল। গাৰ্গীৰ প্ৰশ্নই বেদাদি শাস্ত্ৰৰ সীমা অতিক্ৰম কৰাত যজ্ঞবল্ক্য অলপ উত্তেজিত হ'ল আৰু ক'লে :

"গাৰ্গী ! সাৱধান হওঁক ! আপুনি শাস্ত্ৰৰ সীমা অতিক্ৰম কৰিছে। অতি প্ৰশ্ন নকৰিব আৰু অধিক আগ বাঢ়িলে আপোনাৰ মূৰ ডিঙিৰ পৰা খহি পৰিব।"

যাজ্ঞবল্ক্যৰ অগ্নিময় বাক্য শুনি গাৰ্গীৰ মনত শঙ্কা জন্মিল। স্থূলৰ পৰা সূক্ষ্ম, সূক্ষ্মৰ পৰা সূক্ষ্মতৰ আলোচনা প্ৰসঙ্গত যে বেদাদি শাস্ত্ৰৰ সীমা অতিক্ৰম কৰি গৈছে গাৰ্গীয়ে তাক বুজি পালে। কিয়নো, তেওঁ জানে ব্ৰহ্মৰ ওপৰত কোনো নাই। ব্ৰহ্ম সৰ্বশক্তিমান, সৰ্ব্ব-অন্তৰ্য্যামী, সৰ্বকৰ্ত্তা। গতিকে ব্ৰহ্মক অতিক্ৰম কৰা প্ৰশ্ন অপ্ৰাসঙ্গিক। গাৰ্গীয়ে আৰু আগ নাবাঢ়ি মৌনতা অৱলম্বন কৰিলে।

এইবাৰ খণ্ডত অগ্নিশৰ্মা যেন হৈ যাজ্ঞবল্ক্যৰ ওচৰ চাপি আহিল— অৰুণ ঋষিৰ পুত্ৰ উদ্দালক। উদ্দালকে প্ৰশ্ন আৰম্ভ কৰিলে :

"যজ্ঞবল্ক্য, শুনক ! ছাত্ৰাৱস্থাত মই কিছুদিন মদ্ৰ দেশৰ পতঞ্জল ঋষিৰ আশ্ৰমত আছিলোঁ। পতঞ্জল ঋষিৰ ভাৰ্য্যা গন্ধৰ্ব বিশিষ্টা হৈছিল। সেই গন্ধৰ্বৰ নাম আছিল কবন্ধ। মই সেই গন্ধৰ্বৰ পৰা সকলো ভূত, ইহকাল, পৰকাল যি সূত্ৰত গাথা আৰু সকলো প্ৰাণীৰ অন্তৰত থাকি যিয়ে সকলোকে নিয়ন্ত্ৰণ কৰে—সেই অন্তৰ্য্যামী পুৰুষৰ বিষয়ে জানিছোঁ। যাজ্ঞবল্ক্য ! সেই সূত্ৰ আৰু অন্তৰ্য্যামী পুৰুষৰ বিষয়ে কি জানে তাক মোৰ আগত কওক। এই তত্ত্ব বুজাব পাৰিলে আপোনাক বেদবিদ্, ব্ৰহ্মবিদ্ বুলি মানি ল'ম। অন্যথা এই গো-সম্পদসমূহ অন্যায় ভাৱে গ্ৰহণ কৰা অপৰাধত আপোনাৰ মূৰ খহি মাটিত পৰিব।

যাজ্ঞবল্ক্য : "উদ্দালক ! মই সেই সূত্ৰ আৰু অন্তৰ্য্যামী পুৰুষক



জানো।"

"জানো, জানো— কেৱল জানো"—বুলি গৰ্ব বচন মাতি থাকিলেই নহয়। কি জানে নকয় কিয় ?"—বুলি উদ্দালকে ক্ৰোধত জিকাৰ খাই উঠিল। যাজ্ঞবল্ক্যই জানে ক্ৰোধক অক্ৰোধেৰে জয় কৰিব লাগে। অতি নম্ৰ আৰু শান্তভাৱে যাজ্ঞবল্ক্যই ক'বলৈ ধৰিলে :

"উদ্দালক ! বায়ুৱে সেই সূত্ৰ। ইহকাল, পৰকাল আৰু সকলো ভূত বা প্ৰাণী বায়ুৰূপ সূত্ৰৰ দ্বাৰা গ্ৰথিত হৈ আছে। বায়ু কৰ্ম-ফল আৰু সংস্কাৰৰ আশ্ৰয়। পঞ্চভূত, পঞ্চকৰ্মেন্দ্ৰিয়, পঞ্চ-জ্ঞানেন্দ্ৰিয়, প্ৰাণ, অন্তঃকৰণ, বিশিষ্ট লিঙ্গ শৰীৰৰ উপাদান বায়ু। উনপঞ্চাশ বায়ু তাৰ বহিঃপ্ৰকাশ। মৃতব্যক্তি সম্পৰ্কে কোৱা হয়— ইয়াৰ অৱয়ব শিথিল হৈ গৈছে। ইয়াৰ কাৰণ হৈছে বায়ুৰূপ সূত্ৰৰ দ্বাৰা সকলো সংগ্ৰথিত।"

যাজ্ঞবল্ক্যৰ যুক্তিপূৰ্ণ আৰু অখণ্ডনীয় উত্তৰ শুনি উদ্দালকৰ অস্থিৰতা আৰু উত্তেজনা হ্ৰাস পালে। এইবাৰ শান্তভাৱে উদ্দালকে অন্তৰ্য্যামী পুৰুষৰ বিষয়ে কবলৈ অনুৰোধ জনোৱাত যাজ্ঞবল্ক্যই ক'লে :

"যিজনা এই পৃথিবীৰ অভ্যন্তৰত থাকে, পৃথিৱীয়ে যাক নাজানে অথচ পৃথিবী যাৰ শৰীৰ আৰু যিয়ে অন্তৰৱৰ্তীৰূপে থাকি পৃথিবী নিয়ন্ত্ৰণ কৰে— সেইজনাই অন্তৰ্য্যামী পুৰুষ। অন্তৰ্য্যামী পুৰুষ জল, অগ্নি, অন্তৰীক্ষ, বায়ু, দ্যুলোক, চন্দ্ৰ, সূৰ্য্য, আকাশ, নক্ষত্ৰ, অন্ধকাৰ, পোহৰ আৰু সকলো প্ৰাণীৰ অন্তৰত থাকে। এই সকলো অন্তৰ্য্যামী পুৰুষৰ শৰীৰ যদিও ইবোৰে তেওঁক চিনি নাপায়, অথচ সকলোৰে অভ্যন্তৰত থাকি তেওঁ সকলোকে নিয়ন্ত্ৰণ কৰে। সকলো ভূতৰ অন্তৰত তেওঁ আছে, অথচ সৰ্বভূতে তেওঁক নাজানে। তেওঁ সকলো প্ৰাণীৰে শৰীৰ, সকলোকে নিয়ন্ত্ৰণ কৰে আৰু সকলোৰে অন্তৰত থাকে। তেওঁ আত্মা, তেওঁ অন্তৰ্য্যামী।

অন্তৰ্য্যামী পুৰুষ দ্ৰষ্টা, শ্ৰোতা, চিন্তাকাৰী আৰু বিজ্ঞাতা। তেওঁ সকলোকে দেখে, সকলো শুনে, সকলো চিন্তা কৰে আৰু

সকলো জানে। তেওঁ অনন্ত, অসীম। তেৱেঁই আত্মা, অমৃত। তেওঁৰ বাহিৰে জগতৰ সকলো বিনাশী। তেওঁ অবিনাশী।

এনে সুন্দৰ ব্যাখ্যা শুনি বেদাবিদ্, ব্ৰহ্মবিদ্ যাজ্ঞবল্ক্যৰ আগত আৰু বাক্যৰ অপচয় নকৰি উদ্দালকে লাজ পাই নীৰৱ হৈ ৰ'ল।

o • • • •

মুণ্ডপাতৰ ওচৰত মহিয়সী গাৰ্গীৰ মুখ বন্ধ হৈ আছিল যদিও তেওঁৰ অন্তৰৰ পৰা জিদ তাৰ আঁতৰি যোৱা নাছিল। গাৰ্গীয়ে মুখৰ আগত প্ৰশ্নলৈ যাজ্ঞবল্ক্যক সুধিবলৈ উচপিচাই আছিল। আন-পিনে প্ৰশ্নৰ সীমা অতিক্ৰম কৰাৰ কাৰণে মুণ্ডপাতৰ ভয়তো আক্ৰান্ত। সেই কাৰণে গাৰ্গীয়ে যাজ্ঞবল্ক্যক প্ৰত্যক্ষভাৱে প্ৰশ্ন সুধিবলৈ শলঠেকত পৰি আছিল। প্ৰশ্ন উত্থাপন কৰাৰ উপায় ভাৱি-চিন্তি গাৰ্গীয়ে সমজুৱা ঋষি-মুনিসকলক সম্বোধন কৰি ক'লে :

"পূজনীয় ব্ৰাহ্মণ পণ্ডিতসকল! আপোনালোকৰ অনুমতি পালে মই যাজ্ঞবল্ক্যক আৰু দুটা প্ৰশ্ন সুধিবলৈ মানস কৰিছোঁ। যদি এই দুটা প্ৰশ্নৰ যথোচিত উত্তৰ দিব পাৰে তেনেহ'লে বুজিব যাজ্ঞবল্ক্য বিজয়-পণ্ডিত, তেওঁ শ্ৰেষ্ঠ ব্ৰহ্মবিদ্, বেদবিদ্। ব্ৰহ্ম-বিষয়ক কথাত তেওঁক কোনেও পৰাজয় কৰিব নোৱাৰে। তেওঁ অপৰাজেয়।"

যাজ্ঞবল্ক্যক কিজানি নিৰুত্তৰ কৰিব পৰা যায়, তেনে এটা ক্ষীণ আশা পোষণ কৰি সমবেত ঋষি-মুনিবিলাকে প্ৰশ্ন দুটা উত্থাপন কৰিবলৈ গাৰ্গীক অনুমতি প্ৰদান কৰিলে।

বিদূষী, মহিয়সী গাৰ্গীৰ মুখ-মণ্ডলত উজ্জ্বল জ্যোতি বিৰিঙি উঠিল। গাৰ্গী অসীম ধৈৰ্য্যশীলা, অপূৰ্ব শক্তিমতী আৰু বাক্-পটিয়সী। প্ৰখ্যাত বেদবিদ্, তাৰ্কিক ঋষি-মুনিসকলে তৰ্কত যাজ্ঞবল্ক্যৰ লগত তিষ্ঠিব নোৱাৰি লাজে-অপমানে নিৰ্বাক হৈ ৰ'ল, অথচ এগৰাকী নাৰীয়ে সেও নামানি আকৌ প্ৰশ্ন সুধিবলৈ থিয় হ'ল।

বহু দূৰ উত্তেজনা কমাই গাৰ্গীয়ে মৃদু ভাষাত যজ্ঞবল্ক্যক ক'লে :



"যাজ্ঞবল্ক্য! কাশীদেশীয় বীৰপুত্ৰ বা বিদেহৰাজ জনকে যেনেকৈ দুপাত শৰ জুৰি শত্ৰুৰ ওচৰত উপস্থিত হয়, মযো ঠিক তেনেকৈ দুটা প্ৰশ্ন লৈ আপোনাৰ ওচৰত উপস্থিত হৈছোঁ। আপোনাৰ পৰা প্ৰশ্ন দুটাৰ যথাযথ উত্তৰ আশা কৰিলোঁ। মোৰ প্ৰথম প্ৰশ্ন হ'ল— যি দ্যুলোকৰ ওপৰত, অথচ পৃথিবীলোকৰ তলত; যি দ্যুলোক-ভূলোকৰ মাজত; যি অতীত, বৰ্ত্তমান আৰু ভবিষ্যত সি ক'ত ওতপ্ৰোত?"

তেনেই কম কথাত পোনপটীয়াকৈ যাজ্ঞবল্ক্যই উত্তৰ দিলে :

"গাৰ্গী! এই সকলো আকাশত ওতপ্ৰোত। 'আ' মানে সৰ্বতোভাৱে সকলো ঠাইত, 'কা' মানে প্ৰকাশ পোৱা; যি সৰ্বতোভাৱে সকলো ঠাইতে প্ৰকাশ পায়, সিয়েই আকাশ।"

এনে এটা দৃঢ় প্ৰশ্নৰ উত্তৰ ইমান সহজতে দিব পাৰিব বুলি গাৰ্গীয়ে ভাবিব পৰা নাছিল। গাৰ্গীৰ উত্তেজনা বিনাশ হ'ল, যাজ্ঞবল্ক্যৰ প্ৰতি শ্ৰদ্ধাৰে প্ৰণাম জনাই দ্বিতীয় প্ৰশ্ন উত্থাপন কৰিলে :

"বাৰু কওকচোন, আকাশ ক'ত ওতপ্ৰোত?"

বয়োবৃদ্ধ, জ্ঞানোবৃদ্ধ, ব্ৰহ্মজ্ঞ যাজ্ঞবল্ক্যই গাৰ্গীৰ শেষ প্ৰশ্নৰ উত্তৰ দিবলৈ ধৰিলে :

"গাৰ্গী! এয়াই অক্ষৰ পুৰুষ। ব্ৰহ্মজ্ঞসকলে এই অক্ষৰ পুৰুষৰ ক্ষয় নাই বুলি কয়। অক্ষৰ ব্ৰহ্ম স্থূলও নহয়, সূক্ষ্মও নহয়; হ্ৰস্বও নহয়, দীৰ্ঘও নহয়; বায়ু, আকাশ, ৰস, গন্ধ, চকু, মন, প্ৰাণ একোৱে নহয়। এই অক্ষৰক কোনেও ভোগ কৰিব নোৱাৰে; নিজেও কাকো ভোগ নকৰে। ইয়াৰ প্ৰকাশ কৰিবলৈ কোনো বিশেষণ নাই। চন্দ্ৰ-সূৰ্য্যাদি এই অক্ষৰৰ শাসনত নিয়মিতভাৱে চলি আছে। নিমেষ, মুহূৰ্ত্ত, দিন, ৰাতি, পক্ষ, মাহ, ঋতু, বছৰ আদিও এই অক্ষৰে নিয়ন্ত্ৰণ কৰে। এই অক্ষৰ মানুহ, পশু-পক্ষী আৰু সকলো জীৱ-জন্তুৰ বিধায়ক। এই অক্ষৰৰ প্ৰশাসনতে পূৰ্ব-বাহিনী, পশ্চিম বাহিনী আৰু অন্যান্য নদীবিলাক নিৰ্দিষ্ট দিশত প্ৰবাহিত হৈ আছে।

এই অক্ষৰক নাজানি হাজাৰ বছৰ হোম-যজ্ঞ, তপস্যাদি কৰিলেও বিনাশী হয়। এই অক্ষৰক নাজানি ইহলোক ত্যাগ কৰোঁতাজন দুখী আৰু যিয়ে জানে তেওঁ সুখী ব্ৰাহ্মণ। এই অক্ষৰক কোনেও নেদেখে ; অথচ তেওঁ সকলোকে দেখে। কোনেও তেওঁৰ কথা শুনিবলৈ নাপায়, তেওঁ সকলো শুনে। কোনেও নাজানিলেও তেওঁ সকলোকে জানে। তেৱেঁই একমাত্ৰ দ্ৰষ্টা, শ্ৰোতা, বিজ্ঞাতা। এই অক্ষৰ পুৰুষেই আকাশত ওতপ্ৰোত হৈ আছে। তেওঁ নিৰাকাৰ, অথচ সকলো আকাৰ ধাৰণ কৰি ইন্দ্ৰিয়ৰ মাজত অৱস্থান কৰি থাকে।”

বিদূষী গাৰ্গীয়ে যাজ্ঞবল্ক্যৰ জ্ঞান-গৰ্ভ কথা শুনি শান্ত আৰু অবাক হ'ল। যাজ্ঞবল্ক্যক মহাপণ্ডিত, বেদবিদ্, ব্ৰহ্মবিদ্ বুলি স্বীকাৰ কৰি সভক্তিৰে প্ৰণাম জনালে। লগতে তেওঁ সমবেত পণ্ডিতবৰ্গৰ আগত দৃঢ়স্বৰে ঘোষণা কৰিলে :

“শ্ৰদ্ধাভাজন জ্ঞানী-মানী পণ্ডিতবৰ্গ ! এই কথা নিশ্চিত যে কোনেও ব্ৰহ্মবাদত মহামানী, মহাজ্ঞানী, যাজ্ঞবল্ক্যক তৰ্কত পৰাস্ত কৰিব নোৱাৰিব। যাজ্ঞবল্ক্য অদ্বিতীয় পণ্ডিত, তাৰ্কিক, মহাবিজ্ঞ, বেদজ্ঞ আৰু ব্ৰহ্মবিদ্। এতিয়া আপোনালোকে তেখেতৰ ওচৰত কৰা অপৰাধৰ বাবে ক্ষমা-ভিক্ষা কৰি ধন্য আৰু কৃতাৰ্থ হওঁক ! লগতে ব্ৰহ্মবিদ্ যাজ্ঞবল্ক্যক প্ৰণাম-শ্ৰদ্ধা নিবেদন কৰি বেদাদি শাস্ত্ৰ আৰু ব্ৰহ্মবিদ্যাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰক !”

গাৰ্গীৰ ঘোষণাৰ পিছতো দুই এজনে এহেজাৰ খীৰতী গাই, দুহেজাৰ সোণৰ শিঙৰ লোভ সামৰিব নোৱাৰিলে। যাজ্ঞবল্ক্যৰ জয় লাভৰ স্বীকৃতি দিবলৈ ইচ্ছা নকৰি শাকল্য নামৰ এজনা পণ্ডিত ঋষি যাজ্ঞবল্ক্যৰ সন্মুখত থিয় হ'ল। বুকু ডাঠ কৰি লৈ শাকল্যই দেৱতা, ইন্দ্ৰিয়, পুৰুষ সম্পৰ্কে নানা প্ৰশ্নৰ অৱতাৰণা কৰি যাজ্ঞবল্ক্যক পৰাস্ত কৰিবলৈ চেষ্টা চলালে। কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। তাৰ উপৰি, যাজ্ঞবল্ক্যই শাকল্যক উপনিষৎ পুৰুষ অৰ্থাৎ ব্ৰহ্মৰ বিষয়ে প্ৰশ্ন কৰিলে। লগতে সেই প্ৰশ্নৰ উত্তৰ দিব



নোৱাৰিলে মূৰ খহি পৰিব বুলি অভিশাপ দিলে। প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি শাকল্য নীৰৱ হৈ ৰ'ল। লগে লগে মূৰ খহি মাটিত পৰিল।

এনে কাণ্ড দেখি সকলো ব্ৰাহ্মণ-পণ্ডিতবৰ্গ ত্ৰস্তমান হৈ কঁপিবলৈ ধৰিলে। কোনেও আৰু প্ৰশ্ন কৰিবলৈ যাজ্ঞবল্ক্যৰ আগত থিয় হ'বলৈ সাহস নকৰিলে। যাজ্ঞবল্ক্যই পণ্ডিতসকলৰ আগত সাতোটা প্ৰশ্ন উত্থাপন কৰিলে ; কিন্তু সকলো নিৰুত্তৰ হৈ ৰ'ল।

গাৰ্গীয়ে যজ্ঞ-সভাত যি সিদ্ধান্ত ঘোষণা কৰিলে, সেই সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি পৰিগণিত হ'ল। যাজ্ঞবল্ক্য সৰ্বশ্ৰেষ্ঠ বেদবিদ্ এই কথা ৰাজৰ্ষি জনকে নিজেও বুজিলে আৰু সকলো ৰাজ্যৰ দাম্ভিক, গৰ্বী, ঋষি-মুনি পণ্ডিত-মণ্ডলীকো বুজাই দিলে। মহাপণ্ডিত, তাৰ্কিক, ব্ৰহ্মিষ্ঠ যাজ্ঞবল্ক্যই সোণৰ শিংযুক্ত এহেজাৰ খীৰতী গাই লাভ কৰিলে।

মহৰ্ষি জনকৰ যজ্ঞৰ সাৰ্থকতা প্ৰতিপন্ন হ'ল। ০ ০ ০

# নৱ-আলোক

যুদ্ধ—কেৱল যুদ্ধ। ভয়ানক যুদ্ধ। অবিৰাম গতিত চলা এই যুদ্ধৰ যেন শেষ নাই। যুদ্ধ বহুত দিন জুৰি চলি আছে। তথাপি জয়-পৰাজয়ৰ কোনো মীমাংসা নাই। দুয়োটা শক্তি অতি প্ৰবল। এই মুহূৰ্ত্তত এটা শক্তিয়ে জয় হৈছেহি মাথোন, পিছ মুহূৰ্ত্ততে আকৌ প্ৰচণ্ড পৰাক্ৰমেৰে যুঁজ দি বিপক্ষ শক্তিয়ে জয় লাভ কৰে। কিন্তু আকৌ সেই একে কথা। জয়—পৰাজয়; পৰাজয়—জয়। বহু দিন যুঁজ চলাৰ পিছত এটা শক্তিৰ জয় সুনিশ্চিত হ'ল। দুষ্কৃতিকাৰী অসুৰ শক্তিক সৃষ্টিকামী দেৱ-শক্তিয়ে পৰাজয় কৰিলে। দুষ্কৃতিকাৰী যিমানেই. শক্তিশালী নহওক— তাৰ পতন অনিবাৰ্য্য।

বিজয়ীসকলৰ হিয়া আনন্দত নাচি উঠিল, বুকু গৌৰৱত ওফন্দি উঠিল। বিজয়ী শক্তিৰ দেৱতাসকলে দৃঢ়তাৰে ভাবিলে: তেওঁলোকতকৈ ক্ষমতাশালী আৰু শ্ৰেষ্ঠ শক্তিৰ আন কোনো নাই। ভাবিবৰ কথাই। প্ৰচণ্ড শক্তিৰ অত্যাচাৰী অসুৰক পৰাজয় কৰাটো সহজসাধ্য কথা নহয়। তাতে সেই সময়ত মৰ্ত্ত্যৰ মানৱ শক্তি তেনেই দুৰ্বল। পৰাক্ৰমী অসুৰক পৰাজয় কৰা দেৱ-শক্তিক মৰ্ত্ত্যবাসীয়ে সৰ্বশ্ৰেষ্ঠ শক্তি বুলি ভাবিবলৈ বাধ্য হ'ল। মানৱ ৰজা আৰু ঋষি-মুনিসকলে দেৱতাসকলৰ কৃপানুগ্ৰহতেই যেন মৰ্ত্ত্যত সুখে-সন্তোষে খাই-বৈ জীয়াই আছে। মানৱ ঋষি-মুনিয়ে সোমৰস তৈয়াৰ কৰি দেৱতাসকললৈ আগ বঢ়ায়। দেৱ-সমাজে তাক খাই পৰম তৃপ্তি লাভ কৰে। অসুৰ-বিজয়ী দেৱতাসকলে মানৱৰ ওপৰত আধিপত্য বিস্তাৰ কৰি সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ বুলি আনন্দত উত্ৰাৱল আৰু আত্মহাৰা হৈ পৰিল। জয় লাভৰ গুৰিত আন কোনো শক্তিৰ কৃপা বৰ্ষণ হোৱা কথা দেৱ-সমাজে উপলব্ধি কৰিব পৰা নাই। অৱশ্যে সেই কথা উপলব্ধি কৰাৰ উপায়ো নাছিল। কিয়নো, সৃষ্টিৰ মূলশক্তি তথা ব্ৰহ্মৰ অপাৰ শক্তি-মহিমাৰ কথা তেতিয়ালৈ বেকত হোৱাই নাছিল।

অসুৰ আৰু দেৱতা। এই দুটা শক্তিৰ অসুৰ-শক্তি ধ্বংসকামী, দুষ্কৃতিকাৰী। অত্যাচাৰ, উৎপীড়ন সিহঁতৰ মুখ্য কাম, ন্যায়-অন্যায়, পাপ-পুণ্য, ধৰ্ম-অধৰ্ম, ভাল-বেয়াৰ বিচাৰ-বিবেচনাৰ স্থান অন্তৰত তিলমানো নাই। মানুহৰতো কথাই নাই, দেৱ-সমাজো অসুৰ শক্তিৰ ভয়ত থৰহৰি কম্পমান হৈ থাকে। কেবাবাৰো দেৱতাসকলক পৰাজয় কৰি অসুৰে স্বৰ্গৰাজ্য দখল কৰি অবৰ্ণনীয় অত্যাচাৰ-উৎপীড়ন কৰিছিল। সত্য-চেতনা, সৃষ্টিৰ স্ৰষ্টা পৰমপুৰুষলৈ অসুৰৰ ভ্ৰূক্ষেপ নাই।

আনফালে, দেৱতাসকল সৃষ্টিকামী। তেওঁলোকে সৃষ্টি ৰক্ষা কৰে; ন্যায়-অন্যায়, পাপ-পুণ্যৰ বিচাৰ কৰিব জানে। সৃষ্টিকৰ্তা ভগৱানে সদায় সৃষ্টি ৰক্ষা হোৱাটোহে বিচাৰে। সেইবাবে যদিও দেৱতাসকলে তেওঁক নাজানে, তেওঁ সৃষ্টিকামী দেৱতাসকলক কৃপা-দৃষ্টিৰে চায়। এনে কৃপা-দৃষ্টিৰ বাবেই দেৱতাসকলে জয় লাভ কৰিলে।

কিন্তু এই কথা নাজানি দেৱতাসকলে নিজৰ অপাৰ মহিমা আৰু অপৰিসীম শক্তিকেই জয় লাভৰ একমাত্ৰ কাৰণ বুলি ঠিৰাং কৰিলে। দেৱ-শক্তি সৰ্বশ্ৰেষ্ঠ বুলি ভাবি আত্মহাৰা হ'ল। বিজয়-গৌৰৱ আৰু আনন্দত দেৱতাসকলে এক বিৰাট মহোৎসৱৰ আয়োজন কৰিলে।

দেৱতাসকলৰ এই আত্ম-অভিমান পৰমব্ৰহ্মই বুজি পালে। তেওঁৰ সৃষ্টিৰ শাসন, পালন, ৰক্ষণা-বেক্ষনা কৰে দেৱতাসকলে। সেইবাবে দেৱতাসকল তেওঁৰ প্ৰিয়; তেওঁৰ কৃপাৰ পাত্ৰ। কিন্তু দেৱতাসকলে তেওঁক নাজানি বা নুবুজি মিছা গৰ্বত আত্মহাৰা হৈ

পৰিছে। দেৱতাসকলে আয়োজন কৰা বিজয় মহোৎসৱত ভগবানে তেওঁৰ প্ৰিয় দেৱতাসকলৰ অজ্ঞানতা আৰু অহঙ্কাৰ দূৰ কৰিবলৈ ইচ্ছা কৰিলে।

* * * *

শুভদিনৰ শুভক্ষণত দেৱতাসকলৰ মহোৎসৱ আৰম্ভ হ'ল। অগ্নি, বৰুণ, বায়ু প্ৰভৃতি দেৱতাসকল উৎসৱলৈ আহিল। যথাসময়ত দেৱৰাজ ইন্দ্ৰও সগৌৰৱে আহি উপস্থিত হ'ল। উৎসৱৰ সকলো আয়োজন সম্পূৰ্ণ হ'ল। সকলো দেৱতা আনন্দত অধীৰ হৈ উঠিল। কিন্তু অতি আচৰিত কথা! এক অদ্ভুত ঘটনা ঘটিল। হঠাৎ নিৰাকাৰ ভগবানৰ এক তেজোময় জ্যোতি চাৰিওফালে উদ্ভাসিত হৈ উঠিল। এনে আচৰিত অপূৰ্ব জ্যোতি দেৱতাসকলে কেতিয়াও দেখা নাই। সেয়েহে অবাক আৰু বিস্মিত হৈ ইজনে সিজনৰ পিনে চোৱা-চুই কৰিবলৈ ধৰিলে। দেৱতাসকল সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ বুলি গৌৰৱত বুকু ফিন্দাই থাকে। কিন্তু এয়া কি জ্যোতি তাক নাজানি মহা সমস্যাৰ সন্মুখীন হ'ল। অজ্ঞাত জ্যোতিৰ অজ্ঞেয় শক্তি বা পুৰুষক জানিবলৈ দেৱতাসকলৰ প্ৰবল আগ্ৰহ জন্মিল।

দেৱ-সমাজে নানা কথা গুণা-গথা কৰি এটা সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰি অগ্নি দেৱতাক নিৰ্বাচন কৰিলে— অজ্ঞাত জ্যোতিৰ বিষয়ে জানি বুজি আহিবলৈ। অগ্নি দেৱতাৰ ফিতাহি হৈছে। চায় কোনে! ইমানবোৰ দেৱতাৰ মাজৰ পৰা প্ৰতিনিধি নিৰ্বাচিত কম গৌৰৱৰ কথা হোৱা নাই। গঙ্গাটোপ যেন হৈ অগ্নি গৈ অজ্ঞাত পুৰুষৰ ওচৰত উপস্থিত হ'ল। অগ্নিক দেখা পোৱাৰ লগে লগে অজ্ঞাত জ্যোতিয়ে সুধিলে :

"তুমি কোন?"

প্ৰশ্ন শুনি অগ্নি ভয়ত বিহ্বল হৈ পৰিল। তথাপি বুকু ডাঠ কৰি নিজৰ পৰিচয় দিলে :

"মোৰ নাম অগ্নি দেৱতা। জগতত জন্ম পোৱা সকলো বস্তুৱে মই পৰিচয় জানো। সেইবাবে মোক 'জাতবেদা'ও বোলে।"

'বাৰু, তোমাৰ পৰিচয় পালোঁ। পিছে তোমাৰ কাম কি তাক কোৱাচোন।"— অজ্ঞাত জ্যোতিয়ে সুধিলে।

"জগতৰ সকলো বস্তুকে মই পুৰি ছাই কৰি পেলাওঁ।" —অগ্নিয়ে দাম্ভিকতাৰ সুৰত উত্তৰ দিলে।

এডাল সামান্য তৃণ (ঘাঁহ) অগ্নিক দেখুৱাই অজ্ঞাত পুৰুষে ক'লে :

"অগ্নি, এতিয়া তোমাৰ শক্তিৰ পৰীক্ষা কৰি চোৱা যাওক! তুমি এই তৃণডাল (ঘাঁহ) পুৰি ছাই কৰি পেলোৱা।"

যি অগ্নিয়ে বিৰাট বিৰাট ঘৰ-দুৱাৰ, গছ-গছনি, হাবি-বননি নিমিষতে পুৰি ছাই কৰি পেলাব পাৰে, সেই অগ্নিৰ আগত সামান্য তৃণডালনো কি! তেনে সামান্য কামৰ দায়িত্ব দিয়াত অগ্নিৰ হাঁহি উঠিল। সি যি নহওঁক অগ্নিয়ে সামান্য তৃণডালকে পুৰিবলৈ উঠি-পৰি লাগিল। কিন্তু আচৰিত কথা! সমগ্ৰ শক্তি প্ৰয়োগ কৰিও অগ্নিয়ে তৃণডাল পুৰিব নোৱাৰিলে। যি তৃণ সেই তৃণ হৈয়েই থাকিল।

তৃণ পুৰিব নোৱাৰি অগ্নিয়ে লাজ-অপমানত তলমূৰকৈ ৰ'ল। সকলো গৌৰৱ ম্লান পৰিল। বিফল মনোৰথ হৈ লাহে ধীৰে অগ্নি তাৰ পৰা আঁতৰি গ'ল।

অগ্নি ব্যৰ্থ হৈ ঘূৰি অহাত দেৱতাসকল ঘোৰ চিন্তাত পৰিল। নানা কথা চিন্তা কৰি এইবাৰ বায়ু দেৱতাক সেই শক্তিৰ পৰিচয় জানি আহিবলৈ দেৱসমাজে অনুৰোধ জনালে। বায়ুক পায় কোনে? লগে লগে প্ৰবল বেগে বায়ু গৈ অজ্ঞাত জ্যোতিৰ ওচৰ পালে। বায়ুক দেখি জ্যোতিয়ে সুধিলে :

"তুমি কোন?"

"মোৰ নাম বায়ু। মই মাতৰিশ্বা নামে জনাজাত। আকাশত মোৰ অবাধ বিচৰণ।" —অবিনীতভাৱে বায়ুৱে উত্তৰ দিলে।

"বাৰু, কোৱাচোন তোমাৰ কাম কি ?"—অজ্ঞাত পুৰুষে সুধিলে।

"মই বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলোকে হেলাৰঙে উৰাই নিব পাৰোঁ।" —বায়ুৱে বুকু ফিন্দাই উত্তৰ দিলে।

"এতিয়া তোমাৰ শক্তিৰ পৰীক্ষা কৰি চোৱা য'ক। এই সামান্য তৃণডালকে তুমি উৰাই নিয়া।"—তৃণডাল বায়ুৰ আগত থৈ অজ্ঞাত জ্যোতিয়ে ক'লে। তেনে সামান্য কামৰ কথা শুনি বায়ুৰ হাঁহি হাঁহি মাটিত পৰি মৰিবৰহে মন গ'ল। প্ৰচণ্ড শক্তিৰ বায়ুৱে প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ-অট্টালিকা, গছ-বিৰিখ নিমিষতে উৰাই লৈ যায়। সামান্য তৃণডালনো বায়ুৰ আগত কি ?

প্ৰচণ্ড শক্তিৰ বায়ুৱে বতাহ আৰম্ভ কৰি দিলে। কিন্তু কি হ'ব ! সকলো শক্তি অথলে গ'ল। তৃণডাল অকণো নললিল ; প্ৰকাণ্ড শিলৰ দৰে অলৰ-অচৰ হৈ ৰ'ল।

ডাংকোপ মাৰি কথা কোৱা বায়ুৰ মাত নাইকিয়া হ'ল। লাজত ৰঙা-চিঙা পৰিল। তলৰ মূৰ ওপৰলৈ তুলিব নোৱাৰি সেমেনা-সেমেনিকৈ তাৰ পৰা ঘূৰি গৈ দেৱতাসকলক নিজৰ ব্যৰ্থতাৰ কথা জনালে।

অগ্নি আৰু বায়ুৰ দৰে শক্তিশালী দেৱতা অজ্ঞাত পুৰুষৰ আগত পৰাজিত হোৱাত দেৱতাসকল বিস্মিত হ'ল। ভয় আৰু শংকাত দেৱতাসকল কঁপি উঠিল। জয়োল্লাসৰ শুভ-মহোৎসৱ ম্লান পৰিল। তেওঁলোকৰ গৰ্ব-অভিমান চূৰ্ণ হ'ল। অজ্ঞাত পুৰুষে সকলো আশাত চেঁচপানী ঢালিলে।

দেৱতাসকলৰ ৰজা ইন্দ্ৰ। শেষবাৰৰ বাবে দেৱৰাজ ইন্দ্ৰই সেই অজ্ঞাত শক্তিৰ পৰিচয় লবলৈ আগ বাঢ়ি গ'ল। কিন্তু ইন্দ্ৰৰ চকুত চমক লগাই সেই অজ্ঞাত জ্যোতি অদৃশ্য হৈ পৰিল। প্ৰবল পৰাক্ৰমী অসুৰ শক্তিক পৰাজয় কৰি ইন্দ্ৰই ভাবিছিল দেৱ-শক্তি সকলোতকৈ শ্ৰেষ্ঠ। তেওঁ দেৱতাসকলৰ ৰজা দেবেন্দ্ৰ। গতিকে তেওঁতকৈ মহাশক্তিশালী পুৰুষ কোনো নাই। যিজনাৰ



অস্ত্ৰ বজ্ৰ, অগ্নি আৰু বায়ু যাৰ দুই হাত, বতাহতকৈ বেগবান যাৰ ৰথ, ঐৰাৱত যাৰ বাহন, ঋষি-ৰজা-দেৱতা আদিয়ে যাক সৰ্বশ্ৰেষ্ঠ জ্ঞান কৰে—সেইজনাই ইন্দ্ৰ। কিন্তু সেই ইন্দ্ৰৰ চকুৰ আগত কি ঘটিল ? কেতিয়াবা তেওঁৰ আগত এনে আচৰিত ঘটনা ঘটিব বুলি ইন্দ্ৰই ভুলতো ভবা নাছিল।

অজ্ঞাত জ্যোতি চকুৰ আগৰ পৰা অদৃশ্য হোৱাৰ লগে লগে ইন্দ্ৰৰ মনৰ পৰা দম্ভ-অহংকাৰ নাইকিয়া হ'ল। তেওঁ ভীতি-বিহ্বল আৰু অভিভূত হৈ পৰিল। তাৰ পৰা এখোজো লৰচৰ নকৰাকৈ সেই পৰম শক্তিক জানিবলৈ একান্তভাৱে চিন্তা কৰিলে। ইন্দ্ৰৰ অন্তৰৰ পৰা অহংভাৱ সম্পূৰ্ণ ৰূপে আঁতৰিল।

হঠাৎ এক বিজুলীৰ আলোক উদ্ভাসিত হ'ল। ইন্দ্ৰই নিৰ্বাক হৈ আকাশৰ পিনে চালে। তেওঁ চকুৰ আগত দেখিলে এক পৰমা সুন্দৰী অপৰূপা ৰমণী মূৰ্ত্তি। দিব্যবস্ত্ৰ পৰিহিতা, স্বৰ্ণালঙ্কাৰ ভূষিতা ৰমণীৰ অপূৰ্ব জ্যোতিয়ে চাৰিওফাল আলোকিত কৰি তুলিলে। ৰমণী মূৰ্ত্তি অতি মোহনীয়, অতি কমনীয়—সৌন্দৰ্য্যৰ আকৰ। ইন্দ্ৰৰ সংশয় মনৰ পৰা আঁতৰিল আৰু বিমল আনন্দত অভিভূত হ'ল। শুদ্ধ-পবিত্ৰ অন্তৰেৰে ইন্দ্ৰই কৰুণাময়ী বিশ্বমাতাৰ শৰণাগত হৈ বিনীত-ভাৱে সুধিলে :

"হে বিশ্বমাতা ! দেৱ-সমাজক দেখা দি হঠাতে অদৃশ্য হোৱা অপূৰ্ব জ্যোতিৰ পুৰুষ কোন ?"

"সেয়া পৰমপুৰুষ ব্ৰহ্ম। সেই ব্ৰহ্মৰ কৃপাতেই দেৱ-সমাজ মহিমাময় হ'বলৈ পাইছা। তোমালোকে সেই পুৰুষক নাজানি মিছা দৰ্প-অভিমান কৰিছা। অসুৰ-শক্তিক তোমালোকে পৰাজয় কৰিছা সেই অপূৰ্ব জ্যোতিৰ পুৰুষ ব্ৰহ্মৰ সহায় আৰু কৃপাতহে।" —বুলি মৃদু ভাষাত ইন্দ্ৰক কৈ বিশ্বমাতা অদৃশ্য হ'ল।

দেৱৰাজ ইন্দ্ৰ আনন্দ ৰসত ডুব গ'ল। প্ৰকৃত জ্ঞান আৰু সত্যৰ আলোক তেওঁৰ অন্তৰত বিৰিঙি উঠিল। তেওঁ স্পষ্ট

অনুভৱ কৰিলে একমাত্র ব্রহ্মই সত্য, সৃষ্টি-স্থিতি-লয়ৰ কাৰণ। জগতৰ সৰু-বৰ, উচ্চ-নীচ সকলোতে তেওঁ বিৰাজমান। তেওঁ আত্মা, পৰমাত্মা। প্রকাশমান সকলো বস্তুরেই তেওঁৰ স্ফুলিঙ্গ মাত্র। চন্দ্র-সূর্য্য-বায়ু-অগ্নিৰ পৰা পশু-পক্ষী, তৃণ-তৰুলৈকে সকলো ব্রহ্মৰ প্রকাশহে। তেওঁ সর্বব্যাপী। ব্রহ্মই নজনা কথা একো নাই। তেওঁ অন্তর্য্যামী। ব্রহ্ম সত্য-স্বৰূপ। সত্যৰ দ্বাৰাহে ব্রহ্মক লাভ কৰিব পাৰি।

পৰম সত্য উপলব্ধি কৰি ইন্দ্রই দেৱ-সমাজৰ আগত পৰম ব্রহ্মৰ স্বৰূপ বর্ণনা কৰিলে। ইন্দ্র এতিয়া আৰু সৃষ্টিৰ সর্বশক্তিমান, সর্বশ্রেষ্ঠপুৰুষ নহয়। তেওঁৰ অজ্ঞতা আঁতৰিল। সত্য ব্রহ্মৰ স্বৰূপ উপলব্ধি কৰি ইন্দ্রই প্রকৃত দেৱত্বৰ আসনত সুপ্রতিষ্ঠিত হ'ল। পোনপ্রথমে ব্রহ্মক জনা বাবে দেৱতাসকলৰ মাজত ইন্দ্রই সর্বশ্রেষ্ঠ স্থান লাভ কৰিলে। পৰমপুৰুষৰ জ্যোতিৰ সাক্ষাৎ পোৱা অগ্নি আৰু বায়ুৱে ইন্দ্রৰ পিছতে দেৱ-সমাজত শ্রেষ্ঠ স্থান পাইছে।

পৰমব্রহ্মৰ চৰণত শতেক বাৰ প্রণাম জনাই দেৱতাসকলে বিজয়োৎসৱ মহাসমাৰোহেৰে সমাপন কৰিলে। ০০০



## জ্ঞানোদয়

বিদ্যা-বুদ্ধি, পাণ্ডিত্যৰ বৰাই কৰি ফুৰিলেই মানুহৰ প্রকৃত জ্ঞান বা পাণ্ডিত্যৰ পৰিচয় প্রকাশ নাপায়। আত্মাভিমানীজন পণ্ডিতৰ বংশতেই জন্ম গ্রহণ কৰক বা পুথিগত বিদ্যা-শিক্ষাৰেই পৰিপুষ্ট হওক— তেওঁ কেতিয়াও প্রকৃত জ্ঞানী-পণ্ডিত হোৱাৰ যোগ্য নহয়। জ্ঞানীজনৰ অন্তৰ সদায় পবিত্র, তেওঁৰ অন্তৰত অহঙ্কাৰ-অভিমান নাথাকে। পুথিগত বিদ্যা আৰু পণ্ডিতৰ বংশক লৈ প্রকৃত জ্ঞানী-পণ্ডিতে ফিতাহি মাৰি নুফুৰে।

শ্বেতকেতু পণ্ডিত-বংশজাত ব্রাহ্মণ-পুত্র। তেওঁৰ দেউতাক ঋষি গৌতম। জ্ঞানী-মানী-বিদ্বান পণ্ডিত গৌতমৰ নাম চাৰিওফালে জনাজাত। পুতেক শ্বেতকেতুৱে এনেজনা দেউতাকৰ ওচৰত বিদ্যা-শিক্ষা গ্রহণ কৰাৰ সুবিধা পালে। উপযুক্ত পিতাৰ উপযুক্ত পুত্র বুলি শ্বেতকেতুৱে গৌৰৱবোধ কৰিলে। শ্বেতকেতুৰ ধাৰণা, ভাৰতত তেওঁৰ সমকক্ষ জ্ঞানী-মানী পণ্ডিত, তার্কিক, বিদ্বান কোনো নাই। তেওঁৰ এই ধাৰণা পণ্ডিত-সমাজত প্রকাশ কৰিবলৈ নাপাই শ্বেত-কেতুৱে মনত শান্তি পোৱা নাই। সেয়ে আত্মাভিমানী পণ্ডিত শ্বেতকেতুৱে বিদ্যা-বুদ্ধি, পাণ্ডিত্যৰ পৰিচয় জাহিৰ কৰিবলৈ পণ্ডিতৰ সন্ধানত নানা ঠাই ভ্ৰমি ফুৰিবলৈ ধৰিলে।

আত্ম-গৌৰৱত ঘূৰি ফুৰা শ্বেতকেতুৱে আত্ম প্রচাৰৰ কাৰণে এখন উপযুক্ত ক্ষেত্রৰ সম্ভেদ পালে। সেই ক্ষেত্র হ'ল— পাঞ্চালৰাজৰ ৰাজসভা। ( আজি কালিৰ দিল্লীৰ উত্তৰ-পশ্চিম অঞ্চলত পাঞ্চাল ৰাজ্য অৱস্থিত আছিল। ) পাঞ্চালৰাজৰ ৰাজসভা জ্ঞানী-

গুণী-পণ্ডিতৰ মহামিলন-ক্ষেত্ৰ। ৰাজ্যৰ ৰজাজনৰ নাম প্ৰবাহণ। ৰজা **প্ৰবাহণ** ধাৰ্মিক, জ্ঞানী-গুণী পণ্ডিত। বিভিন্ন ৰাজ্যৰ জ্ঞানী-গুণী পণ্ডিতক তেওঁ যথোচিত সন্মান প্ৰদৰ্শন কৰে। পাণ্ডিত্য প্ৰচাৰৰ সুচল হ'ব বুলি গৰ্বী পণ্ডিত শ্বেতকেতুৱে প্ৰবাহণৰ ৰাজসভালৈ যাবলৈ মন বান্ধি ল'লে। শ্বেতকেতুৱে দৃঢ়তাৰে ভাবিলে— **প্ৰবাহণৰ** ৰাজসভা অলঙ্কৃত কৰি থকা বিদ্বান পণ্ডিতবৰ্গক তৰ্কত পৰাজয় কৰি তেওঁ আত্ম-গৌৰৱ **প্ৰতিষ্ঠা** কৰি সকলোৰে নমস্য হৈ থাকিব।

* * * *

এদিন মহাগৰ্বী শ্বেতকেতু গৈ পাঞ্চালৰাজ প্ৰবাহণৰ ৰাজসভাত উপস্থিত হ'ল। ৰজা প্ৰবাহণে শ্বেতকেতুৰ বিদ্যা আৰু পাণ্ডিত্যৰ গৰ্বৰ কথা আগৰে পৰা জানে। অবিনীত, আত্মাভিমানী শ্বেতকেতুক ৰজাই বহিবলৈ আসন দি সুধিলে :

"কুমাৰ ! দেউতাৰাৰ পৰা তুমি সকলো উপদেশ সম্পূৰ্ণভাৱে লাভ কৰিছানে ?"

গৈ পোৱাৰ লগে লগে ৰজাই এনে প্ৰশ্ন সোধাত শ্বেতকেতুৰ ভীষণ খং উঠিল, যদিও তেওঁ তাক প্ৰকাশ নকৰি সংযত হৈ উত্তৰ দিলে :

"হয় মহাৰাজ, দেউতাৰ পৰা মই সকলো উপদেশ গ্ৰহণ কৰিছোঁ। মই সকলো বিদ্যা শিকিছোঁ আৰু সকলো বিষয়ক জ্ঞান লাভ কৰিছোঁ।"

প্ৰকৃত শিক্ষিত, প্ৰকৃত জ্ঞানীয়ে সকলো জানে, কিন্তু এনেদৰে সকলো জানো বুলি বক্তব্য দাঙি নধৰে। শ্বেতকেতুৰ বিদ্যা-শিক্ষা, পাণ্ডিত্যৰ গৌৰৱ চূৰ্ণ কৰিবলৈ ৰজা প্ৰবাহণে পঞ্চাগ্নি-বিদ্যা সম্পৰ্কে কেইটামান প্ৰশ্ন উত্থাপন কৰিবলৈ বিচাৰিলে। ৰজাই কলে :

"শ্বেতকেতু ! তোমাৰ বিদ্যা আৰু জ্ঞান লাভ সম্পূৰ্ণ হোৱা বুলি জানি ভাল পাইছোঁ। তোমাক মই কেইটামান প্ৰশ্ন সুধিম। তোমাৰ বিদ্যা-বুদ্ধিৰে তাৰ যথোচিত উত্তৰ দিলে কৃতাৰ্থ হ'ম।"



প্ৰবাহণ : মৃত্যু বা দেহত্যাগৰ পিছত মানুহে বা জীৱে কিদৰে বিভিন্ন পথ অৱলম্বন কৰে তাক তুমি জানানে ?

শ্বেতকেতু : মই একো নাজানো।

প্ৰবাহণ : এই জীৱ বা মানুহবোৰ কিদৰে পুনৰ ইহলোকলৈ ঘূৰি আহে, তাক তুমি ক'ব পাৰানে ?

শ্বেতকেতু : নোৱাৰোঁ, সেইকথাও মই নাজানো।

প্ৰবাহণ : বাৰু কোৱাচোন, বাৰে বাৰে এইদৰে গমন কৰা বহু-জীৱৰ দ্বাৰা পৰলোক কিয় পূৰ্ণ নহয় ?

শ্বেতকেতু : ওহো, মই নাজানো।

প্ৰবাহণ : যিমান সংখ্যক আহুতি দিলে জল পুৰুষসুলভ বাক্‌শক্তিযুক্ত হৈ কথা কয়, ঋষি কুমাৰ—তাক তুমি জানানে ?

শ্বেতকেতু : সেই কথাও মই নাজানো।

প্ৰবাহণ : কি কামৰ পৰা দেৱযান আৰু পিতৃযান মাৰ্গ লাভ কৰিব পাৰি ?

শ্বেতকেতু : তাকো মই নাজানো।

নিজৰ পাণ্ডিত্য জাহিৰ কৰিবলৈ আহি ৰজাৰ পাঁচোটা প্ৰশ্নৰ এটাৰো উত্তৰ দিব নোৱাৰি শ্বেতকেতুৱে লাজ-অপমানত মুখ তুলিব নোৱাৰা হ'ল। তেওঁৰ দম্ভ, অহঙ্কাৰ সকলো চূৰ্ণ হ'ল। দেউতাকৰ পৰা শাস্ত্ৰাদি বিদ্যা শিকিও পণ্ডিত-বংশজাত শ্বেতকেতুৱে ৰজাৰ এটা প্ৰশ্নৰো উত্তৰ দিবলৈ সমৰ্থ নহ'ল। দেউতাকৰ পৰা শিকা পুথিগত বিদ্যাই যে তেওঁক জ্ঞানী, বিদ্বান কৰিব পৰা নাই—তাক শ্বেতকেতুৱে বুজিলে।

শ্বেতকেতুৰ বিদ্যা-বুদ্ধি, জ্ঞানৰ পৰীক্ষা কৰি ৰজাই ক'লে :

"ঋষিকুমাৰ ! তুমি একোৱেই নাজানা, অথচ নিজকে জ্ঞানী পণ্ডিত বুলি বৰাই কৰি ঘূৰি ফুৰা। মোৰ এটা প্ৰশ্নৰো তুমি উত্তৰ দিব নোৱাৰিলা। বিদ্বান, জ্ঞানী বুলি তুমি পণ্ডিত-সমাজত কিদৰে পৰিচয় দিছা বাৰু ?"

চৰম পৰাজয় বৰণ কৰি শ্বেতকেতুৱে তিলমান সময়ো ৰজাৰ সন্মুখত থাকিবলৈ শক্তি গোটাব নোৱাৰিলে। লাজ-অপমানত জৰ্জৰিত শ্বেতকেতুৱে ধৈৰ্য্যহাৰা হৈ নিমিষতে তাৰ পৰা উঠি লৰ মাৰি গৈ পিতাকৰ আশ্ৰম পালে। দেউতাকৰ ওচৰত খং আৰু দুখেৰে কবলৈ ধৰিলে :

"দেউতা! আপুনি মোক সকলো বিদ্যা শিকোৱা বুলি কৈছিল। কিন্তু ক'তা মোৰতো একো বিদ্যাই শিকা হোৱা নাই।"

"তুমি কিয় ক্ষুন্ন হৈছা?"—দেউতাক গৌতমে শ্বেতকেতুক সুধিলে।

"আপুনি মোক ভালদৰে বিদ্যা-শিক্ষা নিদিয়া বাবে পাঞ্চাল ৰজাৰ ওচৰত মই অপমানিত হৈছোঁ। ব্ৰাহ্মণৰ পুত্ৰ হৈ ক্ষত্ৰিয়ৰ ওচৰত এনেদৰে অপমানিত হোৱাটো চৰম দুখ আৰু লাজৰ কথা। ৰজাই মোক পাচোঁটা প্ৰশ্ন সুধিলে, কিন্তু মই এটাৰো উত্তৰ দিবলৈ সমৰ্থ নহ'লোঁ।"—শ্বেতকেতুৱে ক্ষুন্ন হোৱাৰ কাৰণ দেউতাকক জনালে।

শ্বেতকেতুৱে ৰজাৰ প্ৰশ্ন পাঁচোটা দেউতাক গৌতমৰ আগত দাঙি ধৰিলে। কিন্তু আচৰিত কথা! দেউতাকেও কোনোটো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে। নিজে নজনা কথানো পুতেকক কেনেকৈ শিকাব পাৰে? খোলাখুলিভাৱে গৌতমে পুতেকক ক'লে :

"বোপা শ্বেতকেতু! এই কেইটা প্ৰশ্নৰ বিষয়ে মই নিজেই একো নাজানো। মই জনা সকলো কথা তোমাক শিকাইছোঁ। মই নিজে নজনা কথা কেনেকৈনো শিকাম বাৰু!"

জ্ঞান-বিদ্যাৰ পৰীক্ষাত ক্ষত্ৰিয় শাসকৰ ওচৰত বয়োবৃদ্ধ শ্ৰেষ্ঠ ব্ৰাহ্মণ ঋষি গৌতমৰো পৰাজয় ঘটিল। লাজ-অপমানত গৌতম অস্থিৰ হৈ পৰিল। গৌতমে বুজিলে, তেওঁৰ জ্ঞান লাভ সম্পূৰ্ণ হোৱা নাই। তেওঁৰ বিদ্যা-বুদ্ধি, জ্ঞান-গৰিমা সকলো ফুটুকাৰ ফেন। নিজৰ অজ্ঞানতা দূৰ কৰিবলৈ গৌতমে দৃঢ়সঙ্কল্প গ্ৰহণ কৰিলে। তেওঁৰ মনৰ পৰা দম্ভ-অহংকাৰ ভাৱ আঁতৰিল। সেয়েহে ব্ৰাহ্মণ ঋষি গৌতমে মিছা গৰ্ব-অহংকাৰ মনৰ পৰা আঁতৰাই সত্য শিক্ষা লাভ



কৰিবলৈ পাঞ্চালৰাজৰ ৰাজসভালৈ গমন কৰিলে।

* * * * *

পাঞ্চালৰ ৰজা প্ৰবাহণে দেখিলে শ্বেতকেতুৰ দেউতাক গৌতম ঋষি অতি শান্তভাৱে তেওঁৰ সন্মুখত থিয় হৈ আছে। ৰজা প্ৰবাহণে গৌতম ঋষিক যথাৰীতিমতে আসনত বহিবলৈ দি সুধিলে :

"ভগবন্! আপোনাৰ আগমনত মই কৃতাৰ্থ হৈছোঁ। আপোনাক মই বৰ দিবলৈ মানস কৰিছোঁ। কি বৰ লাগে কওঁক!"

"আপুনি বৰ দিবলৈ ইচ্ছা কৰা বাবে মই বৰ আনন্দ পাইছোঁ। মই আপোনাৰ ওচৰলৈ ধন-সম্পদ লাভ কৰা বৰ বিচাৰি অহা নাই। মাথোন মোৰ পুত্ৰ শ্বেতকেতুক আপুনি সোধা প্ৰশ্ন পাচোঁটাৰ উত্তৰহে জানিবলৈ ইয়ালৈ আহিছোঁ। দয়া কৰি সেই বিষয়ে জ্ঞান দান কৰি মোক কৃতাৰ্থ কৰক।"—ঋষি গৌতমে নিজৰ অজ্ঞতা স্বীকাৰ কৰি মনৰ ইচ্ছা প্ৰকাশ কৰিলে।

"সেয়া দৈব বৰৰ অন্তৰ্ভুক্ত। আপুনি তেনে বৰ বাদ দি মানবীয় বৰ প্ৰাৰ্থনা কৰক!"

"ধন-সম্পদৰ মোৰ কোনো প্ৰয়োজন নাই। অজস্ৰ সুৱৰ্ণ, গৰু, ঘোঁৰা, দাসী, পৰিবাৰ, বস্ত্ৰাদিৰ যে মোৰ অভাৱ নাই, তাক আপুনি ভালদৰে জানে। গতিকে তেনে সম্পদ মোক নালাগে।"

"তেনেহলে আপুনি যথানীতিত এই বৰ পাবলৈ যত্ন কৰক।"

"সেয়ে হ'ব। মই আপোনাৰ শিষ্যত্ব গ্ৰহণ কৰিলোঁ।"

ব্ৰাহ্মণ ঋষিয়ে ক্ষত্ৰিয় ৰজাৰ শিষ্যত্ব গ্ৰহণ কৰিলে। কিন্তু ক্ষত্ৰিয়ৰাজ প্ৰবাহণ সমস্যাৰ সন্মুখীন হ'ল। কিয়নো সেই সময়ত গূঢ়-বিদ্যা মাথোন ক্ষত্ৰিয়ৰ মাজতহে সীমাবদ্ধ আছিল; ব্ৰাহ্মণে এই বিদ্যা জনা নাছিল। গতিকে সেই গূঢ়-বিদ্যা ব্ৰাহ্মণক দান কৰিব লগীয়া হোৱাত ক্ষত্ৰিয় ৰজা প্ৰবাহণ চিন্তাত পৰাটো স্বাভাৱিক। কিন্তু শুদ্ধ-পবিত্ৰ মনেৰে, অকপট চিত্তেৰে, বিনীত ভাৱেৰে নজনা বিদ্যা ব্ৰাহ্মণ ঋষি গৌতমে শিকিবলৈ আহিছে;

তাতে আকৌ গৌতমে যথাৰীতিমতে শিষ্যত্বও গ্ৰহণ কৰিছে। তেনেস্থলত শুদ্ধমনা, নিৰহঙ্কাৰী, জ্ঞানপিপাসু গৌতম ঋষিক পঞ্চাগ্নি-বিদ্যাৰ শিক্ষা নিদিয়াটো অযুক্তি আৰু অন্যায়ৰ কথা হ'ব। আনফালে, ক্ষত্ৰিয়ৰ বিদ্যা-গৌৰৱ ক্ষুণ্ণ হ'ব; এই বিদ্যা অকল ক্ষত্ৰিয়ৰ মাজত সীমাবদ্ধ হৈ নাথাকিব। দুই নাৰত দুই ভৰি। আজি ক্ষত্ৰিয় ৰজা প্ৰবাহণ উপায়হীন। তেওঁ ব্ৰাহ্মণ ঋষি গৌতমক গূঢ়-বিদ্যা দান কৰিবলৈ বাধ্য। ৰজা প্ৰবাহণৰ কথামতে ব্ৰহ্মবিদ্যা লাভ কৰিবলৈ ব্ৰাহ্মণ ঋষি গৌতম কিছুদিন ৰজা প্ৰবাহণৰ লগত থাকিল।

ৰজা প্ৰবাহণে প্ৰথমে চতুৰ্থ প্ৰশ্নৰ ব্যাখ্যা কৰি ক'বলৈ ধৰিলে ঃ

"হে গৌতম! দ্যুলোক বা স্বৰ্গই অগ্নি। সেই অগ্নিৰ ইন্ধন সূৰ্য্য। সূৰ্য্য অগ্নিৰ সমিধ (কাঠ)। সূৰ্য্যৰ পৰা পোহৰ আহে, গতিকে পোহৰ তাৰ ধূম। উজ্জ্বল দিন ইয়াৰ শিখা, দিক্‌সকল ইয়াৰ এঙাৰ আৰু দিক্‌কোণসকল ইয়াৰ স্ফুলিঙ্গ।

অগ্নিহোত্ৰ যজ্ঞত আধ্যাত্মিক ইন্দ্ৰিয়সমূহ প্ৰকৃত হোতা। আত্মা নিজে কৰ্ত্তা বা ভোক্তা নহয়। তথাপি ইন্দ্ৰিয়াদিৰ সমন্ধবশতঃ জীৱাত্মাত এই কতৃত্ব আৰোপ কৰা হয়। ইন্দ্ৰিয়বিলাক ফলভোগৰ কাৰণে কৰ্মৰত হয় আৰু পৰলোকত ইন্দ্ৰিয়াদি দেৱতা হৈ যথাযোগ্য আহুতি প্ৰদান কৰে। যি তৰল পদাৰ্থ—যেনে ঘিউ, দুগ্ধ, পানী আদি অগ্নিহোত্ৰ যজ্ঞত আহুতি প্ৰদান কৰা হয়, সিয়েই অতি সূক্ষ্ম আকাৰ ধাৰণ কৰি যজমানৰ লগত ধূমৰূপত অন্তৰীক্ষলৈ আৰু অন্তৰীক্ষৰ পৰা দ্যুলোকলৈ যায়। এই সূক্ষ্ম তৰল পদাৰ্থই শ্ৰদ্ধা। কঠিন পদাৰ্থও যজ্ঞত আহুতি দিয়া হয়; তথাপি জলীয় পদাৰ্থৰ প্ৰাধান্য থকা বাবে আহুতিসকল জল শব্দৰ বাচ্য। শ্ৰদ্ধা বা তৰল আহুতি দ্ৰুত হৈ যজমানৰ কাৰণে চন্দ্ৰলোকোচিত জলীয় শৰীৰ উৎপন্ন কৰে। ইয়াকে সোমৰসৰ উৎপত্তি বোলা হয়। এই তৰল আহুতি প্ৰদানৰ ফলত পৰকালত যি শৰীৰ উৎপন্ন হয় তাক সূক্ষ্ম শৰীৰ বোলা হয়।

'পৰ্জন্য বা বৃষ্টিয়েই অগ্নি। শৰতৰ পৰা গ্ৰীষ্মলৈ এই ঋতুবিলাকৰ লগত সম্পূৰ্ণ বছৰ আবৰ্ত্তিত হোৱাৰ ফলত বৃষ্টিৰ সূচনা হয়। বছৰ ইয়াৰ সমিধ, মেঘ ধূম, বিদ্যুৎ শিখা, বজ্ৰ এঙাৰ আৰু মেঘৰ গাজনি স্ফুলিঙ্গ।'

'ইহলোকেই অগ্নি। পৃথিৱী ইয়াৰ সমিধ, অগ্নি ধূম, ৰাত্তি শিখা, চন্দ্ৰ এঙাৰ আৰু নক্ষত্ৰৰাজি স্ফুলিঙ্গ। এই অগ্নিত দেৱতাসকলে বৃষ্টি বা পৰ্জন্যক আহুতি দিয়ে। এই আহুতিৰ পৰা অন্ন উৎপন্ন হয়।'

'পুৰুষেই অগ্নি। মুখ ইয়াৰ সমিধ, প্ৰাণ ধূম, বাক্য শিখা, চকু এঙাৰ, কাণ স্ফুলিঙ্গ। দেৱতাসকলে এই অগ্নিত অন্নক আহুতি দিয়ে। সেই আহুতিৰ পৰা ৰেত, শুক্ৰ বা বীজ উৎপন্ন হয়।'

'তিৰোতাই অগ্নি। সেই অগ্নিত দেৱতাসকলে শুক্ৰ বা ৰেতৰ আহুতি দিয়ে। সেই আহুতিৰ পৰা পুৰুষৰ জন্ম হয়। জন্ম গ্ৰহণ কৰি যিমানলৈ আয়ুস থাকে, তিমান দিন জীয়াই থাকে। মানুহৰ মৃত্যু হ'লে অগ্নিত আহুতি দিয়া হয়। চিতাৰ কাঠ সমিধ, চিতাগ্নিৰ শিখাই অগ্নি-শিখা, হোমাগ্নিৰ এঙাৰেই এঙাৰ, স্ফুলিঙ্গই স্ফুলিঙ্গ।"

আন আন প্ৰশ্নৰ উত্তৰ সম্পৰ্কে প্ৰবাহণে ক'বলৈ ধৰিলে ঃ

"যি সকলে পঞ্চাগ্নি-বিদ্যাৰ তত্ত্ব উপলব্ধি কৰি নিজকে অগ্নিৰ পৰা জাত, অগ্নিপুত্ৰ আৰু অগ্নি বুলি জানে, বনত বাস কৰি সশ্ৰদ্ধ সত্যব্ৰহ্মৰ উপাসনা কৰে, সেইসকলে অৰ্চিদেৱতা প্ৰাপ্ত হয়। অৰ্চিৰ পৰা অহৰ্দেৱতা, অহঃৰ পৰা শুক্লপক্ষ দেৱতা, শুক্লৰ পৰা উত্তৰায়ণ দেৱতা, উত্তৰায়ণৰ পৰা দেৱলোক দেৱতা, দেৱলোকৰ পৰা আদিত্য দেৱতা, আদিত্যৰ পৰা বিদ্যুৎলোক দেৱতা প্ৰাপ্ত হয়। সৰ্বশেষত ব্ৰহ্মলোক প্ৰাপ্ত হৈ তাত অৱস্থান কৰে। ব্ৰহ্মলোকৰ পৰা এই সংসাৰ বা ইহজগতলৈ পুনৰ ঘূৰি নাহে। এই পথৰ নাম দেৱযান-মাৰ্গ বোলা হয়।

যিসকলে যজ্ঞ, দান আৰু তপস্যাৰ দ্বাৰা লোকসমূহ জয় কৰে, সিসকল ধূম দেৱতা প্ৰাপ্ত হয়। ধূমৰ পৰা ৰাত্ৰি দেৱতা, ৰাত্ৰিৰ

পৰা কৃষ্ণপক্ষ দেৱতা, কৃষ্ণপক্ষৰ পৰা দক্ষিণায়ন দেৱতা, দক্ষিণায়নৰ পৰা পিতৃলোক দেৱতা, পিতৃলোকৰ পৰা চন্দ্ৰ প্ৰাপ্ত হৈ অন্ন হয়। ঋত্বিকসকলে যেনেকৈ উজ্জ্বল সোমৰস পান কৰে, দেৱতাসকলেও এই পুৰুষক ভক্ষণ কৰে। কৰ্ম ক্ষীণ হ'লে আকাশ প্ৰাপ্ত হয়। আকাশৰ পৰা বায়ুক, বায়ুৰ পৰা বৃষ্টিক; বৃষ্টিৰ পৰা পৃথিৱী প্ৰাপ্ত হৈ অন্ন হয়। সেই অন্ন পুৰুষ অগ্নিত আহুতি দিয়া হয়। তাৰ পিছত স্ত্ৰী-অগ্নিক আহুতি দিলে মানুহ জন্ম পায়। মানুহে লোক-সমূহ লাভ কৰিবলৈ এইদৰে চক্ৰাকাৰে পৰিভ্ৰমণ কৰি ফুৰে। ইয়াকে পিতৃযান-পথ বোলা হয়।

যিসকলে উক্ত দেৱযান আৰু পিতৃযানৰ পথ নাজানে, সেইসকলে কীট, পতঙ্গ প্ৰভৃতি ক্ষুদ্ৰ প্ৰাণী হৈ থাকে। এনে দুৰৱস্থা বা হীনাৱস্থা নহ'বলৈ মানুহে উপাসনা বা সৎকৰ্মৰ অনুষ্ঠান কৰিব লাগে।

গৌতম! এই খিনিয়েই পঞ্চাগ্নি-বিদ্যাৰ মূলতত্ত্ব। মোৰ পাঁচোটা প্ৰশ্নৰ উত্তৰ সংক্ষেপতে বৰ্ণনা কৰিলোঁ। আশাকৰোঁ আপোনাৰ সংশয় আঁতৰিল।"

প্ৰবাহণৰ উত্তৰৰ পৰা ব্ৰহ্মতত্ত্ব, পঞ্চাগ্নি-বিদ্যাৰ ৰহস্য উপলব্ধি কৰি গৌতম অতিশয় আনন্দিত আৰু সন্তুষ্ট হ'ল। একান্ত ভাৱে শিকিবলৈ আগ্ৰহ থাকিলে, যিমানে কঠিন গূঢ়-বিদ্যা নহওঁক তাক আয়ত্ব কৰিব পাৰি। সমাজত উচ্চ বংশজাত বা পুথিগত বিদ্যা-শিক্ষাৰ গৰাকী বুলি গৌৰৱ কৰি থাকিলেই সকলো বিদ্যাৰ অধিকাৰী বা প্ৰকৃত জ্ঞানী হ'ব নোৱাৰে।

প্ৰকৃত জ্ঞান বা তত্ত্ব লাভ কৰাত ব্ৰাহ্মণ-অব্ৰাহ্মণ, উচ্চ-নীচৰ মাজত কোনো প্ৰভেদ থাকিব নোৱাৰে। আত্মাভিমানী ব্ৰাহ্মণ ঋষিৰ পুত্ৰ শ্বেতকেতুৰ ক্ষত্ৰিয় ৰজা প্ৰবাহণৰ ওচৰত দৰ্প নাশ হোৱা আৰু শ্বেতকেতুৰ পিতৃ বয়োবৃদ্ধ ব্ৰাহ্মণ ঋষি গৌতমে ৰজা প্ৰবাহণৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰি ব্ৰহ্মতত্ত্ব-বিষয়ক জ্ঞান লাভ কৰা কথা এই প্ৰসঙ্গত স্মৰণীয় ॥ ০০ ॥



# মহীয়সী

ঘৰখনত কোনো বস্তুৰে অভাৱ নাই। অজস্ৰ ধন-সম্পদ, গো-স্বৰ্ণ, গাখীৰ-মাখন-ঘিউ সকলো বস্তুৰে উপচি পৰা ঘৰ। এই-খন ঘৰৰ হাজাৰেক খীৰতী গাইৰ শিঙবোৰ সোণেৰে নিৰ্মিত। খীৰতী গাইবোৰৰ গাখীৰ, গাখীৰৰ পৰা তৈয়াৰ কৰা এঠা লগা দৈ, মাখন, ঘিউ সহস্ৰ লোকে খাই অন্ত পেলাব নোৱাৰে। এনে সা-সম্পত্তি আৰু ভোগৰ সামগ্ৰীৰ অধিকাৰী হ'ব পৰাটো জানো কম সৌভাগ্যৰ কথা! কোনোৱে জানো ইমান সুখ-ভোগৰ মাজত ডুব গৈ থাকি সেই ঘৰ এৰি যাবলৈ হাবিয়াস কৰিবনে? এনে কথা ভাবিব পাৰিনে?

কিন্তু আচৰিত কথা! এগৰাকী মহিলাই অজস্ৰ ধন-সম্পদ আৰু ভোগৰ সামগ্ৰীক তেনেই তুচ্ছ জ্ঞান কৰিলে। ঘৰখনৰ অলেখ সম্পদ আৰু ভোগৰ সামগ্ৰীৰ গৰাকিনী হোৱাৰ সুবিধা পায়ো মহিলা গৰাকীয়ে সিবোৰেৰে কণমানো সৌভাগ্যৱতী হ'বলৈ ইচ্ছা নকৰিলে। মহিলা জগতত এনে আদৰ্শ অতুলনীয়।

মহিলা গৰাকীৰ গিৰিয়েক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ মনীষা আৰু অজস্ৰ ধন-সম্পদৰ গৰাকী যাজ্ঞবল্ক্য। সেই সময়ত তেওঁৰ সমকক্ষ বেদ-বিদ, ব্ৰহ্মবিদ, তাৰ্কিক পণ্ডিত কোনো নাছিল। ৰাজৰ্ষি জনকৰ যজ্ঞ-সভাত যাজ্ঞবল্ক্যই জ্ঞান-বিদ্যা, পাণ্ডিত্যৰ সুপৰিচয় দাঙি ধৰিছিল। সেই সভাত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অহা মহা মহা শিক্ষিত ব্ৰাহ্মণ পণ্ডিত আৰু বিদূষীক যাজ্ঞবল্ক্যই তৰ্ক-যুদ্ধত পৰাজয় কৰি সোণৰ শিঙযুক্ত এক হাজাৰ খীৰতী গাই লাভ কৰিছিল। জ্ঞানী-

মানী অপ্ৰতিদ্বন্দ্বী পণ্ডিত যাজ্ঞবল্ক্যক অনেকে ভক্তি-সন্মান প্ৰদৰ্শন কৰি নানা সা-সম্পদ দান কৰিছিল। কেবা হাজাৰো শিষ্যক তেওঁ আশ্ৰমত ৰাখি বেদাদি শাস্ত্ৰৰ শিক্ষা দান কৰিছিল।

যাজ্ঞবল্ক্যৰ দুগৰাকী তিৰোতা। মৈত্ৰেয়ী আৰু কাত্যায়নী। ধন-সম্পত্তি, গো-সুবৰ্ণ, গাখীৰ, মাখন, ঘিউ আদিৰে উভৈনদী হৈ পৰা ঘৰ এখনৰ গৃহিণী হ'ব পৰাটো তিৰোতাৰ কাৰণে কম সৌভাগ্যৰ কথা নহয়। মৈত্ৰেয়ী আৰু কাত্যায়নী পৰমা সুন্দৰী, গুণৱতী, বুদ্ধিমতী আৰু পতি-ভক্তা ৰমণী। এই দুই পতিব্ৰতা ভাৰ্য্যাৰ লগত বেদজ্ঞ, আত্মজ্ঞানী যাজ্ঞবল্ক্যই অতুলনীয় সৌন্দৰ্য্যৰে শোভিত আশ্ৰমত হাজাৰ হাজাৰ সত্যাগ্ৰহী জ্ঞানপিপাসু ছাত্ৰক জ্ঞান-বিদ্যা-শিক্ষা দি অপৰিসীম ধন-ঐশ্বৰ্য্যৰ অধিকাৰী হৈ সুখ স্বচ্ছন্দে ঘৰ-সংসাৰ চলায়।

দিনৰ পিছত মাহ, মাহৰ পিছত বছৰ, বছৰৰ পিছত যুগ অবিৰাম গতিত বাগৰি থাকে। যাৰ ফলত কুমলীয়া শিশু ল'ৰা হয়, ল'ৰা ডেকা হয়, ডেকা আদহীয়া হয় আৰু আদহীয়া বুঢ়া হয়। এদিন যাজ্ঞবল্ক্যকো বাৰ্দ্ধক্যই আদৰণি জনালে। তেওঁৰ চুলি পকিবলৈ ধৰিলে, দাঁত সৰিবলৈ ধৰিলে আৰু শৰীৰ জীৰ্ণ-শীৰ্ণ হ'বলৈ ধৰিলে। ইয়াৰ পিছতে কাল বা মৃত্যুৰ আহ্বান আহিলে জীৱনৰ অৱসান ঘটিব। সংসাৰ-বন্ধনত থাকি মৃত্যু বৰণ কৰাতকৈ তাৰ পূৰ্বে সংসাৰ-বন্ধন ছেদ কৰিলে জীৱন সাৰ্থক হয়। যাজ্ঞবল্ক্যই সংসাৰী জীৱনৰ কাৰ্য্যৰ ওৰ পৰা বুলি ভাবিলে। সেয়েহে তেওঁ ঘৰ-সংসাৰ এৰি সন্ন্যাস ধৰ্ম গ্ৰহণ কৰিবলৈ মনস্থ কৰিলে। সংসাৰ-বন্ধন ছেদ কৰাৰ আগে তেওঁ ঘৰৰ সুখ-ভোগৰ সা-সম্পত্তিসমূহ দুই পত্নীৰ মাজত ভাগ-বাটোৱাৰা কৰি দি যোৱাটো উচিত হ'ব বুলি বিবেচনা কৰিলে। কিয়নো, পিছলৈ হয়তো দুই সতিনী মৈত্ৰেয়ী আৰু কাত্যায়নীয়ে সম্পত্তি লৈ খোৱা-কামোৰা কৰি থাকিব আৰু জীৱনৰ বাকী থকা দিনকেইটাত তেওঁলোকে সুখ-শান্তিৰ মুখ নেদেখা হৈ পৰিব।



এদিনাখন যাজ্ঞবল্ক্যই পত্নী মৈত্ৰেয়ীক মাতি আনি ওচৰত বহুৱাই ক'বলৈ ধৰিলে :

"প্ৰিয়া মৈত্ৰেয়ী। মই বৃদ্ধত্ব প্ৰাপ্ত হ'লোঁ। সংসাৰ-বন্ধন ছিন্ন কৰাৰ সময় উপস্থিত হৈছে। মোৰ জীৱনৰ তিনি আশ্ৰমৰ কাম সমাপ্ত হ'ল। এতিয়া চতুৰ্থাশ্ৰম সন্ন্যাস গ্ৰহণৰ সময়। গতিকে মই তোমালোকৰ পৰা বিদায় মাগিব খুজিছোঁ। তোমাৰ আৰু কাত্যায়নীৰ মাজত সা-সম্পদক লৈ যাতে কোনো হাই-কাজিয়া নহয়, তাৰ বাবে সকলো সম্পত্তি মই বিদায় লৈ যোৱাৰ পূৰ্বে ভাগ কৰি দি যাবলৈ ইচ্ছা কৰিছোঁ। মই এই ব্যৱস্থা কৰি গ'লে তোমালোক দুয়োৱে জীৱনৰ শেষ দিনটোলৈকে সুখে-সন্তোষে কাল কটাব পাৰিবা। তুমি আৰু কাত্যায়নীয়ে মোক আশ্ৰম এৰি যাবলৈ অনুমতি দিলে মোৰ জীৱন সাৰ্থক হ'ব।"

আৰ্য্য-সমাজত নাৰীক যেনে সন্মান বা সু-আসনত অধিষ্ঠিত কৰা হৈছিল,—নাৰীও তেনে বিদূষী মহিয়সী আছিল। বিদ্যা-লাভ জ্ঞান-চৰ্চা, ভগৱৎ-চিন্তা আদি দিশত মনোনিবেশ কৰি পুৰুষ-সমাজৰ লগত নাৰী-সমাজেও অংশ গ্ৰহণ কৰি ভাৰতীয় ধৰ্ম-সমাজ-সংস্কৃতিৰ উজ্জ্বল ইতিহাস ৰচনা কৰি থৈ গৈছে। ব্ৰহ্মবাদিনী ঋষি বাক্ আৰু অপালা, জ্ঞান-পিপাসী ব্ৰহ্মিষ্ঠা গাৰ্গী, উপাসনা মন্ত্ৰ ৰচয়িতা ঘোষা প্ৰভৃতি ভাৰতীয় অমৰ জীয়াৰী। যুগে যুগে ভাৰতীয় জীয়াৰী-বোৱাৰীয়ে তেনে মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ দেশক সুমহীয়ান কৰি তুলিব পাৰিছে।

* * * * *

মৈত্ৰেয়ী ব্ৰহ্মজ্ঞানী মহাপণ্ডিত যাজ্ঞবল্ক্যৰ প্ৰথমা পত্নী। স্বামীৰ লগত ঘৰ-সংসাৰ কৰিও শাস্ত্ৰ-চৰ্চা, জ্ঞান-চৰ্চা কৰি মৈত্ৰেয়ীয়ে জীৱন মহীয়ান কৰি তুলিছে। বিদূষী, জ্ঞানৱতী মৈত্ৰেয়ী ব্ৰহ্মজ্ঞানী স্বামীৰ উপযুক্তা পত্নী। তেওঁৰ আন গৰাকী পত্নী কাত্যায়নী। ঘৰ-সংসাৰ চলোৱা, স্বামীৰ সেৱা-পৰিচালনা কৰাৰ বাহিৰে জ্ঞান-

চৰ্চাদিৰ প্ৰতি কাত্যায়নীৰ মন-কাণ নাই। কাত্যায়নী পতিব্ৰতা, স্বামী-ভক্তা সংসাৰী ৰমণী।

গিৰিয়েক যাজ্ঞবল্ক্যই অজস্ৰ ধন-সম্পদ, ভোগ-সামগ্ৰীৰ স্বত্বাধিকাৰিণী পাতি থৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰাত জ্ঞানৱতী, ব্ৰহ্মবাদিনী মৈত্ৰেয়ীয়ে হয়ভৰ দিব নোৱাৰিলে। মৈত্ৰেয়ীয়ে জানে—জগত, জীৱন সকলো অসাৰ, ক্ষণস্থায়ী। অমূল্য মানৱ জীৱনতকৈ সা-সম্পদ, ধন-সোণৰ মূল্য কোনো গুণে বেচি নহয়। গতিকে অস্থায়ী ভোগৰ সামগ্ৰী, সম্পত্তি আদিক লৈ সতিনীয়েক কাত্যায়নীৰ লগত মৈত্ৰেয়ীয়ে হাই-কাজিয়া কৰি অমূল্য জীৱন অবাবত কটাবনে? ই কেতিয়াও হ'ব নোৱাৰে। স্বামীৰ প্ৰস্তাৱ আৰু বুজনিত মৈত্ৰেয়ীয়ে বিদ্ৰোহিনীৰ ৰূপ ধাৰণ কৰিলে। মৈত্ৰেয়ী চিন্তামগ্ন হৈ মৃদু ভাষাত গিৰিয়েক যাজ্ঞবল্ক্যক সুধিলে :

"ভগৱন্! যদি সমগ্ৰ পৃথিবীৰ ধন-সম্পদ মোৰ হয়, মই অমৃত বা অমৰত্ব লাভ কৰিব পাৰিমনে নোৱাৰিম?"

'নাই, নোৱাৰিবা মৈত্ৰেয়ী। ধন বা সম্পদশালী মানুহৰ যেনে হয়, তোমাৰো তেনে হ'ব। ধন-সম্পদৰ দ্বাৰা ভাত-কাপোৰৰ সমস্যা সমাধান হ'ব আৰু শাৰীৰিক সুখ লাভ কৰিব পাৰিবা। তাৰ দ্বাৰা কেতিয়াও অমৰত্ব লাভ কৰিব নোৱাৰিবা।"—ধীৰ-শান্ত স্বৰত যাজ্ঞবল্ক্যই মৈত্ৰেয়ীক জনালে।

যাৰ দ্বাৰা অমৃতৰ সন্ধান পোৱা নাযায়, অমৰত্ব লাভ নহয়—সেই ধন-বিত অতি তুচ্ছ, সেই ঘৰ-সংসাৰ মূল্যহীন। মৈত্ৰেয়ীয়ে বিচাৰে পৰম সত্যক জানিবলৈ, অমৰত্ব লাভ কৰিবলৈ। সেই কাৰণে লোভ-মোহ, ভোগ-সুখৰ স্পৃহা পৰিহাৰ কৰি ঋষি স্বামীক প্ৰণিপাত জনাই ক'লে :

"হে ভগৱন! যাৰ দ্বাৰা মই অমৰত্ব লাভ কৰিব নোৱাৰোঁ, তাক গ্ৰহণ কৰিলে কি লাভ হ'ব? মোক তেনে ধন-বিত বা ভোগ-সুখৰ সামগ্ৰীৰ কোনো প্ৰয়োজন নাই, আপুনি মোক অনিত্য বিষয়-সম্পত্তিৰ অধিকাৰিণী পাতিব নালাগে। মই পৰম সত্য বা অমৰত্বহে



লাভ কৰিবলৈ হাবিয়াস কৰিছোঁ। গতিকে, আপুনি মোক এনে সম্পদহে দান কৰক—যি সম্পদৰ দ্বাৰা মই মৃত্যুৰাজক অতিক্ৰম কৰি অমৃতৰ অধিকাৰিণী হৈ অমূল্য মানৱ জীৱন সফল কৰি তুলিব পাৰোঁ।"

উপযুক্ত ব্ৰহ্মিষ্ঠ পতিৰ উপযুক্তা ব্ৰহ্মবাদিনী পত্নী। পত্নীয়ে অমৃত লাভৰ হাবিয়াসৰ কথা জনোৱাত ব্ৰহ্মজ্ঞানী পতি যাজ্ঞবল্ক্যই পৰম সন্তোষ পালে। স্নিগ্ধ-পৱিত্ৰ মনৰ গিৰিয়েক যাজ্ঞবল্ক্যই কলে :

"মৈত্ৰেয়ী! তুমি মোৰ অতি প্ৰিয়, অতি আদৰণীয়া। তোমাৰ এনে মহান প্ৰাৰ্থনা শুনি মই গৌৰৱ-বোধ কৰিছোঁ, মই মুগ্ধ হৈছোঁ। তোমাক মই অমৃত লাভৰ সন্ধান দিম। প্ৰিয়া! আহা মোৰ ওচৰ চাপি—বহা। মই পৰম তত্ত্বৰ বিষয়ে ব্যাখ্যা কৰিম, তুমি তাক উপলব্ধি কৰিবলৈ একান্তমনে ধ্যান কৰি থাকিবা।"

মৈত্ৰেয়ীৰ আশাৰ সুফল ফলিল। গিৰিয়েকে অমৃতৰ সন্ধান দিবলৈ প্ৰতিশ্ৰুত হোৱাত মৈত্ৰেয়ীৰ অন্তৰ পৰমানন্দত নাচি উঠিল। যাজ্ঞবল্ক্যৰ চৰণত প্ৰণাম জনাই পৰমজ্ঞানৰ কথা শুনিবলৈ মৈত্ৰেয়ীয়ে তেওঁৰ ওচৰত বহিল। ব্ৰহ্মিষ্ঠ যাজ্ঞবল্ক্যই ক'বলৈ ধৰিলে :

"হে মৈত্ৰেয়ী! শুনা, জগতত আত্মা সকলোৰে সকলোতকৈ প্ৰিয়। আত্মাৰ প্ৰয়োজনৰ বাবে পতিয়ে পত্নীক ভাল পায় আৰু পত্নীয়েও আত্মাৰ তৃপ্তিৰ বাবে পতিক ভাল পায়। পতিৰ প্ৰয়োজনৰ বাবে পতি বা পত্নীৰ প্ৰয়োজনৰ বাবে পত্নী প্ৰিয় নহয়। আত্মাৰ বাবেই মাক-বাপেকে পুত্ৰ-পুত্ৰীক ভাল পায়। মানুহে আত্মাৰ কাৰণে বন্ধু-বান্ধৱ, ইহলোক-পৰলোক, ব্ৰাহ্মণ-ক্ষত্ৰিয়, দেৱতা আৰু আন আন প্ৰাণীসমূহক ভাল পায়। মুঠতে, আত্মাৰ প্ৰয়োজন বা তুষ্টিৰ বাবেই জগতৰ সকলো প্ৰিয় হয়। জীৱ-শ্ৰেষ্ঠ মানুহে আত্ম-জ্ঞান লাভ কৰিবলৈ কঠোৰ সাধনা কৰে। গুৰুৰ ওচৰত বেদ-বেদান্তৰ শিক্ষা লাভ কৰি বিচাৰ-বিবেচনাৰে সকলো অজ্ঞতা দূৰ কৰি একান্ত মনে ধ্যান-ধাৰণা কৰিলে আত্মাক উপলব্ধি আৰু দৰ্শন

কৰা হয়। জগতৰ সকলো বস্তুতকৈ আত্মা শ্ৰেষ্ঠ। আত্মা সকলোতে বিয়াপি আছে। গতিকে আত্মাক জানিব পাৰিলে জগতৰ সকলোকে জনা যায়। মানৱ-দানৱ, দেৱতা-অসুৰ, উদ্ভিদ জাতীয় বা আন সকলোৰে মূল আত্মা। যিজনে আত্মা তথা ব্ৰহ্মক জানে, তেওঁ সকলো ভূততে আত্মা আৰু আত্মাত সকলো ভূত দৰ্শন কৰিব পাৰে। তেৱেঁই ব্ৰাহ্মণ। আত্মাই ব্ৰাহ্মণ, ক্ষত্ৰিয়, দেৱতা, আৰু আন আন জীৱৰূপে প্ৰকাশিত হৈছে। নাম, ৰূপ, বিশ্ব-ব্ৰহ্মাণ্ড সকলো আত্মাৰ পৰা উদ্ভূত, আত্মাতেই ইবোৰৰ স্থিতি আৰু আত্মাতেই ইবোৰ বিলীন হয়।

সজোৰে বাদ্য বজালে কাণেৰে মাথোন বাদ্যৰ শব্দহে শুনা যায়— আন একো শব্দ শুনিবলৈ পোৱা নাযায়। ঠিক তেনেকৈ আত্মজ্ঞান লাভ হ'লে আত্মাৰ বাহিৰে আন একোৱেই দেখা নাযায়। সেই সময়ত যি অনুভূত হয়; সিয়েই— আত্ম-চৈতন্য।

আত্মাৰ পৰা ঋক্-যজু-সাম-অথৰ্বাদি বেদ, পুৰাণ, ইতিহাস, উপনিষদ, শ্লোক, সূত্ৰাদি সকলো প্ৰকাশিত হৈছে। এই সকলো-বোৰ যেন আত্মাৰূপী পৰম-পুৰুষৰ নিশ্বাস স্বৰূপ। সৃষ্টিৰ আদি মধ্য আৰু অন্ত সকলোতে কেৱল আত্মা বা ব্ৰহ্মহে। পৰ্বতৰ পৰা নামি অহা নদ-নদী আনন্দত আত্মহাৰা হৈ বৈ আহি সাগৰৰ লগত মিলি এক হৈ পৰাৰ দৰে সৃষ্টিৰ সকলো পদাৰ্থ এক আত্মা বা ব্ৰহ্মত বিলীন হয়। আত্মাৰ পৰা জগতৰ সৃষ্টি হৈছে। যেতিয়া জগত আত্মাত বিলীন হয়, সাগৰত পৰা নদ-নদীৰ দৰে তাৰ নিজস্ব সত্ত্বা বা বৈশিষ্ট্য নোহোৱা হৈ পৰে।"

আৰু সহজভাৱে ব্ৰহ্মতত্ত্ব বুজাবলৈ যাজ্ঞবল্ক্যই মৈত্ৰেয়ীক ক'বলৈ ধৰিলে :

"মৈত্ৰেয়ী ! পানীৰে পৰিপূৰ্ণ এটা পাত্ৰত লোণ পেলাই দিলে লোণখিনি পানীৰ লগত মিহলি হৈ যায়। পবিত্ৰ পানীত লোণৰ সত্তা দেখিবলৈ পোৱা নাযায় আৰু পানীৰ পৰা লোণখিনি বিচাৰি



উলিয়াই আনিব পৰাও নাযায়। মাথোন পানী খালেহে লোণৰ স্বাদ অনুভূত হয়। ঠিক তেনেকৈ এই চৈতন্যময় আত্মাৰ পৰা উদ্ভৱ হোৱা জগত বা বিশ্ব-ব্ৰহ্মাণ্ড সেই আত্মাতে বিলীন হয়। যাৰ ফলত, জগতৰ কোনো পৃথক সত্তা বা চৈতন্য নাইকিয়া হয়। এই আত্মা বা ব্ৰহ্মই সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰণ।"

প্ৰলয়ৰ কথা শুনি মৈত্ৰেয়ীয়ে অলপ ভীত-বিহ্বলা যেন হৈ যাজ্ঞবল্ক্যক ক'লে :

"হে ভগৱন ! মই মোহমুগ্ধা হৈছোঁ। আত্মাত বিলীন হ'লে কোনো চৈতন্য নাথাকে নেকি ? এই কথা ভালদৰে বুজাই দিয়ক।"

মৈত্ৰেয়ীক অভয় প্ৰদান কৰি যাজ্ঞবল্ক্যই বুজাবলৈ ধৰিলে :

"হে প্ৰিয়ে ! ভয় নকৰিবা। তোমাক মোহমুগ্ধা কৰিবলৈ মই একো কোৱা নাই। ভালদৰে বুজাইছোঁ, শুনা—

আত্মাৰ পৰা ব্যক্তিৰ কোনো বেলেগ সত্তা নাই। আত্মা বা ব্ৰহ্মৰ পৰা ব্যক্তিক পৃথক ৰূপে চিন্তা কৰিব নোৱাৰি। কিন্তু যেতিয়া অজ্ঞানবশতঃ ভেদবুদ্ধি বা দ্বৈতভাৱ জন্মে, তেতিয়া এজনে আনজনক দেখে, আনজনৰ কথা শুনে, আনজনক স্পৰ্শ কৰে, আস্বাদন কৰে আৰু চিন্তা কৰে। কিন্তু যেতিয়া সকলো স্নেহ নাইকিয়া হৈ সকলো আত্মময় হয়, তেতিয়া কোনে কাক দেখিব, কোনে কাৰ কথা শুনিব ; কোনে কাক স্পৰ্শ বা আস্বাদন বা চিন্তা কৰিব ? তেওঁ সকলোতে আছে, সকলোতে নাই। যাক 'নেতি নেতি' বোলা হৈছে— সিয়েই আত্মা। আত্মা অগ্ৰহণীয়, অনাসক্ত, চিৰমুক্ত, অপৰিবৰ্তনীয়, অবিনাশী, অচিন্তনীয়। আত্মা সৰ্ববিদ্। আত্মজ্ঞানৰ ফলত ভেদ বা দ্বৈত বুদ্ধি নাইকিয়া হয়। এই আত্মজ্ঞান লাভ হ'লেহে অমৰত্ব লাভ কৰিব পাৰি।"

যাজ্ঞবল্ক্যৰ পৰিষ্কাৰ বুজনি শুনি মৈত্ৰেয়ীৰ মোহ আঁতৰিল, সংশয় দূৰ হ'ল। মৈত্ৰেয়ীয়ে উপলব্ধি কৰিলে : আত্মাই পৰম সত্য আৰু জ্ঞানময় অমৃত। এই আত্মজ্ঞান লাভ হ'লে মই, তুমি

স্ত্রী-পুৰুষ, শৰীৰ, মন আদি ভেদবুদ্ধি আঁতৰি যায়। মানুহৰ ভয়-সংশয় ভেদবুদ্ধিৰ ফল আৰু দুখ-তাপ দ্বৈতবুদ্ধিৰ কাৰণ। ভয়-সংশয়, দুখ-তাপ আঁতৰিলেই অমৃতময় পুৰুষ আত্মা বা ব্ৰহ্মক উপলব্ধি কৰিব পাৰি।

মনৰ ভয়-সংশয়, দুখ-তাপ দূৰ কৰি যাজ্ঞবল্ক্যৰ যোগ্যা পত্নী মৈত্ৰেয়ীয়ে আগ্ৰহ আৰু সাধনাৰ বলত জ্ঞান লাভ কৰি অনিত্য ধন-সম্পদ, ভোগৰ সামগ্ৰী পৰিহাৰ কৰি দুৰ্লভ অমৃতৰ সন্ধান লাভ কৰি জীৱন ধন্য কৰি তুলিলে ॥ ০০০ ॥

30541/04